# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Srei Chandradhar Baruah | |
| Title: অসম- সাহিত্য সভা- পত্ৰিকা- | |
| Transliterated Title: Āsaāma Saāhaitaya Sabhaā Palākaikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat - Assam |
| Year: 1927-28 (1848-49 Sak) | Edition: |
| Size: 23 cms - 3+252 pages | Genre: Magazine |
| Volumes: 1 (4 issues) | Condition of the original: good |
| Remarks: The magazine was first published in the year 1927 and it has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# অসম সাহিত্য-সভা-পত্ৰিকা।

পুহ—ফাগুন, ১৮৪৮—৪৯

প্ৰথম বছৰ ] মুঠ সংখ্যা—২ [ দ্বিতীয় সংখ্যা


## পূব আৰু পশ্চিমৰ সংঘৰ্ষণ। *

আজি বহু হাজাৰ বছৰ হ'ল, অতি প্ৰাচীন কালতে, উত্তৰৰ ফালে এখন ওখ সমতল দেশত এজাতি মানুহ আছিল। সেই জাতিটো ক'ৰ পৰা আহিছিল, সি ক'ত উৎপত্তি হৈছিল, মানুহৰ কল্পনাই তাক চুকি পোৱাগৈ নাই। তেওঁলোক বৰণত বগা, গঢ়েপিটে ধুনীয়া, আকাৰে প্ৰকাৰে ওখ ডাঙৰ, আচাৰে ব্যৱহাৰে পৰিষ্কাৰ পৰিচ্ছন্ন আৰু স্বভাৱে চৰিত্ৰই নিৰ্ম্মল, সৰল আৰু পোনপটীয়া আছিল। কাল ক্ৰমত তেওঁলোকৰ সংখ্যা বাঢ়ি গ'ল; আৰু তেওঁলোক থকা সেই দেশখনত খেতি বাতি কৰি খোৱাত আৰু থকা মেলাত, তেওঁলোকে লাহে লাহে অনেক প্ৰকাৰৰ আহকাল পাবলৈ ধৰিলে। সেই দেখি তেওঁলোকে বসতি কৰিবলৈ তাতকৈ চলৰ ঠাই বিচাৰিব খুজিলে। তেতিয়া তেওঁলোক দুদল হৈ, এদল পশ্চিম ফাললৈ আৰু এদল দক্ষিণ ফাললৈ যাবলৈ ধৰিলে।

পশ্চিম ফাললৈ যোৱা দলে বহুত পৰ্ব্বত পাহাৰ নদ নদী, সাগৰ উপসাগৰ পাৰহৈ বহুত ন ন দেশ পালেহি। সেইবিলাক দেশত তেওঁলোকে আন আন জাতিৰ মানুহ লগ পালে। সেইবিলাক মানুহ তেওঁলোকৰ দৰে সভ্য আৰু জনা শুনা নাছিল। সেই বাবে, সিহঁতক বৰাই বুজাই, বা বলেৰে বশ কৰি, সিহঁতৰ দেশতে তেওঁলোকে বসতি কৰিবলৈ ধৰিলে, আৰু লাহে লাহে সিহঁতে সৈতে মিল হৈ, সিহঁতক সামৰি পেলাই, সিহঁতে সৈতে একেটা জাতি হৈ পৰিল। এই দৰে মিহলি হোৱাত তেওঁলোকৰ গঢ় গতিত, আচাৰ ব্যৱহাৰত আৰু নিয়ম কাৰণত অনেক সাল সলনি হ'ল যদিও, আকাৰ প্ৰকাৰ, বল বীৰ্য্য, বুদ্ধি বৃত্তি আৰু বৰণ কাৰণ প্ৰায় আগৰ দৰেই থাকিল। আৰু সেইবিলাক দেশৰ জল বায়ুৰ গুণত, তেওঁলোকৰ স্বাস্থ্যৰ কোনো হানি ন'হৈ, দিনে দিনে উন্নতিহে হ'বলৈ ধৰিলে। সেইবিলাক দেশ অনুৰ্ব্বৰা আৰু তাত বৰ জাৰ। সেই বাবে, তেওঁলোকে প্ৰকৃতিৰ বিৰুদ্ধে সদাই নেৰা নেপেৰাকৈ যুদ্ধ কৰি থাকিব লগিয়াত পৰিল। দেশ অনুৰ্ব্বৰা বাবে, তাত ভালকৈ শস্য নহয় আৰু যি অলপ হয় তাৰ বাবেও ন'থৈ পৰিশ্ৰম কৰিব লাগে। সেই

* যোৰহাটৰ জ্ঞানদায়িনী সভাত পঠিত।

সভ্যতাৰ দোষবিলাক এৰি দি, গুণবিলাক একেলগে মিহলাই ল'লে, এবিধৰ ত্ৰুটিবিলাক আনবিধৰ গুণেৰে পুৰাই ল'লে, এবিধত ইবিধ ভেজনি দিলে, এবিধ অভিনৱ অদ্ভুত-পূৰ্ব্ব, সৰ্ব্বাঙ্গসুন্দৰ পৰিপূৰ্ণ সভ্যতাৰ সৃষ্টি হ'ব, আৰু সেই সভ্যতাই সমস্ত পৃথিবীক নতুন উন্নতিৰ বাটত আগুৱাই দি, চিন্তাৰ সোঁত অল্প কালে বোৱাই দি, কটা-মৰা খিয়লা-খিয়লি, আপোন-পৰ, অসুখ অশান্তিৰ ঠাইত মিলাপ্ৰীতি কোলাকোলি, সহানুভূতি প্ৰীতি আৰু শান্তি স্থাপন কৰি পৃথিবীত যুগান্তৰ ঘটাই মানৱ জাতিৰ পৰম কল্যান সাধন কৰিব । এই ভাবটোকেহে প্ৰকাশ কৰিবলৈ কিছুদিনৰ পূৰ্ব্বে "বাঁহী" কাকতখনত "বাঁহী" শিৰ্ষক কবিতাত মই লিখিছিলোঁ—

হিমাদ্ৰিৰ শিখৰত মানস হ্ৰদত
তাহানি বজোৱা সেই সুৰ সুললিত
আৰু যে সিদিনা সৌ পশ্চিম দেশত
বজালা মধুৰ সুৰ সাগৰ পাৰত,
দুইকো মিহলি কৰি
বিতোপন সুৰ ধৰি
মানস পাৰত বহি বজোৱা বাঁহীত ।

যিবিলাকে আমাৰ সকলো ভাল আৰু পাশ্চাত্যসকলৰ সকলো বেয়া বুলি ভাবে, তেওঁলোকসকলৈ উদ্দেশ্য কৰি মই এইবিলাক কথা কোৱা নাই । প্ৰাচীন কালৰেপৰা চলি অহা ৰীতি নীতি, আচাৰ ব্যৱহাৰ, নিয়ম কাৰণবিলাক অভিজ্ঞতাৰ ওপৰত স্থাপিত, আৰু সেই বাবে সেইবিলাক ঘপৰাই এৰি পেলোৱাটো ভুল, এই কথা অৱশ্যে সচা । সেই বুলি কিন্তু বৰ্ত্তমান দেশ পাত্ৰ আৰু কালৰ লগত নিমিলা কোনোবাটো মানুহে পোৱা নিয়মৰ অলপ অচৰপ ইফাল সিফাল কৰাটো মহা অন্যায় বুলি যিবিলাকে বিশ্বাস কৰে, তেওঁলোকসকলৰ লগতো মোৰ মত নিমিলে । আমি ইচ্ছা কৰোঁ বা নকৰোঁ, আমি গম ধৰিব নোৱাৰাকৈয়ে বহুত পাশ্চাত্য ভাব, ৰীতি নীতি, নিয়ম কানুন আমাৰ গাত সোমাই পৰিছে আৰু পৰিব । ই এটা প্ৰাকৃতিক নিয়ম, আৰু সেই বাবে এনে নহৈ নোৱাৰে । প্ৰাচ্য আৰু পাশ্চাত্য সভ্যতা, দুইও একে ঠাইতে গোট খাই-ছেহি যেতিয়া, দুইটো ভিতৰত কিছু আদান প্ৰদান, সাল সলনি, আমি নকৰোঁ বুলিলেও, আপোনা আপুনি হ'বই হ'ব । আমি ইউৰোপীয় পোছাক পিন্ধা, বেমাৰত ডাক্টৰী দৰব খোৱা, বন্ধু সম্মিলনত চাহ খোৱা মেল পতা, নতুন বছৰত কাৰ্ড বিনিময় কৰা, ভাবনা এৰি থিয়েটাৰত ধৰা খাৱণী এৰি চাবোন ঘঁহা, ইজনে সিজনে Shake hand কৰা, কপাই পতি, Thank you, I am sorry বোলা, দাতোনৰ সলনি বুৰুজ ব্যৱহাৰ কৰা, সভা সমিতি পাতি শোক প্ৰকাশ কৰা, পুষ্পিতা কন্যাৰ বিয়া আৰু বিধবা বিবাহ প্ৰচলন কৰিবলৈ আন্দোলন কৰা সকলোৱে দেখিব লাগিছে । এইবিলাক দস্তুৰ, আমি গম নোপোৱাকৈয়ে কেতিয়াবা আমাৰ গাত সোমাই পৰিল ; আৰু আমি এতিয়া তাক এৰিব নোৱাৰা হলো । এই দৰেই লাহে লাহে আৰু বহুত দস্তুৰ আমাৰ গাত সোমাই আমাৰ স্বভাৱৰ অন্তৰ্গত হৈ পৰিব ; তাক কোনেও নিবাৰণ কৰিব নোৱাৰে । কিন্তু এই দস্তুৰবিলাকে আমি গম নোপোৱাকৈ, আপোনা আপুনি আহি আমাৰ গাত সোমাবলৈ আমাৰ গাটো পাতি দিয়া ভাল নহয় । তেতিয়া হ'লে সিহঁতে ভালে বেয়াই জাকে জাকে আহি আমাৰ গাত সোমাই, বাহ লৈ আমাৰ গা ঘূণীয়া কৰি পেলাব । সিহঁতক ভালকৈ চাই চিতি, বেয়াবিলাক এৰি দি, ভালবিলাক বাছি উলিয়াই লৈ, আমাৰ গাত সুমাই ল'লেহে আমাৰ উপকাৰ হ'ব । গোটাদিয়েক উদাহৰণ দিলে, এই কথাটো বুজাবলৈ সুবিধা হ'ব—ইউৰোপীয় পোছাকটো পিন্ধিলে অনেক কামলৈ চল হয়, আৰু সি আমাৰ গোটেই গাটো আবৰি থাকে ; সেই বাবে তাক পিন্ধাটো ভাল । সেই বুলি কিন্তু বিয়াই সবাহে শৰাধে বিদিয়ে, শোতে বহোতে তাক পিন্ধিবৰ কোনো প্ৰয়োজন নাই ; আৰু এই গ্ৰীষ্মপ্ৰধান দেশত, জহে জাৰে, ৰাতিয়ে দিনে তাক পিন্ধি ফুৰিলে, আমাৰ উপকাৰতকৈ অপকাৰহে সৰহ হ'ব । আমাৰ গোবৰ মাটিৰে লিপা মজিয়াত কাঁহী বাটি থৈ ভাত খোৱাতকৈ মেজৰ ওপৰত তুলি লৈ খোৱাটো ভাল ; আৰু হাতেৰে ভাত খাই গোটেই হাতটো গেটি পেটি কৰি দেখিলে ঘিণলগা কৰাতকৈ কাটা চামো-চেৰে খোৱাটো চাফ চিকোন দস্তুৰ ; কিন্তু ইউৰোপীয় সকলৰ দৰে বাকনী খোটালিটো দেখিলে ৰাতি অহা কৰি



খোৱাটো কোনো মতেই ভাল নহয় ; আৰু আমাৰ ভাত, ...ক, মাহ, মাছ এৰি দি অকল Beef Roast আৰু Boiled Meat খাবলৈ ধৰিলে আমাক নুসুজে । ইউ-ৰোপীয়সকলৰ দৰে সদাই পৰিস্কাৰ হৈ থকাটো বৰ প্ৰয়োজনীয়, সেই বুলি কিন্তু তেওঁলোকসকলৰ দৰে, শৌচ কৰিবলৈ গৈ, পানীৰ সলনি Toilet Paper ব্যৱহাৰ কৰাটো আমাৰ প্ৰকৃতি-বিৰুদ্ধ । আমাৰ মাইকী মানুহৰ ...কপ্‌কপীয়া পৰ্দ্দা প্ৰথাটো উঠি যোৱাটো ভাল, আৰু সেই বাবে, আজি একাঙুল কাইলৈ একাঙুল কৰি, ইয়াক লাহে লাহে গুচাই নি একেবাৰেই আঁতৰাই পেলোৱাটো ...নীয় ; কিন্তু মতাই তিৰোতাই গোট খাই বল নাচ ...চাটো আমাৰ মনত পূৰণি কালৰ বৰ্ব্বৰতাৰ নেগুৰ যেনহে ...গে । ছোৱালীবিলাকক ডাঙৰ দীঘল কৰি পঢ়াই শুনাই ...গত কৰি, ভালকৈ জনা বুজা হ'লে বিয়া দিয়া প্ৰথাটো ...জৰ মঙ্গলকৰ, কিন্তু বিয়াৰ আগেয়ে Courtship ...ৰা নিয়মটো আমাৰ মাজত সুমাই ল'লে অতি শৰদৰ ...হচ হ'ব । তেওঁলোকৰ দেশবাৎসল্য প্ৰশংসনীয়, কিন্তু ...াই গোটা পেটে ভ'ৰাল স্বভাৱ সৰ্ব্বতোভাবে বৰ্জ্জনীয় । ...তে পাশ্চাত্যসকলৰ যিবিলাক দা-দস্তুৰ নিয়ম-কাৰণ ...তি নীতি আমাৰ সমাজত খাপ খাই পৰে, আমাৰ নিয়ম কাৰণে সৈতে, গাখীৰে পানীয়ে মিহলি কৰিলে যেনেকৈ ...লি চিন ধৰিব নোৱাৰাকৈ মিহলি হয়, সেই দৰে মিহলি হৈ একে হৈ পৰে, সেইবিলাক নিয়ম-কাৰণ ৰীতি-নীতিকে আমি আমাৰ সমাজত সুমাই ল'ব লাগে ; সেই-বিলাকৰপৰা আমাৰ নথৈ উপকাৰ হ'ব । যিবিলাক দা-দস্তুৰ, নিয়ম কাৰণ ৰীতি নীতি আমাৰ সমাজত খাপ খাই নপৰে আৰু আমাৰ নিয়ম কাৰণে সৈতে পানীয়ে তেলে মিহলি হোৱা দৰে বেলেগ বেলেগ হৈ থাকে, সেই-বিলাকৰপৰা আমাৰ কোনো উপকাৰ নহৈ অশেষ অপকাৰ হ'ব, সেইবিলাকে আমাক তেনেই বিজতৰীয়া কৰিব, আৰু আমাৰ পেটত জীণ নগৈ আমাক বেমাৰী কৰিব ।

সেই নিমিত্তে, সেইবিলাকক আমি সৰ্ব্ব প্ৰকাৰে যত্ন কৰি, আমাৰ সমাজত সোমাবলৈ নিদি, দূৰতে আঁতৰাই থ'ব লাগে । মই কৈ অহা এই গোটেইখিনি কথাৰ সাৰ মৰ্ম্ম এয়ে, যে প্ৰাচ্য আৰু পাশ্চাত্য এই দুইবিধ সভ্যতাৰ সকলোখিনি দোষ এৰি দি, গুণখিনি মিহলাই ল'লে, পশ্চিমৰ বিজ্ঞান আৰু পূবৰ দৰ্শন, প্ৰাচ্যৰ কবিতা আৰু পাশ্চাত্যৰ বাঁৰত্ব, প্ৰাচ্যৰ অনাসক্তি আৰু পাশ্চাত্যৰ সংসাৰ বুদ্ধি একেলগে মিহলি কৰি সানি পেলালে, এবিধ নতুন সভ্যতা উদ্ভৱ হ'ব, যাৰ গুণে সমস্ত পৃথিবীৰ আন্ধাৰ দূৰ কৰি, পৃথিবীক স্বৰ্গীয় পোহৰেৰে আলোকিত কৰিব, পৃথিবীত অনন্ত সুখ শান্তিৰ অবিশ্ৰাম সোঁত বলাব, আৰু যি সভ্যতা আৰ্য্য, অনাৰ্য্য, হিন্দু, মুসলমান, খ্ৰীষ্টান, বৌদ্ধ, প্ৰাচ্য পাশ্চাত্য সকলোৰে সমানে আদৰণীয় আৰু উপভোগ্য হ'ব । এই সভ্যতায়েই মনুষ্য জীৱনৰ অত্যুচ্চ উদ্দেশ্য সাধন কৰিব ; ইয়াকে লক্ষ কৰি আধুনিক পৃথিবীৰ কবি-সম্ৰাটে গভীৰ শঙ্খ ধ্বনি কৰিছে—

"পশ্চিমে আজ খুলিয়াছে দ্বার
সেথা হতে সবে আনি উপহার,
দিবে আর নিবে, মিলাবে মিলিবে
যাবে না ফিরে,
এই ভারতের মহা মানবের
সাগরতীরে ।

* * * * *

এসহে আর্য্য এস অনার্য্য
হিন্দু মুসলমান ।
এস এস আজ তুমি ইংরাজ
এস এস খ্রীষ্টান ।
এস ব্রাহ্মণ, শুচি করি মন
ধর হাত সবাকার
এসহে পতিত হোক অপনীত
সব অপমান ভার ।"

ASAM SAHITYA SABHA

# নিবেদন। *

মাননীয় সভাপতি আৰু সভাসকল. আজিৰ এই সুধী সন্মিলনিত উপস্থিত শ্ৰদ্ধাস্পদসকলৰ ভিতৰত মই সকলোতকৈ সকলো বিষয়ে সৰু হোৱাত এটি বিষয়ে মোৰ বৰ সুবিধা হৈছে, যে যি দুআষাৰ ক'বলৈ মৰ সাহ দি থিয় দিছোঁ, সি যিমানেই ভুল ভ্ৰান্তি অসম্পূৰ্ণতা বা বাহুল্যতা দোষেৰে দুষিত হব লাগে, মোৰ অজ্ঞতাৰ দোহাই দি সহজে তাৰ মাৰ্জ্জনা পাম বুলি মোৰ দৃঢ় বিশ্বাস। এই বিশ্বাসৰ বলতেই জনা নজনাকৈ দুআষৰ কবলৈ বুলি থিয় দিলোঁ।

বাণীৰ সেৱকবৃন্দ, জগত জুৰি এই যে চিৰচঞ্চল বিশ্ব জীৱনে নানা ভাবে নানা ৰূপে নানা পথে চলিছিল, চলিছে আৰু চলি থাকিব. ইয়াৰ মূল ভাগ কিন্তু চিৰ অচঞ্চল চিৰস্থায়ী চিৰসত্য আৰু প্ৰকৃত। ইয়াত ভাষাৰ ভাঁজ নাই, কল্পনাৰ কলপ নাই, ভাবৰ প্ৰভাৱ নাই, অলঙ্কাৰৰ ঝঙ্কাৰ নাই, বাগ্দেৱতাৰ কৰ্ত্তৃত্ব ইয়াত নাখাটে, শব্দ ইয়াৰ ওচৰত স্তব্ধ. ই সত্য ই ধ্ৰুৱ; ই প্ৰকৃত। সৃষ্ট্যাত পৰিসমাপ্তি প্ৰাপ্ত হোৱা কাললৈকে পলৰ পাচত পল, পৰৰ পাচত পৰ, দিনান্তে দিন, এই দৰে বিশ্ব জীৱনৰ প্ৰশ্বাদাহাৰ সংহাৰ বিহাৰ পৰিহাৰ অৰ্থাৎ, খোৱা লোৱা অফিচলৈ যোৱা, ঘৰ সংসাৰ চলোৱা ইত্যাদি জীৱন সংগ্ৰাম চলি আহিছিল, আৰু চলি থাকিব। স্বয়ং প্ৰকৃতি আইয়ে আমাৰ জীৱনক এই দৰে সুপ্ৰতিষ্ঠিত কৰি দিছে। যিসকলে এনে জীৱনকে বঢ়িয়াকৈ আকোঁৱালি ধৰি সংসাৰ ক্ষেত্ৰত বিচৰণ কৰিছে, তেখেতসকলেই প্ৰকৃতিৰ নিয়মানুসাৰে জীৱন সংগ্ৰামত জয়ী হৈ পৃথিৱীৰ পোন্ধৰ অনা ছপাই অংশৰ সুখ সুবিধা ভোগ দখল কৰি "বেপৰ্ৱা" জীৱন কটাইছে। বাকী ছপাই যিসকলৰ অংশত পৰিছে তেখেতসকল. হৈছে কবি, ভাবুক দাৰ্শনিক, বৈজ্ঞানিক, সংস্কাৰক আদি—এই সকলেই হৈছে একেবাৰে অকামিলা অপদাৰ্থ "লক্ষ্মীছাৰা" অকৰ্ম্মণ্য শ্ৰেণীৰ লোক। সাহিত্য সেৱীয়ে মাগিও ভাত নাপায়, কবিৰ মৃত্যু হয় দাতব্য চিকিৎসালয়ত, দাৰ্শনিক বৈজ্ঞানিকে বান্ধৱ সংসাৰ এৰি নিজৰ চিন্তা ৰাজ্যত নিৰ্জ্জনে বাস কৰিও ইতিকিং… সাৰিব নোৱাৰে আৰু সংস্কাৰকে যে সকলোৰে … তাচ্ছিল্য মূৰত লৈ কাৰাগাৰত জীৱন কটায়। … সংগ্ৰামত জয়ীসকলৰ সংখ্যা ছাড়ে পোন্ধৰ অনা; তেওঁ… জীৱনেই ঠিক প্ৰকৃতিৰ নিয়মগত জীৱন; এনে জী… কল্পনাৰ ভাবৰ, পাণ্ডিত্যৰ, উচ্ছাসৰ ঠাই একেবাৰেই … এই জীৱনেই হৈছে চিৰঅচঞ্চল চিৰস্থায়ী, চিৰসত্য … প্ৰকৃত। লক্ষ্মী সৰস্বতীৰ উথনা উথনিৰ মূল্য কি … বুলি ভাবিছে!

এই কৰ্ম্মময় জীৱনটো আমি কলৰ দৰে যো… চলাই লৈ যাওঁ। আৰু এই কল চলাই লৈ যাঁ… বাটত লগ পোৱা বহু বস্তুকে আমি অলাগতিয়াল … ভাবি বাটতে এৰি থৈ যাওঁ. কাৰণ সঁচাকৈয়ে সেই… কোনো মূল্য নাই. তাৰ দ্বাৰা পাই এটিও ঘৰত নো… মায়হি. জীৱিকা আৰ্জ্জনৰ কুটা এগছো তাৰ পৰা… নাযায়। এই ঋতুৰাজ শ্ৰীবসন্তৰ সমাগমত মধুৰ কা… ৰঙত আকাশে বতাহে, পোহৰে এন্ধাৰে মিলি যে… মুগ্ধ কৰা মোহন মধুৰ মাধুৰ্য্যৰ জোৱাৰ উঠে … এই কৰ্ম্মময় জীৱনে একেলিয়াকৈ ঠেলি থৈ কৰ্ম্মৰ যে… সাঁতুৰি উজাই যায়। ভৰ বাৰিষাৰ বাৰি ধাৰা… লগে লগে প্ৰিয়-বিৰহ-বিয়োগ-জনক যেনে … আমাৰ অন্তৰৰ অন্তস্থলত স্বভাৱতে জাগি উঠে, … কবি কালীদাসে (তেওঁৰ চৰণ উদ্দেশে কোটি … তছলীম্) তাক যিমান সুন্দৰকৈয়ে বৰ্ণাই যাওক, যে… যিমানেই সপ্ৰমাণ কৰক যে মেঘদূতৰ কৰুণ-ৰেস… অমৰ বাক্যাৱলী কেৱল যক্ষৰ নহয় কেৱল কা… নহয়, ই গোটেই বিশ্বৰ হৃদয়ৰপৰা ওলোৱা কৰি… আহা-হা ধ্বনি. তথাপি আপোনাৰ মোৰ … এজন এনে অৱস্থাত পৰা শুনিলে, সমাজৰ, জাতিৰ … ঘৰে ঘৰে দস্তু শ্ৰেণীৰ প্ৰদৰ্শনী বহি যাব। লাইলী… ৰোমিও জুলিয়েটৰ কৰুণ জীৱন নাটৰ হৃদয় বি…

* যোৰহাটৰ সাহিত্য সন্মিলনত পঠিত।



শেষ দৃশ্যটি যদি আমাৰ কাৰবাৰ ঘৰত অভিনয় হোৱাৰ বাতৰিটো উৰি গৈ বৰ্ত্তমান পুলিচ বিভাগৰ কৰ্ণ কুহৰত ঢুকৰকৈ পৰেগৈ তেতিয়া হাড়ে হাড়ে গম পাব, যে এনেবোৰ কাব্যৰস মানুহৰ পেটত হজম নহয়, হ'লে হ'ব পাৰে কবিৰ পেটত। কবি যে মানুহ শ্ৰেণীৰ বাহিৰৰ! তপোবনৰপৰা বিদায় লোৱা কালৰ শকুন্তলাৰ মৰ্ম্মভেদী হা হুতাশ আৰু বুঢ়া ঋষি কন্বৰ ফাগুণৰ ধুমুহাৰ দৰে উঠা হুমুনিয়াহত তেওঁৰ জীৰ্ণ কামিহাড় কেঁড়ালি যে খড়ং মড়ং কৈ বাজি উঠিছিল. তাৰ পৰিচয় আমি এতিয়ে নিজে নিজে ঘৰে ঘৰে পাইছোঁহক, কিন্তু সি তো কবিৰ অমৰ লিখনীৰ দৰে চিৰস্থায়ী নহয়, কৰ্ম্মৰ চেপাত পৰি তুলিনতে চিন নোহোৱা হৈ যায়। এই দৰেই কত যে আমাৰ অস্ফুট ভাব কত যে অসম্ভৱ কল্পনা, কত যে অসমাপ্ত চিন্তা লহৰী আমাৰ হিয়াত আপুনি ফুটি উঠি আকৌ আপুনিয়েই মাৰ যায়, তাৰ সীমা সংখ্যা নাই। এইবোৰ আমাৰ কান্ধত আৱৰ্জ্জনাৰ বোজা যেন হৈ লাগে. এইবোৰক লৈ সংসাৰ ক্ষেত্ৰত খোজ কঢ়াই টান।

এই বোৰকে ভাবি চিন্তি মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰিহে আমি কিছুমানৰ দ্বিত্বভাৱ কৰি লৈছোঁহক। যেনে কামিলা আৰু অকামিলা, সদ্ব্যয় আৰু অপব্যয়, প্ৰয়োজনীয় আৰু অতিৰিক্ত ইত্যাদি ইত্যাদি। আহাৰ নকৰিলে নচলে, কিন্তু কাব্যামৃতৰ সোৱাদ ন'ললেও "বেপৰ্ৱা" চলি যায়; অফিচলৈ নগলে নচলে, কিন্তু চিন্তাৰাজ্যত পদাৰ্পন নকৰিলেও একো হানি নাই। ল'ৰা, তিৰোতা প্ৰতিপালন ন'কৰিলে চলে জানো? কিন্তু সাহিত্য সেৱা নকৰাত ক্ষতি বৃদ্ধি কি? নহয় জানো? পাচে এতিয়া কথা হৈছে যি সকলে ওপৰত কোৱা প্ৰথম শ্ৰেণীৰ বিষয়বোৰলৈ পিঠি দি দ্বিতীয় দ্বিধক সাৰটি ধৰি জঞ্জাল বঢ়ায়, সেই সকলক অপ্ৰকৃতিস্থ বা পাগল বুলিলে বঢ়াই কোৱা নহয়। কাৰণ প্ৰকৃতিৰ নিয়ম মতে নচলি সিসকলে তাৰ বিপৰীতাচৰণহে কৰে; তেওঁলোক মানুহৰ শ্ৰেণীৰ বাহিৰ; কবি ভাবুক পণ্ডিত ইত্যাদি হ'ব পাৰে, কিন্তু মানুহ নহয়। এই কথা মহা কবি চেক্সপীয়াৰে নিজে আজি বহু বছৰৰ পূৰ্ব্বে কৈ গৈছে; আমিও তাৰ প্ৰমান পাইছোঁহক।

ৰাৰু সেইবোৰ যেয়ে যি ভাবক বা কওক লাগে, এই বিশ্বৰ মাজত যি একেৰা সত্য আছে, তাৰ সীমাটো বুজিবলৈ চেষ্টা কৰা আমাৰ উচিত একো দেই। কৰ্ম্মময় জীৱনৰ কলটো চলাই যাওঁতে বাটত অলাগতিয়াল বুলি যিবোৰ বস্তু বেহানি পেলাই দি যোৱা হয়, সেইবোৰেই গোট খাই খাই যে আৰু এটা জীৱনৰ পুঞ্জ গঠিত হৈ উঠিছে, বিজ্ঞান মতে তাৰ কোনো মূল্য নাথাকিলেও, সাহিত্য কিন্তু তাকে লৈ ব্যস্ত, আৰু এই সাহিত্যই হৈছে আমাৰ আত্মাৰ আহাৰ। সংসাৰৰ খোৱা লোৱা ঘৰবাৰী চলোৱা আদি সৰু সৰু জীৱন-প্ৰবাহসমূহেই সাহিত্য ক্ষেত্ৰক সাৰুৱা কৰি তুলিছে, ই একেবাৰেই সচা। সাংসাৰিক কাৰ্য্যৰ পৰাইহে সাহিত্যৰ উদ্ভৱ, এইবোৰলৈ আওকাণ কৰিলে সাহিত্যৰ কালে চেৰ্ চেৰীয়া কোৱাৰ আৰু সেয়ে হ'লে আত্মা আমাৰ আহাৰ অবিহনে শুকাই খীণাই Aenemic হৈ যাব। হয়নে নহয় ইতিহাসিক সোধক।

কবিয়ে আকাশ কুসুমৰ কল্পনা জল্পনা কৰোঁতেই গৈছে, কিন্তু আকাশত ৰঙীন মেঘমালাৰ লীলা খেলাৰ মাজত চন্দ্ৰৰ স্নিগ্ধ মধুৰ জোৎস্নাৰাশিৰ বুকুত, পুৱাৰ আকাশৰ সোণালী পটত নাইবা সন্ধিয়াৰ অন্ধকাৰ ৰাশিৰ মাজেদি কোনোবাই কেতিয়াবা আকাশত ফুল ফুলা দেখা পাইছেনে? এই ধূলি মাকটী বোকা-পানীতেইহে ফুল ফুলে। বসন্তৰ সৌন্দৰ্য্য সৌৰভ গান সকলোবোৰ এই মৃন্ময় আইৰ বুকুতেহে। Aroplane অত উঠি পৃথিৱীৰ অলপ ওপৰলৈ গ'লেই বসন্তৰ আৰু চিনচাব পোৱা নাযায়; অলি বিহঙ্গৰ গীতো নাই, গছ-লতাৰ শ্যামলতাও নাই, ফল ফুলৰ সৌৰভ সৌন্দৰ্য্য একো নাই। মলয় আইদেউৰ বিহাৰ আঁচলৰ আগটিও দেখা পোৱা নাযায়; সকলোবোৰ জৰা ব্যাধি মৃত্যু শোক দুখ ভাবনা চিন্তা অভাৱ অনাটন দৈন্য ভয় এই ধৰণীৰ ধূলিতেইহে; আন ক'তো নাই, আন ক'তো নাই। কবিয়ে কল্পনা জগতৰ মানস প্ৰতিমাক উদ্দেশি গাইছে:—

"তুমি সন্ধ্যার মেঘ শান্ত সুন্দর
আমার সাধের সাধনা
মম শূন্য গগন বিহারী।

আমি আপন মনের মাধুরী মিশায়ে
তোমারে করেছি রচনা
তুমি আমারি যে তুমি আমারি
মম অসীম গগন বিহারী ।
মম হৃদয় রক্ত রঞ্জনে তব
চরণ দিয়েছি রাঙ্গিয়া
অয়ি সন্ধ্যা স্বপন বিহারী ।
তব অধর একেছি সুধা বিষে মিশে
মম সুখ দুখ ভাঙ্গিয়া
তুমি আমারি যে তুমি আমারি
মম বিজন জীবন বিহারী ।"

বাঃ কি ভাব ! কবিয়ে ভাবিলে :—আঃ হা হা মোৰ এই স্বপনবিহাৰী মানসী প্ৰতিমাক কোন প্ৰাণেৰে মই এনে তুচ্ছ ধূলি-মলিন জগতৰ এনে হাই উকমিৰ মাজত মন্দিৰ সাজি থাপনা কৰিম ? ইয়াত বিজুলিৰ, গেছৰহে নালাগে তুচ্ছ তেলৰ চাকি এটাও নাই ; সৌ তাত যে চন্দ্ৰ সূৰ্য্য গ্ৰহ নক্ষত্ৰই "ঝাড় লণ্ঠনৰ" দৰে অবিশ্ৰান্ত পোহৰ দি আছে, তাত যে মৰ্ত্ত্যৰ হাই উকমি নাই. কেৱল চিৰ-নীৰৱতা চিৰ শান্তি বিৰাজ কৰিছে ; সময় নাই অসময় নাই সদায় সকলো সময়তে মলয় পৱন উদাসীৰ দৰে অবাধে বলিবই লাগিছে। এনে এটি সুউচ্চ পৰ্ব্বতৰ টিঙত কবিয়ে তেওঁৰ মানস প্ৰতিমাৰ কাৰণে সোণৰ মন্দিৰ গঢ়ি দি ভাবিলে, দেৱী মোৰ ইয়াতে তুষ্ট হ'ব ইয়াতে সন্তোষ মনে চিৰ বিৰাজ কৰিব। কিন্তু হায়. ভুল কৰিলা কবি. তোমাৰ এই মানসী দেৱী যে মানবীৰে ৰূপান্তৰ মাথোঁ। দেৱীয়ে যে তোমাৰ মানুহৰ সুখ দুখ হাই উকমিৰপৰা আতৰত থাকিবলৈ পাই, মানবৰ সতি সন্তান লৰাছোৱালীহঁতৰ লগত ধূলি মাকটিৰে উমলিবলৈ নাপাই. মানব মানবীৰে উঠা বহা কৰিবলৈ নাপাই, ঘৰ সংসাৰ এৰি উদাসিনী ৰাজ-কন্যাৰ দৰে যৌৱনতে. যোগিনী হ'ব লগিয়া হোৱাত. অকলে অকলৈ ফেঁকুৰি ফেঁকুৰি কান্দিছে। কবি তেনে ঠাইত তো তেওঁৰ মন্দিৰ সজাটো শোভা নাপায়। সেই ঠাই তো তেওঁৰ নহয়, এই সংসাৰত হে তেওঁৰ ঘৰ-বাৰী বসতি ।

সুধীবৃন্দ. মোৰ এই ক্ষীন অস্ফুট বক্তব্যৰ তাৎপৰ্য্য এই যে সাহিত্যক বাস্তৱ জীৱনৰপৰা আতৰালে নচলিব। দুয়োটিকে গোটপিট্ খুৱাই সানিপিটিকি যি পাৰে 'তৈয়াৰ' কৰি তোলক, নহ'লে শিৰ গঢ়োঁতে শৰ হে উঠিব চাৰ। অপৰিসীম আদাৰ ছেলাম সহ বিদায়।

শ্ৰীপজিৰুদ্দিন আহ্মদ্ ।

---

# পদ্য বুৰঞ্জী এখনৰ ত্ৰুটিমান কথা ।

যোৱা বছৰ নৰ্ম্মাল স্কুলৰ শিক্ষক শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা দেৱে সংগৃহীত কৰা বুৰঞ্জী এখন অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সভাই, শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা (M. A. B. L.), শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক ( B. L. ) আৰু এই লিখকক চাবলৈ দিছিল। অৱশেষে বুৰঞ্জীখন চাই সভাক এটি মন্তব্য দিয়া হ'ল। এতিয়া ব্যক্তিগত ভাৱে ত্ৰুটিমান কথা ৰাইজৰ আগত দাঙি ধৰিবলৈ লৈছো।

বুৰঞ্জীখন পদ্যত লিখা। পদ্যৰ ছন্দ ওপৰ শ্ৰেণীৰ ন'হলেও. লিখকৰ যে পদ্য লিখাত হাত আছিল, সেইটো বহুত ঠাইত প্ৰমানিত হৈছে। বুৰঞ্জীৰ লিখক জন যোৰহাটৰ এজন বৃত্তিয়াল মানুহ ; তেওঁৰ নাম ৺দুতিৰাম স্বৰ্ণকাৰ হাজৰিকীয়া ডেকা সাজতোলা। লিখকে বুৰঞ্জীখন কামেশ্বৰসিংহ যুৱৰাজৰ মুখে শুনি লিখিছো বুলি কৈছে ; আৰু বুৰঞ্জীখনত মনিৰাম দেৱানক ফাঁচি দি. বৃটিছে আমাৰ দেশৰ শাসনৰ ভাৰ



লোৱালৈকে বৰ্ণাইছে। গতিকে, বুৰঞ্জীখন সম্ভৱতঃ ১৮৫৭ খৃঃঅত বা তাৰ অলপ পাচত লিখা হৈছে।

আমাৰ হাতত পৰা বুৰঞ্জীখনেই লিখকৰ আচল খন বুৰঞ্জী বুলি ক'ব নোৱাৰি। সম্ভৱতঃ এই-খন আচল বুৰঞ্জীৰ নকল। কাৰণ বুৰঞ্জীখনত কেইবা-জন মানুহৰ হাতৰ লিখা আছে ; আৰু কোনো কোনো ঠাইত মাজত লিখি যাওঁতে শাৰী পেলাই. পাচত কূট এটা দি ওপৰত সেই শাৰী সুমুৱাই দিছে। কোনো কোনো ঠাইত আগৰ শব্দ সোহাৰি নতুন শব্দ লিখা পোৱা গৈছে।

বুৰঞ্জীখনত স্বৰ্গদেৱ গদাধৰসিংহৰ দিনৰপৰা বৃটিছে অসম দেশত শাসন চলোৱালৈকে বিবৰণ দিয়া হৈছে।

সাধাৰণতে, আমি বৃটিছ আমাৰ দেশলৈ অহাৰ আগেয়ে লিখা পুথিবিলাক পুৰণি পুথিৰ শাৰীত ধৰোঁ। সেই হিচাবে, এই খন পুৰণি সাচত লিখা হলেও. পুৰণি পুথিৰ শাৰীত নপৰে। কিন্তু, বন্ধুবৰ শ্ৰীযুত বেণুধৰ শৰ্ম্মা দেৱে কয়, আমাৰ মানুহে বৃটিছে শাসন কৰাৰ বহুত দিনলৈকে পুৰণি ধৰণত ধাৰাবাহিক ৰূপে বুৰঞ্জী লিখা পোৱা গৈছে। এই কথা এবাৰ মাননীয় শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা ডাঙৰীয়াইও মোক কোৱা যেন মনত পৰে। এই হিচাবে, বুৰঞ্জীৰ ধাৰাবাহিকতা ৰাখিবলৈ হলে এইখন আমি পুৰণি পুথিৰ শাৰীত ধৰিব পাৰোঁ। আৰু মণিৰাম দেৱানৰ সময়ৰ ঘটনাৱলিয়ে ইয়াত ঠাই পোৱাত বুৰঞ্জী সাহিত্য হিচাপে ইয়াৰ বিশেষ সাৰ্থকতা আছে বুলি বোধ হয়।

এই বুৰঞ্জীখনত কিছুমান কথা অতি চমুকৈ আছে ; ইয়াৰ বাহিৰেও কিছুমান কথা আন আন বুৰঞ্জীত নথকা আছে। ইয়াত বিশেষকৈ, মোৱামৰীয়াৰ দিনৰ কথা আৰু মানৰ দিনৰ অত্যাচাৰ আৰু মণিৰাম দেৱানৰ ফাঁচিৰ কথা বাহুল্য ভাৱে আছে।

আমি এতিয়া আন আন বুৰঞ্জীত নথকা বা আন বুৰঞ্জীৰ লগত নিমিলা দুই চাৰিটা কথা ৰাইজক ক'ম :—

( ১ ) ল'ৰা ৰজাৰ অত্যাচাৰত গদাপাণি পলাই ফুৰোঁতে যি জনী পোহাৰীৰ ঘৰত লুকাই আছিল. তাইৰ নাম ইয়াত ৰমণী পোহাৰী আছে। মানুহৰ মুখত কিন্তু ৰব পোহাৰী বুলিহে জনা যায়।

যেনে :— ৰমণী পোশাৰী বোলে তাইক পান দেই।
মূল কৰি (কড়ী ) দিয়া ভালমতে তাই লই"।

( ২ ) পলাই ফুৰোঁতে গদাপাণিয়ে নিজক গোথোৰ নামেৰে পৰিচয় দিছিল :—

যেনে :— "মোৰ নাম গোথোৰ গদাৰ নামে যায়।
যাক গদা বুলি আৰে ফুৰিছে পলাই" ॥

( ৩ ) গদাপাণি লৰা ৰজাৰ ভয়ত পলাই যাওঁতে জয়মতীৰ এটি ছোৱালী আছিল। চাউদাঙে জয়মতীক ধৰি আনোঁতে সেই ছোৱালীটিকো ধৰি আনি জয় জয়তে মাকৰ আগত তিনি দিন শাস্তি দি গদাপাণিৰ কথা সোধে। ছোৱালীটিয়ে দেউতাকৰ কথা নকলে, চাউদাঙৰ নৃশংস শাস্তিতে মৃত্যু হ'ল। ইয়াৰ পাচত হে জয়মতীক শাস্তি দিয়ে। এই কথা আন বুৰঞ্জীত আজিলৈকে পোৱা মনত নপৰে।

যেনে:—"এক খানি জীয়া আছে বহু আদৰৰ।
পিতৃৰো আছিলা স্নেহ কন্যাতেসে বৰ" ॥
সেহি দুইকো পাইলা যাই আছিলেক ঘৰে।
দূতে ধৰি আনিলেক নৃপতি ওচৰে" ॥

* * * *

"ৰাজকুমাৰীকো শাস্তি মাতৃৰ লগত।
দেখাইয়া দিয়ো তোমাসাৰ পিতৃ কৈত ॥
বোলে কুমাৰীয়ে পিতা কৈক লাগি যাই।
নেপালোহো দেখা মই আছিলোহো শুই" ॥

* * * *

"শুতনই হাক পুনৰপি শাস্তি কৰে।
বৈয়া যাই ৰুধিৰ মাংসও যাই গাৰে ॥
সুকোমল কোমল লাৱন্য অঙ্গ তাৰ।
কেনমতে কোৰ সহিবেক চাবুকৰ ॥
নভৈলেক দয়া কিছু দণ্ড কৰে ধৰি।
সহিবে কিমতে তিনি দিনে গৈল্যা মৰি" ॥

* * * *

"তথাপি নভৈল শান্ত নৃপতিৰ মন।
ৰাণীকো কৰিবে শাস্তি দিলে দিলা দিন" ॥

(৪) পলাই ফুৰোতে গদাপাণিৰ শৰীৰৰ পৰিচয় এইদৰে দিছে :—

"যদি বা পাৱই লাগ তাঙ্ক নিচিনই।
ধৰে গোৱা গাৰ বাজ চিহ্ন নেদেখয়॥
ভাৰক বহন্তে কান্ধ আছে চুট উঠি।
তাতে লৈয়া ফুৰে দলো কানমাৰি গুটি"॥

(৫) জয়মতীয়ে যি দিনা জেৰেঙাত চাওদাঙৰ হাতত প্ৰাণ এৰে, সেই দুঃসহ ঘটনা গদাপাণিয়ে নিজ চকুৰে দেখিছিল; তথাপি নিজ কৰ্ত্তব্যত ব্যাঘাত হয় বুলি অচল ভাবে গদাপাণি গধূলি পোহাৰীৰ ঘৰলৈ উলটিল। সেইদিনা তেওঁ ভাত-পানী নেখাই মন মাৰি আছিল; আৰু সেই দিনাই গুৱাহাটীৰ বৰফুকনৰ ঘৈণীয়েক বাইদেৰেকৰ ওচৰলৈ যাবৰ স্থিৰ কৰি পাচ দিনা পুৱা গুৱাহাটীমুৱা হ'ল।

গদাপণিৰ মন বেয়া দেখি পোহাৰীয়ে কাৰণ সোধাত জয়মতীৰ কথা কৈ মনৰ দুখ লাঘৱ কৰিবৰ উদ্দেশ্যে, পোহাৰীৰ আগত জয়মতীৰ কথা এইদৰে কৈছিল :—

যেনে:—"গদাধৰ ঘৰিনী মোহোৰ হোৱে বাই।
ভাগিনকো মাৰিলেক চাবুকে কোবাই"॥

* * * *

"এতেকে জানিবা বাই নেখাকো ইহাত।
কানমাৰি গুটি দিবো থৈয়োক চাঙত"॥

(৬) ছাপা বুৰঞ্জীয়ে কয়, সেই সময়ত বন্দৰ বৰফুকন গুৱাহাটীত আছিল, এই পুথিৰ লিখকে কয়, কলিয়াবৰত আছিল বুলি।

যেনে:— "পাঞ্চদিন গৈয়া কলিয়াবৰ পাইল্য।
বৰ বহিনকো বিৰলেয়ে দেখা দিলা"॥

(৭) জয়ে জয়ে, বন্দৰ বৰফুকন আৰু তেওঁৰ লগৰীয়া বিষয়াসকলে, গদাপাণিক সবিয়হনি তলিত ৰজা বুলি সেৱা কৰি লয়; তাৰ পাচতহে সকলোৱে লৰা ৰজাক ভাঙিবলৈ উজাই আহে।

যেনে:—"চাপিল অনেক লোক সীমা সংখ্যা নাই।
সবিস তলিক লাগি সমদলে যাই॥
পণ্ডিত ব্ৰাহ্মণ আসিলেক আগধৰি।
শুভক্ষণ বেলা চাহি দিলা জাতু কৰি"॥

"চাপৰিত লোকে সবিয়স আছে ৰেই।
মাঘ মাসে ফুলি জকমক হই॥
তাহাৰ মাজত নিয়া বেসায়া আসনে।
ৰাজা পাতি সেৱা কৰিলেক সৰ্ব্বজনে"॥

(৮) গদাপাণিয়ে এদিন আহি দক্ষিনপাট সত্ৰৰ ঘাটত নাও বান্ধিছিল। বন্দৰ বৰফুকনে লৰা ৰজাক ভাঙি গদাপাণিক ৰজা পাতিবলৈ আনিছে বুলি শুনি দক্ষিনপটীয়া গোসাই প্ৰভুয়ে তেওঁবিলাকক এসাজ খুৱাই, বন্দৰ বৰফুকনক মাতি নি তেনে কাম কৰিবলৈ মানা কৰিছিল। কাৰণ লৰা ৰজা আৰু বন্দৰ বৰফুকন দুয়ো দক্ষিনপাটৰ শিষ্য আছিল। বন্দৰে কিন্তু গোসাইৰ কথা শুনিলে। তাতে দুয়ো দুইকো শাপ দিয়ে।

(৯) গদাধৰসিংহ ৰজা হোৱাৰ পাচত তেওঁৰ মনৰ জোখাৰে আহাৰ নোপোৱাত বহুত চাংমাইক কাটে। শেহত চাংমাই এটাই পূৰ্ব্বে গদাপাণি পলাই থকা পোহাৰী জনীৰ মুখে গদাপাণিৰ আহাৰৰ সম্ভেদ পাই, সেইমতে আহাৰ দিয়াত তাক ৰজাই চাংমাই বৰুৱা বাব দিয়ে।

যেনে:—"বাচিয়া চাউল ৰান্ধিবিহি এক দোন
তাহাতে বিস্তৰ কৰি দিবিহি ব্যঞ্জন॥
ভাল শাক ভাজি দিবি ভাল ভাল কৰি।
একপেষা মান জলকীয়া দিবি পুৰি॥
পোৱা কাচিয়ৰা তাৰো দিবি কিছুমান।
তেৱেসে তোহোৰ ভাল ৰহিবেক জান"॥

* * * *

"গাই মাৰি পাচপিৰা কৰিলা ব্যঞ্জন।
আগপিৰা এক গোট কৰিলা ভাঞ্জন"॥

আৰু এঠাইত লিখিছে গদাধৰসিংহ ইমান মাংসপ্ৰিয় আছিল যে মানুহৰ মঙহো খাবলৈ বিচাৰিছিল। অৱশ্যে বুঢ়াগোহায়ে এই বাতৰি পাই, চাংমাইৰ হতুৱাই অন্য মঙহত বেয়া বস্তু দি তিতা কৰি দিয়াত, সেই দিনৰ পৰা জানিবা মানুহৰ মঙহ বেয়া বুলি ৰজাই আৰু নিবিচাৰিলে। :—

যেনে:—"মনুষ্যৰ মাংসে আশা আছিলেক মনে।
চাংমাই বৰুৱাত কহিলা গোপনে"॥

* * * *



"ভুঞ্জি তিক্ত পায়া বোলে দুহিকেয় ভাল।
সেহি দিনা নৰ মাংস আশা দুৰ গল"॥

(১০) গদাধৰসিংহই ৰাজপাতত উঠিয়েই, মহন্তসকলে ৰাইজক নিজাম নাম কীৰ্ত্তণ শিকাই, এলেহুৱা কৰিছে বুলি ভাবি সকলো মহন্তক তেওঁ ছেউনিবছা ঠাইলৈ খেদি দিছিল। (শুনা যায় সেই মহন্তসকলৰ হতুৱাই গদাধৰসিংহই ছেউনী আলিটো বন্ধাইছিল।) ইয়াৰ পাচত, গদাধৰসিংহ স্বৰ্গী হ'লত, লাই গোহাইদেও ৰুদ্ৰসিংহ নাম লৈ ৰজা হলত, এদিন সপোনত গদাধৰসিংহই ৰুদ্ৰসিংহক কলেহি যে মহন্ত-সকল সাধু পুৰুষ; তেওঁবিলাকক নিৰ্য্যাতন কৰাত, এতিয়া যম ৰজাই তেওঁক বৰ শাস্তি কৰিছে, এতেকে মহন্তসকলক ততালিকে নিজ নিজ ঠাইত বৃত্তি দি বহুৱাবহি লাগে, নহ'লে তেওঁৰ শাস্তি আৰু অসহন হব। এই কথা জানি, ৰুদ্ৰসিংহই ততালিকে মহন্তসকলক মান-সম্ভ্ৰম দি ছেউনিবছাৰ পৰা তুলি আনিলে।

যেনে:—"এহিমতে ৰাজা হয়া আছয় ভুপাল।
স্বপ্নত আসিয়া গদাধৰ দেখা দিল॥
সন্ত-মহন্তক মই কৈলো অপকাৰ।
সেহি দোষে দেখা বাপু শৰীৰ আমাৰ॥
যমৰ শাস্তিত মোৰ গাৰ জীৰ্ণ হই।
তাহাতে আসিয়া কীট পতঙ্গেও খাই॥
এতেকেসে বাপু তই বিলম্ব নকৰি।
মহন্তসৱক আনিয়োক মান্য কৰি॥
যাৰ যিবা ভূমি আছিলেক পূৰ্ব্বৰতে।
তাম ফলি কৰি দিয়া পাতিয়োক তাতে॥
ইহাক নকৰি যদি অৱহেলা কৰ।
আতো কৰি শাস্তি গাৱে বাঢ়িবে আমাৰ"॥

(১১) ৰুদ্ৰসিংহই ৰজা হৈ, গঙ্গাক আসামৰ পশ্চিম সীমা কৰিবলৈ বুলি গুৱাহাটীলৈকে ভটীয়াই গৈছিল। দুৰ্ভাগ্যবশতঃ ৰুদ্ৰসিংহ তাতে স্বৰ্গী হয়। এই কথা আন পুৰনি বুৰঞ্জীয়েও কয়।

(১২) ছাপা বুৰঞ্জীত পোৱা যায়, গোসানী সমনা মহন্তসকলক ফুলেশ্বৰী কুৱৰীয়ে ধৰাই আনি বলেৰে গোসানীৰ প্ৰসাদ কটিয়াইছিল, আৰু বলি কটা তেজৰ ফোঁট দিছিল। ইয়াত মাথোন মহন্তসকলক খাবলৈ নিদি জয়সাগৰ দৌলত বন্দী কৰি থোৱাৰ কথা আছে। আৰু শিৱসিংহই মহন্তসকলক এৰি দিবলৈ কোৱাত, ফুলেশ্বৰীয়ে মহন্তসকল সচাকৈয়ে মহাপুৰুষনে তাৰ পৰিচয় লবলৈ, সুধি পঠিয়ালে যে মোৰ গাত এতিয়া আঠ মাহ; মোৰ ল'ৰা হ'ব নে ছোৱালী হ'ব যদি ক'ব পাৰে মহন্তসকলক মই এৰি দিম। তেতিয়া, মহন্ত-সকলে উত্তৰত ক'লে, হাত ভৰি নোহোৱা এক খণ্ড মাংস হ'ব; সিও ভালকৈ প্ৰসৱ নহৈ তাতে ৰানীৰ মৃত্যু হ'ব। এই কথাত ফুলেশ্বৰীয়ে খঙ কৰি তেওঁ-বিলাকক বন্দী কৰিয়েই থলে। পাচত ৰানী সেইদৰে প্ৰসৱত কষ্ট খাই, এক খণ্ড মাংস প্ৰসৱ কৰি মৃত্যু হোৱাত, শিৱসিংহই মহন্তসকলক ততালিকে মুকলি কৰি দিয়ে।

যেনে:—"শুনি দূতে সেহিমতে বন্দী কৰি থই।
থাকিল মহন্ত সবে অন্নক নাখাই॥
শুনি শিৱসিংহে কয় বৰ ৰজা আগে।
মহন্ত সৱক এনে কৰিব নলাগে॥
ইসবৰ গাৱে গাৱে মহিমা আছই।
সেহিহেতু দুখ দিলে বুজা ভাল নই"॥

* * * *

"আঠ মাস গৰ্ভ মোৰ হুয়া যে আছয়॥
তনয় হুইবেক কিবা হুইবেক জীয়াৰী।
ইটো কথা কহিবাক লাগে থিৰ কৰি॥
তেবে সিসবৰ মই বুজিবো মহত।
যদি কৈতে নপাৰে নেৰিবো স্বৰূপত"॥

* * * *

"নুহিবেক পুত্ৰ আৰো নুহিবেক জীয়া।
আমি সৰ্ব্বজন আৰু আছোহো বুলিয়া॥
নুহিবেক হাত মুখ নুহিবেক ভৰি।
প্ৰসৱ হুইবেক যিবা সিয়ো বেয়া কৰি॥
অৰ্দ্ধেক বাহিৰ হুইব অৰ্দ্ধ উদৰত।
সেহিমতে মৰিবেক কৈল্যো স্বৰূপত"॥

(১৩) লতাকটা ৰণত জিকি মণিপুৰীয়া ৰজাক সহায় কৰাত, ৰাজেশ্বৰসিংহই মণিপুৰী কুৱঁৰী কুৰঙ্গ-নয়নীক পাইছিল। পাচত যেতিয়া লক্ষ্মিসিংহৰ দিনত

মোৱামৰীয়াবিলাকে ৰজাক জয়সাগৰ দৌলত বন্দী কৰি ৰাক্ষকাৰেং ললে আৰু কুৰঙ্গনয়নীকে আদি কৰি বহুত কুৱঁৰীকো মোৱামৰীয়া ৰজাই ৰাখিছিল। তেতিয়া সেই কুৰঙ্গনয়নীয়েই বুদ্ধি কৰি তলে তলে ৰজাৰ লগত মীমাংসা কৰি, হচৰি গাওঁতে হচৰি গোৱাক সেৱা কৰিবলৈ ধৰোতে মোৱামৰীয়াক কাটি লক্ষ্মীসিংহক মুকলি কৰে আৰু তেওঁৰ কুঁৱৰী হয়।:—

যেনেঃ—"মগলীৰ জীয়ে দেখি বিষাদ মনত॥
আছে ৰাজ-ৰাণী হয়া তভো আসে দুখ।
স্বভাৱে মৰাণ জাতি কিবা হবো সুখ॥
পাক্ষে নৃপতিৰ পাশে লোক একজন।
আমাক ৰাখয় যদি নকৰিয়া ঘিণ॥
তেবে মৰাণক মাৰিবাক পাৰো মই।
ঘৰিনী বুলিয়া মোক ৰাখিব লাগই॥
শুনি নৰপতিয়ে কহিলা সত্য বাণী।
যদি মাৰিবেক পাৰে হৈবো মোৰ ৰাণী"॥

* * * *

"একখান খৰ্গ লৈয়াছিল তাৰ হাতে॥
মগনীৰ জীয়ে কৈলা নেপাই খৰ্গ লৈতে।
হাতে অস্ত্ৰ জাতি সেৱা কৰিবা কিমতে॥
শুনি হেন ৰমাকান্ত ৰানী হাতে দিলা।
জাতি বুলি সিসৱৰ ওচৰ চাপিলা॥
পাচ হস্তে মগনী কান্ধনে ঘাৱ দিলা।
গিৰিসিত কৰি ৰমাকান্তও পৰিলা॥
ইসবেও তেতিক্ষণে মাৰিলেক তাক।
মাৰিলেক ধৰি আৰু ৰাঘ বোলে যাক"॥

(১৪) দ্বিতীয়বাৰ গৌৰীনাথসিংহৰ দিনত মোৱামৰীয়াই বিদ্ৰোহ কৰোতে ভৰথী নামৰ এজনক ৰজা পাতি আনে। ৰাধাৰুক্মিণীৰ কথা এইবাৰহে উত্থাপন কৰিছে। কাৰ তিৰোতা বা কোন তাৰ পৰিচয় দিয়া নাই।

যেনে—"পুনৰপি সবেও আসিলাসা যুদ্ধই।
ভৰথী বোলয় তাহাকেসে ৰজা লই"॥

* * * *

"এহি চয় সেনাপতি নাম কৈবো কত।
ৰাধাৰুক্মিণীও আসে তাহাৰ লগত"॥

(১৫) মৰাণৰ দিনত ভৰথীয়ে পাঁচ বছৰ ৰজা হৈ মৃত্যু হয়। ইয়াৰ পাচত, কুলত আহোম আৰু ধৰ্ম্মত মটক সৰ্ব্বানন্দক মোৱামৰীয়াই ৰজা পাতে।

যেনে—"সেহিমতে ভৰথীয়ে দিয়া অপমান।
পঞ্চ বৰিষেক ভুঞ্জি গৈল্যা যম থান॥
পুনৰপি পাতে সৰ্ব্বানন্দ নাম তান।
কুলত আসোম সিটো বুজিবা মৰাণ"॥

(১৬) ছাপা বুৰঞ্জীত মান অনা বদন বৰফুকন আগেয়ে এবাৰ গুৱাহাটীত বৰফুকন হোৱা পোৱা নেযায়। ইয়াত পোৱা যায়; গৌৰীনাথ সিংহই মোৱামৰীয়াৰ ভয়ত গুৱাহাটীত পলাই থাকোতে বদনচন্দ্ৰক বৰফুকন পাতি মোৱামৰীয়াৰ বিপক্ষে যুদ্ধ কৰিবলৈ আদেশ দিছিল। বদন বৰফুকনে অকলৈ মোৱামৰীয়াক বলে নোৱৰা দেখি ৰজাক কৈ, দেশ উদ্ধাৰ কৰিবলৈ ইংৰাজক আনেগৈ। বদনচন্দ্ৰ যে আগেয়ে এবাৰ গুৱাহাটীত বৰফুকন হৈছিল, এই কথা মাননীয় শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা ডাঙ্গৰীয়াইও কয়। সেইবাৰ এওঁ বৰফুকন কিয় ভাগিল, সেই বিষয়ে কিন্তু একো পোৱা নেযায়।

যেনে—"হৰনাথ সেনাপতি আছিল ফুকন।
তান পুত্ৰ ঘিনাই বদনচন্দ্ৰ নাম তান॥
তাহাক আনিয়া বৰ্ফুকনদেও পাতি।
মৰাণৰ ৰণে সিটো নাহিবেক পাটি॥
এহি বুলি তাহাক ফুকন পাতি দেই।
মৰাণক মাৰিবাৰ কৰিও উপায়"॥

* * * *

"দুৰবাৰ বদনচন্দ্ৰ আছে বৰ্ফুকন।
তাহাক ভাঙ্গিয়া পাতিলেক যিবা জন"॥

(১৭) পূৰ্ব্বে দিচৈ নৈ যোৰহাট নগৰৰ পৰা দূৰৈত আছিল। মোৱামৰীয়াৰ বিদ্ৰোহত যোৰহাট নগৰত কোৱাৰি সৈন্য সামন্তই পানী পাবলৈ, এস্তুঁতি কাটি আনে। মানুহে কয়, বুঢ়াগোহাই ডাঙ্গৰীয়াই ভোগ দি দিচৈৰ মাতি আনিছিল বুলি দিচৈৰ নাম ভোগদৈ হৈছে:—

যেনে—"দিচৈৰ কাটিয়া আনি এসে তা বোৱাই।
সেহিসে নদীৰ নাম ভোগদৈ বোলয়"॥



(১৮) কলীয়া ভোমৰা বৰফুকনে ইংৰাজৰ অসমত এটা পল্টন গঠণ কৰিছিল। তেতিয়া কলিকতাত থকা ইংৰাজৰ পৰা এবাৰ ইংৰাজী খাৰ-বাৰুদ আনিবলৈ জন দিয়েক বিষয়াক পঠিয়াইছিল।

যেনে—"কাকতীয়া বলোৰাম থঙ্গীয়া ফুকন।
চলিহা কাকতী ভূধৰ নাম তান॥
চাং কাকতী গোবিন্দ শৰ্ম্মা নাম।
মধু শৰ্ম্মা খাওন্দ, খাওন্দ তনুস্থান॥
কমলাবৰীয়া বৰা দোলা কাষৰীয়া।
সবে গৈয়া চিপাহী সৰঞ্জা (ম) আনা গৈয়া॥
আজ্ঞা পায়া সিসকল নাথাকিল বই।
শীঘ্ৰ কৰি গৈয়া পাছে কলিকতা পাই॥
গবৰ্ণৰ চাহাবৰ আগত জনাই"।

* * * *

"হিলৈ বাৰুত লৈয়া আসিলা উজাই॥
পঙ্গীয়া ফুকনৰ আপাহ লৈলা বৰ।
দ্বিতীয় কাপ্টান পাতি দিলা পল্টনৰ॥"

(১৯) পূৰ্ণানন্দ বুঢ়া গোহাইক বধ কৰিবলৈ ভূত কুকুৰাচোৱা বৰাৰ পুতেক সতৰামৰ লগত থকা মানুহবিলাকৰ এই বুৰঞ্জীত পৰিচয় পোৱা যায়।

(২০) এই বুৰঞ্জীৰ পৰা জনা যায়, বদন বৰফুকনক ধৰিবলৈ যোৱা মহেশ্বৰ পৰ্ব্বতীয়া ফুকন জাতিত বামুণ আছিল। বদনক ধৰিব নোৱাৰি উলটি আহোতে, বুঢ়াগোহায়ে কোৱা কথাৰ পৰা জানিব পাৰি।

যেনে:—"শুনি ডাঙৰীয়া ভৈল জলন্ত অগণি।
ব্ৰাহ্মণক নিন্দিয়া বুলিলা বহু বাণী॥"

(২১) সতৰামৰ ষড়যন্ত্ৰত বুঢ়াগোহায়ে দুৰ্গেশ্বৰ বৰপাত্ৰ গোহাই আছিল বুলি সন্দেহ কৰিছিল।

যেনে:—"দুৰ্গেশ্বৰ বৰপাত্ৰ আছে ডাঙৰীয়া।
তেওঁ আলচৰ বুলি আছিলেক কৈয়া॥
দণ্ড কৰিবাক মন্ত্ৰী মনে আছে লই।
তাক জানি বৰপাত্ৰ ভয়ে পলাই যাই।
বঙাল দেশক পাই এৰিলেক প্ৰাণ।
মাৰিল যতেক প্ৰাণী কৈবো কতমান"॥

(২২) বুৰঞ্জীত লুকু ডেকা ফুকনক পুৰন্দৰৰ বিপক্ষে যোৰহাট নগৰ ৰক্ষা কৰোতা চন্দ্ৰকান্ত সিংহৰ প্ৰধান বিশ্বাসী বিষয়া আছিল বুলি জনা যায়। ইয়াত কিন্তু পাকে প্ৰকাৰে পুৰন্দৰৰ ফলীয়া বুলি কৈছে।:—

যেনে:—"লুখুৰাসনৰ চিকন তামুলি ঘৰৰে।
লুকু গুৱাহাটী ডেকা ফুকন বোলে তাৰে॥
তাহাকে পঠাইলা আগে শিখণ্ডি কৰিয়া।
পাচতে আসিছে ব্ৰজনাথ ডাঙ্গৰীয়া"॥

(২৩) বুৰঞ্জীত মৰঙ্গীখোৱা গোহায়ে চন্দ্ৰকান্ত সিংহৰ মনে২ কৰ্ণক্ষত কৰিছিল বুলি আছে। ইয়াত কিন্তু এজন পিঠিয়াল বৰাই কৰ্ণক্ষত কৰিছিল বুলি লিখিছে। যদি, মৰঙ্গীখোৱা গোহাইৰ সহায়তা কৰিবলৈ বৰাই কৰ্ণক্ষত কৰিছিল, তেন্তে সম্ভৱ হ'ব পাৰে; নতু অকল বৰায়ে এজন ৰজাৰ কৰ্ণক্ষত কৰিবলৈ আগ বাঢ়িছিল বুলি বৰ বিশ্বাস নহয়। তাতে, বৰাই বলেৰে কৰ্ণ কাটিছে বুলি লিখিছে। কথাটো অলপ ভাবিব লগীয়া।:—

যেনেঃ—"পিঠিয়াল বৰা বোলে থাকে দায় ধৰি।
আজ্ঞা পায়া সিও তেতিক্ষণে গৈল্যা লৰি॥
চাপিব নপাৰে ৰজা আছে খৰ্গ লই।
সিবেলাত পিঠিয়ালে বহুত বোলই॥
অল্প অঙ্গ নেদা এৰি পাতস জঞ্জাল।
প্ৰাণ মৰা যাই যদি তেবে পাবি ভাল॥
শুনি ৰাজ মাতাৰ মনত ভৈলা ভই।
আপুনি নিদিলে গাৱ কিবা প্ৰাণ লই॥
সেহি ভাবি ৰাজমাৱে আকোৱালি ধৰি।
কহে প্ৰাণ ৰাখ ৰাপ দিয়া কৰ্ণ এৰি॥
আমাসাৰ দিন গৈল্য পাইলে কাল ৰাতি
শুনি হেন নৰপতি দিলা অঙ্গ পাতি॥
কৰ্ণত কটাৰি দিলা পিঠিয়ালে তাত।
সেহি হেতু তাহাৰ ভৈলেক কৰ্ণপাত"॥

(২৪) বদনচন্দ্ৰৰ হত্যা আৰু চন্দ্ৰকান্ত সিংহৰ সিংহাসনচ্যুৎ হোৱাৰ পাচত, বদনৰ পুতেক জন্মি পিয়লিয়ে মান ৰজাক দেশৰ সকলো কথা গৈ কোৱাত, মানে অসম দেশ দ্বিতীয়বাৰ আক্ৰমন কৰেহি।:—

যেনেঃ—"বদনচন্দ্ৰ বৰ্ফুকন মাৰিল হৈঠাই।
জন্মি পিয়লী দুয়ো মানদেশ পাই"॥

"ৰাৰ্ম্মা নৃপতিত কৈলা কৰিয়া বিনয় ।
অকাৰণে পিতৃক মাৰিল চল পাই" ॥

* * *

"নকান্দস নকান্দস কুকন তনয় ।
তোৰ প্ৰতিকাৰ মই কৰিবে লাগয়" ॥

(২৫) ক্ৰমে ক্ৰমে ৰজাৰ ঘৰ আৰু বুঢ়াগোহাঁইৰ ঘৰত বিবাদ লগায়, চন্দ্ৰকান্তৰ মায়েক, বুঢ়াগোহাঁইৰ বোৱাৰীয়েক আৰু ওবেৰানাথৰ ঘৈণীয়েক—মাজু-আইদেৱে; আৰু সেই মাজু-আইদেৱে পাচত পতাল বৰ বৰুৱাক বিয়া কৰায়।—এই কথা আন বুৰঞ্জীত বিশেষ পোৱা নাই ; কেৱল বেজ-বৰুৱা ডাঙ্গৰীয়াৰ "বেলিমাৰ" নাটত মাথোন যি অলপ আভাস আছে।

"দেখিয়ো কম্পাল তাৰ বৰ বৰুৱা হই ।
ৰাজাৰেসে বৰ বৰিনীকো সিটো পাই ॥
মাজু আইদেও বোলে পৰম দাৰুণী ।
মৰঙ্গীখোৱাৰ পূৰ্ব্বে আছিলে ঘৰিণী ॥
পিতৃ বুঢ়াগোহাঁইৰেসে বোৱাৰী আছিলা ।
নৃপতি সহিতে দুইৰো কন্দল লগাইলা ॥
ৰাজ মন্ত্ৰীৰেসে দন্দ ভৈলা অকাৰণে ।
তাকে জানি কাঢ়িয়া লৈলেক আসি মানে ।
সেহি হেতু ৰাজাৰ ভৈলেক এহি গতি ।
ইটো কথা কহিলোহো বুজাহা সম্প্ৰতি" ॥

(২৬) মানৰ তৃতীয়বাৰ আক্ৰমনত মানে যেতিয়া গোটেই অসম অধিকাৰ কৰি যায়, সেই সময়ত এজন কাঢ়ী বিষয়াই বৰ পৰাক্ৰমেৰে উত্তৰপাৰ কিছুদিনলৈ ৰক্ষা কৰিছিল। :—

যেনে:—"আছিলেক চাওবৰা নামে একজন ।
তাৰ লগে ৰাওকটীয়া হাজাৰেক মান ॥
সিসৰ কটক লৈয়া আছে সাজু হয়া ।
যদি মান আসে আৰু নেদিবো এৰিয়া" ॥

(২৭) বুটিচৰ প্ৰাৰম্ভত মণিৰাম দেৱানক বিদ্ৰোহী বুলি ফাঁচি দিয়া আৰু তেওঁৰ লগৰীয়াবিলাকক দণ্ড কৰাৰ কথা অনাবতে মিছা সন্দেহত তেওঁবিলাকৰ দুৰ্গতি হ'ল বুলি ইয়াত লিখিছে।

"মণিৰাম বৰুৱা বোলে কুলত কায়স্থ
তান গলে ফাঁচি লগাইলেক কেন মত ॥
ৰাজাৰ কাৰণে ৰক্ষা কৰি মুক্তিয়াৰ ।
পাক্কিয়া আছিলা কলিকতা যে নগৰ ॥
লাট চাহাবত গৈয়া কহিলেক পাছে ।
কন্দৰ্পেশ্বৰেও তান ৰাজ্য মাগি আছে" ॥

* * * *

"যিবেলা চাৰিঙ্গীয়া ৰাজা ধাৰ পঠাই দিলা ।
মণিৰাম বৰুৱাক আহে লাটত কৈলা ॥
এহি আলচৰ সিটো আছে সেহি ঠাই ।
তেৰ হস্তে ভাল মন্দ নৃপতিত কৈই ॥
শুনিয়া চাহাবে জনাই পঠাই লাট আগে ।
মণিৰাম বৰুৱা ধৰি পঠাইবেক লাগে ॥
লাট চাহাবেও ধৰিবাৰ আজ্ঞা দেই ।
গোৰা চিপাহীক দিয়া পাক্কিলা ইঠাই ॥
গাভৰু মেলৰ বেহ্বৰুৱা বোলই ।
পিয়ালী বৰুৱা নামত তান কনিষ্ঠ তনয় ॥
দেৱানক লৈয়া গোৰা পাইলা যিবেলাত ।
পিয়ালীক আনি থৈলা দেৱান লগত" ॥

(২৮) বুৰঞ্জী মতে আমি জানো, মোৱামৰীয়া বিদ্ৰোহৰ উপক্ৰম দেখি, ৰাজেশ্বৰসিংহই, বোধ কৰো, কুলেশ্বৰী কুৱৰীয়ে মহন্তসকলক অশেষ অপমান দিয়াত বিদ্ৰোহৰ সূচনা হৈছে বুলি ভাবি তাৰ প্ৰতিকাৰ স্বৰূপ মহন্তসকলৰ লগত মিতিৰালি কৰাটো উচিত যেন ভাবি, দিহিঙ্গৰ গোসাঁইৰ লগত সখী বন্ধায়। আৰু সেই মতে দিহিঙ্গৰ গোসাঁইক ৰজাই বহুত আদৰ কৰি কেবাটিও নতুন নতুন সন্মান দিছিল। ইয়াৰ পাচতো, ৰাজেশ্বৰসিংহৰ পাচৰ ৰজা কেইজনে দিহিঙ্গৰ গোসাঁইৰ লগত সদ্ ভাব ৰাখিছিল। কিন্তু এই বিষয়ে, ইয়াত লিখকে কয়, দিহিঙ্গৰ গোসাঁইৰ গাত স্বয়ং বৈকুণ্ঠনাথৰ মাহাত্ম্য আৰু লক্ষণ দেখিহে ৰজাই শৰণে ভজি গোসাঁইৰ লগত সখী বন্ধাইছিল। বোধ কৰো, লিখকে নিজ গুৰু দিহিঙ্গৰ গোসাঁইৰ মাহাত্ম্য প্ৰকাশ কৰিবলৈ এইদৰে লিখিছে। এক হিচাপে চালে এইটো শিষ্যৰ গুৰুৰ প্ৰতি একান্ত ভাৱৰ পৰিচয়।



যেনে:—"আত সহস্ৰয় ( ? ) মই নেদেখোহো আন
দিহিঙ্গৰ অধিকাৰ মহা পুণ্যবান ॥
তাহান বিভুতি দেখো আছে যতমান ।
শিষ্যসৱ আতকৰি হৈবেক চগুণ ॥
তাহাক ভাৱসা কৰি থাকিলেসে ভাল ।
তেবে আমাসাক কিছু নপাইবে জঞ্জাল ।
এহি মনে গুনি থিৰ কৰিলেক অতি ।
চিকন গোসাঁইক শীঘ্ৰে অনাইলেক মাতি
কহে ৰাজা তোমাত আছই যত গুণ ।
সৰ্ব্বি ভিতৰে নেদেখাহা অন্যজন ॥
ঈশ্বৰৰ চিহ্ন যত আছে শৰীৰত ।
সেহি হেতু শিষ্যসৱ হুয়াছে বহুত ॥
তোমাৰ চৰিত্ৰ যত দেখোৰি——( ? )
চিকন গোসাঁইৰ মিত্ৰ কৰিবো সম্প্ৰতি ॥
বৈকুণ্ঠৰ নাথ যিটো প্ৰভু দামোদৰ ।
তাহাক্কেসে পাইলা চিনি মিত্ৰ কৰিবাৰ" ॥

* * * * *

"শ্ৰীমন্তদেৱ নাতি বুলি কহে লোক ।
দেখিতে সন্তোষ হও গুচে মোৰ ভোক ॥
গুৰুৰেসে পুত্ৰ সিটো আছে গুৰু হই ।
ঈশ্বৰৰ চিহ্ন যত শৰীৰে আছয়" ॥

* * * *

"দেখা দেখা ৰাস্থৰ ( ? ) নৃপমণি ।
বৈকুণ্ঠৰ নাথ যিবা তাঙ্ক পাইলা চিনি" ॥

* * * *

"তযু গুণ গান, দেখি বিচৈক্ষণ, কৰি আছো মই সখী ।
সৰ্ব্বকাল মোক, লাগে নেৰিবাক, এই ৰাঞ্ছা আছো ৰাখি ॥
ইহ পৰলোক, ধৰিবো তোমাক, নেৰিবাহা ভূল কই ।
চতুৰ্থ ঈশ্বৰ, জানিয়া তোমাৰ, লৈয়াছো আমি আশ্ৰই ॥
তোমাৰ সেৱক, আছই অনেক, তাৰে আমি একজন ।
বুলিয়া আমাই, নাচাড়া সদাই, কৰিবাক লাগে ত্ৰাণ' ॥

* * * *

"নৰপতি মতি, বুজি যদুপতি, বোলে নকৰিবা ভই ।
গুৰু যিবা দেই, শিষ্যে তাকে লই, তাৰে উপকাৰ হই" ॥

* * * *

"তথাপিতো তুমি আমি কৰিলোহো সখী ।
চিৰকাল নেৰিবা মোহোক ভিন্ন দেখি" ॥

* * * *

"মনুষ্য নোহই দেখি ঈশ্বৰ পৰাই ॥
ঈশ্বৰৰ চিহ্ন যত সৱ শৰীৰত ।
নতু দেখা শুনা নাহি এ-পৃথিৱীত ॥
যত ৰাজা হুয়া যাই দিহিঙ্গৰে সখী ।
নকৰি থাকিবে কেন ইহেন ৰূপ দেখি" ॥

* * * *

"নৃপতি নভৈলে যদি পাট শূন্য প্ৰায় ।
এদিন এবেলা ৰাজা দিহিঙ্গৰ গোসাঁই ।
এহিমতে কণাকণি সৰ্ব্ব লোকে কৰে" ॥

* * * *

"শুনিয়োক যত নৰ যুৱৰাজ ভাগ্যৱৰ ।
বৈকুণ্ঠৰ নাথ পাই বোলে মোৰ সখী হই ॥"

ইত্যাদি ৰাজে কথা দিহিঙ্গৰ গোসাইৰ গুণ বৰ্ণাই লিখকে লিখিছে। এইবিলাক কথাৰ বুৰঞ্জী-হিচাপে সাৰ কিমান পাঠকসকলে বিচাৰি ল'ব।

এতিয়া, এই বুৰঞ্জীখন পঢ়ি এটা কথা দেখা যায়, এইখন এজন বুদ্ধিয়ালে লিখা। তাৰ পৰা, সেই সময়ত সাধাৰণ প্ৰজাৰ মাজত লিখা পঢ়াৰ কেনে চৰ্চ্চা আছিল বুজা যায়। দ্বিতীয়তঃ, আমি জনাত, এইখনেই, আহোম বুৰঞ্জীৰ ভিতৰত পদ্য বুৰঞ্জী। তৃতীয়তঃ, কিছুমান কথা, বিশেষকৈ শেহৰ ছোৱা কালৰ বহুতো ঘটনা এই বুৰঞ্জীৰ পৰা জানিব পৰা হ'ব। এনে স্থলত, মোৰ বিশ্বাস, এই বুৰঞ্জীখন ওলালে, আমাৰ বুৰঞ্জী আৰু সাহিত্য উভয়ৰ সম্পদ হ'ব।

শ্ৰীনকুলচন্দ্ৰ ভূঞা ।

# প্ৰাচীন পুথি অনুসন্ধান।

## বটদ্ৰৱা অঞ্চল।

যোৱা জুন মাহত আমি বটদ্ৰৱা অঞ্চলত ফুৰিবলৈ গৈছিলোঁ। কৰচোং, আইভেঁটি, বটদ্ৰৱা, বালিসত্ৰ আৰু ভোগবাৰী এই কেইখন সত্ৰ মাত্ৰ আমাৰ ফুৰিবলৈ সুবিধা ঘটিছিল; গৰম বেচি হোৱাত আৰু বাটপথ পানী-বোকাৰে ভৰি যোৱাত ২।৩ ঠাইলৈ ইচ্ছা থকাতো আমি যাব নোৱাৰিলোঁ।

আমি ফুৰা সত্ৰবোৰত বহুত সাঁচিপতীয়া পুথি দেখিলোঁ, কিন্তু বেচি ভাগেই প্ৰকাশ হোৱা আৰু অষ্টাদশ ও উনবিংশ শতাব্দীৰ। যিবোৰ প্ৰাচীন আৰু প্ৰকাশ নোহোৱা যেন বোধ হল তাৰ এটা লিষ্টি তলত দিয়া হল।

কৰচোং সত্ৰত থকা—

১। শ্ৰুতি নিৰ্ণয়…মহা মহোপাধ্যায় বিদ্যাবাগীশ…১৭৪২ শঁক
২। অশৌচ নিৰ্ণয়…গোপাল পঞ্চানন ভট্টাচাৰ্য্য…১৭২৯ "
৩। শেষ দশম … ১৭২৯ "
৪। হৰিশ্চন্দ্ৰ (পদ)…শঙ্কৰ দেৱ … ১৭৩৩ "
৫। প্ৰয়োগ ৰত্নমালা ব্যাকৰণ…পুৰুষোত্তম ভট্টাচাৰ্য্য বিদ্যাবাগীশ…১৭০৬ "

| | | |
|---|---|---|
| ৬। পঞ্চম স্কন্ধ ভাগৱত (মূল) | সংস্কৃত টীকা সহিত | ১৭০৬ " |
| ৭। চতুৰ্থ স্কন্ধ ভাগৱত (মূল) | | ১৭০৫ " |
| ৮। একাদশ স্কন্ধ ভাগৱত (মূল) | | ১৭০৪ " |

৯। শ্ৰীকেশ আতা চৰিত্ৰ (ঠাকুৰচৰিত)…কেশ আতা… "
১০। শ্ৰীশ্ৰীবৈকুণ্ঠ প্ৰয়াণ (গুৰু চৰিত) … ৰামচৰণ … "
১১। গুৰু চৰিত (শেষ ডোখৰ) … " … "
১২। ভাগৱত ৰত্নসাৰ (মূল) … বিষ্ণুপুৰী … "

একাদশ স্কন্ধ ভাগৱতখন সচিত্ৰ; ইয়াৰ ছবি, বিশেষকৈ প্ৰতি পৃষ্ঠাৰ চাৰিও কাষে থকা লতাবোৰ এনে মনমোহা আৰু উজ্জ্বল যে চাই থাকিবৰ মন যায়। কৰচোং সত্ৰত সম্পূৰ্ণ ৰামায়ণ দুখন আছে; আমি গোটাইবোৰ কাণ্ড দেখা নাপালো। কিছুমান কাণ্ড ওপৰৰ ঘৰত আছে বুলি কলে। এখন ৰামায়ণ আমি সাহিত্য সভালৈ পোৱাত শ্ৰীশ্ৰীসত্ৰাধিকাৰ প্ৰভুয়ে সকলোবোৰ গোটাই লৈ বেচি প্ৰাচীনখন সভাক দিম বুলি স্বীকাৰ কৰিছে।

শ্ৰীআতা কেশৱৰ চৰিত্ৰ, শ্ৰীশ্ৰীবৈকুণ্ঠ প্ৰয়াণ আৰু গুৰু চৰিত্ৰ (শেষ ডোখৰ), এই তিনিখন পুথি আলোচনাৰ নিমিত্তে আমি ৰচিত দি লগত লৈ আহিছো।

আইভেঁটি নসত্ৰত থকা—

১। দশমস্কন্ধ ভাগৱত (আদ্য) … শঙ্কৰদেৱ…১৬৬৮ শঁক
২। ৰামায়ণ সুন্দৰা, লঙ্কা, অযোধ্যা, উত্তৰা আৰু কিষ্কিন্ধ্যা কাণ্ড … ১৭৩০ "
৩। ভাগৱত ১ম, ২য়, ৩য়, ৬ষ্ঠ আৰু একাদশ…১৭৮৪ "
৪। গীতা … গোবিন্দ মিশ্ৰ … ১৫৮৯ "
৫। অদ্ভূত কাণ্ড ৰামায়ণ … ১৭৭৫ "
৬। অমৰ (সংস্কৃত) … চক্ৰধৰ শৰ্ম্মা …
৭। অনন্তৰাম চৰিত্ৰ … ভদ্ৰচাৰু দেৱ …
৮। সন্তমালা …

কুঁজীসত্ৰৰপৰা অনা অনাদি পাতন পুথি এখন ঐ সত্ৰত দেখিলোঁ। পুথিখন তুলাপতীয়া, পাতবোৰ বৰ বহল। দীঘটো বহলৰ অলপহে বেচি; ধুনীয়া ধুনীয়া চিত্ৰেৰে পুথিখন ভৰা। কিন্তু পুথিখনৰ ২।৪ টা পাত নাই। আইভেঁটি সত্ৰৰপৰা আমি অনন্তৰাম চৰিত্ৰ আৰু সন্তমালা নামৰ দুখন পুথি আলোচনাৰ কাৰণে ৰচিত দি আনিছো।

বটদ্ৰৱা ছোটহিছাত থকা—

১। হৰিশ্চন্দ্ৰ উপাখ্যান … ১৭৩৩ শঁক
২। নাম ঘোষা … ১৬৬৮ "
৩। ৰত্নাকৰ … ৰামচৰণ … ১৮২১ "
৪। সহস্ৰ নাম আখ্যান …



শেষৰ পুথিখন শ্ৰীযুত ভৱচন্দ্ৰ দেৱ মহন্তৰ পৰা আমি ৰচিদ দি আলোচনাৰ বাবে আনিছোঁ।

বটদ্ৰৱা বৰহিছাত থকা—

১। ঠাকুৰ চৰিত … বিদ্যাই ওজা …

বিদ্যাই ওজাৰ ঠাকুৰ চৰিত আমি আলোচনাৰ নিমিত্তে আনিছো। বটদ্ৰৱাৰ বৰহিছাত এখনি নামঘোষা দেখা হল; তাৰ পাতবোৰ বগা। শ্ৰীশ্ৰীসত্ৰাধিকাৰ প্ৰভুয়ে কয় সাঁচিপাতত চলমাটি ঘঁহা বুলি; অন্য এজনা বুঢ়া সত্ৰাধিকাৰে কয় কড়ি শিলত ঘঁহি সাঁচি পাতত লগাই বগা কৰিছে বুলি। পুথিখনি পাঠত থকাৰ কাৰণে আনিব পৰা নহল। পুথিখনত শঁক নাপালোঁ। আখৰবোৰ বিজ্ঞ লোকৰ যেন লাগে; আৰু পদৰ দুই এঠাইত প্ৰকাশিত নোধাৰ পৰা অলপ ব্যতিক্ৰম দেখা যায়। পুথিখন যেনে আছে তেনে ভাবে নকল কৰিবলৈ দি অহা হৈছে। কামটো সত্ৰাধিকাৰ প্ৰভুৰ সম্মুখত হব।

ভোগবাৰী সত্ৰত পোৱা পুথি—

১। কীৰ্ত্তন … ১৬৭০ শঁক

কৰচোং, আইভেঁটি আৰু ভোগবাৰীত যিবোৰ কীৰ্ত্তন দেখিলোঁ সেইবোৰৰ "বেদ স্তুতিত" তিনি অধ্যায় পদ আছে, শেষৰ অধ্যায় "ভৃগু পৰীক্ষা"। শুনা যায় দক্ষিণপাট সত্ৰত থকা কীৰ্ত্তনত ভৃগু পৰীক্ষাৰ পদ তিনি অধ্যায়।

বালিসত্ৰত পোৱা পুথি—

১। নব সিদ্ধ শ্ৰীশঙ্কৰদেৱ … ১৭৯৬ শঁক
২। দশম (আদ্য) " … ১৪৬১ "
৩। পঞ্চৰাত্ৰ সাত্বতন্ত্ৰ (কথা) ভৱদেৱ শৰ্ম্মা ১৭৭৬ "
৪। ভক্তি প্ৰদীপ শ্ৰীশঙ্কৰদেৱ … ১৬৮৬ "
৫। নাম মালিকা … মাধদেৱ … " "
৬। ভাগৱত ১ম, ২য়, ৩য় ৪ৰ্থ, … … "
৫ম, ৬ষ্ঠ, ৭ম স্কন্ধ ভাগৱত … ১৭৩৬ "
৭। অমৰ (সংস্কৃত) … … … "
৮। ৰত্নমালা (আখ্যাত) … … … "
ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ (ব্ৰহ্মখণ্ড, গণপতি, "
প্ৰকৃতি আৰু (শ্ৰীকৃষ্ণৰ জন্মখণ্ড) … ১৬৮৯ "
৯। পঞ্চৰাত্ৰ তন্ত্ৰ বা সাত্বতন্ত্ৰ (পদ্য) লক্ষ্মীনাথ "
১০। জ্যোতিষ ৰত্নমালা (মিহিৰ) … "
১১। ব্যৱস্থা চন্দ্ৰিকা চন্দ্ৰকান্ত … "
২১। (বিভিন্ন ঠাইৰ ব্যৱস্থা থকা) স্মৃতি … "

আৰু ২৫।৩০ খান মান পুথি আনে স্পৰ্শ কৰিব নোৱাৰা ঠাইত আছে; সিবিলাকৰ অশৌচ সেই কাৰণে দেখুৱাব নোৱাৰিলে। অলপতে তাৰ বিবৰণ পঠাব বুলি আমাক প্ৰতিশ্ৰুতি দিছে।

১৪৬১ শঁকৰ দশমখান তুলাপতীয়া আৰু সচিত্ৰ। আখৰবোৰ দেৱ নাগৰপৰা অলপহে বিভিন্ন। বালি সত্ৰৰ পুথিবোৰৰ স্বত্বাধিকাৰী শ্ৰীযুত শিবেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী। তেখেতে কয় ভাগৱতৰ বাকী কেই স্কন্ধও তেখেতৰ ঘৰত আছে আৰু সাহিত্য সভাই সহায় কৰিলে তেখেতে সম্পূৰ্ণ অসমীয়া ভাগৱত প্ৰকাশ কৰিব পাৰে। তেখেতৰ অৱস্থা সজলীয়া কিন্তু অকলশৰীয়া মানুহ; সেই কাৰণে অকলে সমস্ত খৰচ বহন কৰিব নোৱাৰে। তেখেতৰ পুথিবোৰ হস্তান্তৰ কৰিবৰ মন নাই; ইতিপূৰ্ব্বে কেইজন মান খ্যাতনামা লোকে কিছুমান পুথি নি হেনো ফিৰত নিদিলে।

ব্ৰহ্মবৈবৰ্ত্ত পুৰাণখন ত্ৰিশটকা মান দিলে নকল কৰাব পাৰি। তাত কেবা জন ভাল লিখা পঢ়া জনা লোক আছে। স্বত্বাধিকাৰীও শিক্ষিত লোক, তেখেতে নকল কৰাই আৰু মিলাই দিব পাৰিম বুলি গাত লৈছে।

অন্যান্য বস্তুঃ—

(১) মানুহ বেচা কাকত,

আইভেঁটি নসত্ৰত কেবাখনো মানুহ কিনা সাঁচীপাত পালোঁ। তাৰ এখন সাহিত্য সভালৈ অনা হৈছে। যিখন অনা হৈছে তাত লিখা আছেঃ—

'১৭২১ পুষৰ ৪ দিন থকাত কুজ বাৰে। শ্ৰীশ্ৰীকমলেশ্বৰ সীংহ মহাৰাজাৰ ৰাজ্যত মনুষ্যৰ ক্ৰয় বিক্ৰয় কৰে; সলগুৰিয়া সাধু আতা কিনে; লেবেলু সইকিয়া সিদ্ধি ৰৰা ইহতে সমনিতে কুৰি গয়াই বেচে; মোহনক ৰূপ ছটকা॥ অত্ৰাৰ্থে সাখি টঙ্গচু ডেকা কলাই ১ ধুনিয়া টেকেলা ১ বৰফলিয়া পিথু ১ টোপ ১ দুপৰিয়া সইকিয়া বঙদাস ১ চৰাছোৱা জীউৰাম ১ চৰাৰ দলই চাৰৰ ২ নাথ ১ আৰু অনেকো আছিল—অথ আঙ্গুলি

কতপা ॥ | কতপা |

সভাৰৱি তামোল পান, বামৰণ কাকতিৰ তামোল পান গামোছাপন ॥৹॥"

( ২ ) শলগুৰীয়া গোসাঁইৰ ঘৰত পোৱা ডাঙৰীয়া পূৰ্ণানন্দ বুঢ়াগোহাইৰ দেৱানি মোকদ্দমাৰ ৰায় ( তামৰ ফলি )

৺ স্বস্তীশ বিষ্ণু চৰণাম্বুজ মত্ত ভৃঙ্গঃ মৃত্রাম গোত্র কুশ দাবলি পূৰ্ণ চন্দ্রঃ। শ্ৰীমন্মহীন্দ্র কমলেশ্বৰ সিংহ ভূপো বিত্ৰান ন ত্রঁক্ত বিনিন্দিত কল্প বৃক্ষঃ ! নৃপনিকৰ কিৰীটো-দ্দীপ্ত সন্ত্রস্তপদা মদ্যুতি বিসৰ বিৰঞ্জদ্ৰক্ত পাদাম্বুজাগ্রঃ। হৰ হিম কৰ কীৰ্ত্তিঃ কাম সৌন্দৰ্য্য মূৰ্ত্তিঃ স্বনয়চয় মণীষীদত্তি ভূদেৱ তোষী।

১। শ্ৰীমৎ শঙ্কৰ দেৱস্ত বটদ্ৰবা ভিঃ ধানতঃ। স্থানতঃ কলহোদ্ভূতে ভূম্যানা মণি কেতনে ১। শ্ৰীমৎ সলগুৰীয়া ক্ষ নবোতা নাম ধেয়য়োঃ মহতোৰ্ভক্ত বৰ্গেচ বিবিচ্যা ভ্যাস লোকতঃ ১। প্রাচীন ভূপৰাজ্ঞাস্থং সপ্ৰামানং বিবুধাচ পৰাজয়ে নবোয়া ক্ষ মহতো ভূমি বল্লভঃ। ১ শ্ৰীমৎ শলগুৰীয়া ক্ষ শ্ৰীৰাম চৰণেহতী। ত হন স্বচ্ছ সিদ্ধান্তং তাম্র পত্র মদাদিনং ১। এতদ্বিৱৰনং শ্ৰীশঙ্কৰ দেৱৰ বট-দ্ৰৱা স্থানৰ নাম ধৰৱে মৃতিকাৱে পৰা সলগুৰীয়া শ্ৰীৰাম চৰণ আতাৱে নবোআৰ শ্ৰীৰাম দেৱ আতাৱে বিবাদ জন্মিলত ৺ দেৱেকুঠেৰ গঞ্জ ৰাজ মন্ত্ৰি শ্ৰীপূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰিয়াকে সন্দিকৈৰ শ্ৰীভদ্ৰ কান্ত বড় বড়ুৱাকে সুধিৰ দিলত দুয়োজনা ২ দুয়ো মহন্তক সাক্ষাত কৰি সুধি × স্থানৰ ঠাইলৈকো লম্বো দোলাখৰিয়া বড়ুৱাকে চাউডাঙ্গৰ বিষ্ণ সইকিয়াকে বড় বড়ুৱাৰ টেকেলা বড়া চকৰধৰা হেমোদৰকে পঠাই স্থানৰ সমিপৰ মহন্ত ভকত চহৰিয়া দুয়ো ভাগৰ কেৰলিয়া আশ্ৰমি ভকত এই সকলকো একত্র কৰি দুয়োজনা আতাক আগত থৈ সোধাত সেই সকলেও পূৰ্ব্বীয় ৰাজা সকলৰ সিদ্ধান্তা-নুযৰি স্থানৰ মাটিৰ সিমা দেখাই পদসিলা মাটি দুয়ো ভাগে সমে পাই বুলি কলত নবোআ আতা গাত বলৈৰে সজা নাম ধৰটো সলগুৰীয়া আতাৰ ভাগৰ খুটাৰ ভিতৰত মাটি পৰিলত সোৰত নবোআ আতা ঘাটিলত শলগুৰিয়া আতা জিকিলত ৺ বে ডাঙৰিয়া বড়ুৱা সেতে পূৰ্ব্ব সিমনাৰ দৰে মাটি ভাগ কৰি নাম ঘৰ দুয়ো জনাৰ ভাগৰ মাটিত সাক্ষি লবলৈ আজ্ঞা কৰি স্থানৰ মাটি খনিকো দুভাগ কৰি পদসিলাকো দুয়ো ভাগে বান্ধি খুটা সৰাই দি ৺ বে ধৰ্ম্মাৰ্থে শ্ৰীসলগুৰীয়া ৰামচৰণ আতাক স্থানৰ × ভাগৰ × মাটি ভকত খনিয়ে সৈতে তাম্র পত্র কৰি দিলে দুয়ো ভাগৰ মাটিৰ সিমা পূৰ্ব্বে কঠাল পশ্চিমে পুলিসিমলু উত্তৰে কেলিকদম্ব দক্ষিণে কঠাল দুয়ো ভাগে মাটিৰ জোখ ৭ হতিয়া টাৰেৰে দীঘে ১৯ বেং প্ৰস্থে ৯ দা আতে মাটি ১৶/১৮৮ পুং আৰে সলগুৰিয়া আতাৰ দক্ষিণ ভাগে মাটি ৶/১০৮৮৵ নবোআ আতাৰ ভাগে উত্তৰ ফালে ৶/১০৮৮৵ শ্ৰীসলগুৰিয়া আতাৰ ভাগৰ স্থানৰ ভকত কেৰলিয়া

ব্ৰাহ্মণ ৰাম ৰাম গুৰুৰ নাতি।

জটিয়া বাসুদেৱ
কানু ৰাম
কমল নয়ন
ব্ৰহ্মচাৰি দেউৰি
স্বধন দেউৰি
জইয়ালদৰা
পূৰ্ণা দেউৰি
সৰ্ব্ব জই
ৰাম জয়
কন্দলি
মিচিৰ কাংসি
বিকো বিৰভদ্ৰ
মধুকৰ
কলিতাৰ কালিৰাম
খোৱাৰ ভকট চৰণ
গঙ্গাৰাম
ৰামচৰণ নামলোগোৱা
নাৰায়ণ বৰাগি
তপশি বনমালি
ৰামচৰণ পেটাল জগন্নাথ
সুকুমল কোমল লোচন
বিকাৰাম গোবিন্দাই



কেয়োটৰ আহকাল
নৰহৰি জইমধুৰাম
কোচৰ গোপাল বৰাগি
আশ্ৰমিৰ লক্ষণৰ পূং ব্ৰাহ্মণ
খাটনিয়াৰ জন্মি।
ফটিকৰ পুংহোকো পুৰোহিত
দুৰ্গা
কলিতাৰ সটানন্দ পাঠেকৰ পুতেক কেকেঁটু
মঙ্গয় ওজা ধঞ্জয় গায়ণ
বনমালি গায়ণৰ পূং গোপিনাথ
সুত্ৰধাৰ।
সভাই বায়ণ ত্ৰাহি ওজা
অভইৰ পূং কান্দুৰা
হৈনাহৰ পূং ৰামনাথি
জইনাথি
কোমল লোচনৰ পূং কমলা বায়ণ
সুগ্ৰীবৰ পূং অঙ্গদ
নাৰায়ণৰ পূং নিৰণ, চীৰাম
খোঙ্গেনাৰ পূং লোচন
খোনা কলিতাৰ পূং ৰামজুৰ
সক কলিতাৰ পূং সুকুমল বায়ণ
জইৰাম গায়নৰ পূং জই কৃষ্ণ
লক্ষি কৃষ্ণ
হৰি জইৰ পূং জই
গদাধৰৰ পূং গোবিন্দ বৰুআ
নমল দেৱাই
কৰুণা গায়ণৰ পূং দাম্মামই
কেশ জগন্নাথ
মাধ গায়ণৰ পূং মনীৰাম
নিজমৰ পূং শ্ৰীহৰিহাটিমতা
পেপা বোআৰ পূং বিজই
অম্বৰিসৰ পুত্ৰ ভোগাই
কেওট ভূষণ বায়ণৰ পুং
মধু, ৰহুৰাম, পৰ্ব্বৰাম.
কমললোচনৰ পূং বিৰোচণ
ভেবেলা ৰাম চৰণৰ পূং লেবেলা
দিঘলাৰ পূং আনাদৰ
কলিয়াৰ পূং ৰামজই
কোছৰ মনহৰি হাটি মতাৰ পূং
অকৰা খাটনিয়াৰ হলো
নাৰয়ণৰ পূং ভোগাই
৺ সভাইৰ পূং লুটুকি
পৃথুৰী পৰিয়াৰ পূং বিকো
মোহনৰ পূং সিদ্ধিৰাম
মধুৰ পূং ভকত চৰণ, হৰিচণ
চিৰামৰ পূং কেকাই
জুগিৰ হৰিজয়ৰ পূং জই
মূৰ্ত্তি গোসাইৰ বৰুআ নৰহৰিৰ পূং
পৰান জই
চিৰহৰি আটাৰ খাটনিয়াৰ ঐচুাত
কৃষ্ণৰাম পদসিলাৰ বৰুৱা
ডোমৰ মধুৰ পুতেক মঙ্গয়
পেলনৰ পুতেক টকৰ
সতাইৰ পুতেক বিকা
তস্য
বিকাইৰ পুতেক আচন্দা
আলিচাৰৰ পুতেক ভেকোন্দিৰ
পুতেক
পানি মতিৰ
ফেদেলাৰ পুতেক মহু

।

১১

১০১

এই ভকত সকল সমস্থিতে শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম প্ৰবৰ্ত্তি প্ৰবৰ্ত্তাই শ্ৰীশ্ৰী৺৺ক আশিৰ্ব্বাদ কৰি পুত্ৰ পোত্ৰাদি ক্ৰমে ভোগ কৰি থাকিব ইহাত কোনো জনে অন্যথা নকৰিব ইতি শক ১৭২১ অসৌ মহীন্দ্ৰঃ সমক্ষাচত্ৰেদং কৃতাঞ্জলি ৰ্জাৰি নবেন্দ্ৰ বৰ্গাণ। বৃত্তি বিভীয়া মহতে মহৈষা পাল্যা ভবদ্ভিঃ কৃতিভিঃ কৃতজ্ঞেঃ এতদৰ্থ কমাসামাক্ষৰমপৰ পৃষ্ঠে। ১। ১। ১। ১। ১

ফলিখনৰ মাপ ২´২´´×১´৬´´; গুৱন চাৰি সেৰৰ বেচি। কলিৰ অপৰ পৃষ্ঠাত আহোম আখৰেৰে লিখা আছে। এই আখৰবোৰ সৰু আৰু অতি ধুনীয়া।

( ৩ ) বালিসত্ৰত এটা ডাঙৰ কাঁহৰ ঘণ্টা দেখা হয়। তাত লিখা আছে—

"শ্ৰীগোবিন্দ পদাৰবিন্দ মকৰন্দ মধুব্ৰত কলাইঙ্কৰাই টঙ্গিয়া ফুকণো বৈকুণ্ঠ নাথায় প্ৰাদাৎ ঘণ্টামম্বৰ ৰস ভৰ্কেন্দু শাকে॥"

টঙ্গিয়া ফুকন কোন কব নোৱাৰোঁ। হৰি নাৰায়ণ আতাকৃত ঠাকুৰ চৰিত্ৰত আছে:—

তাত পাছে আইলা ছয়ে ফুকণ তহিতে।
নানা উপায়নে নিজ প্ৰজা সমম্বিতে॥
এহি মতে মহাজন সকলে তাহত।
দিনাসাত উৎসৱ মিলিলা প্ৰতিনিতে॥
উঠি আগে পাছে কোলে মাথাৰ উপৰে।
তাল ঘুৰাই নাম গাস্ত মহন্ত ঠাকুৰে॥
টঙ্গচু ফুকণে তেতে শৰণ পাশিলে।
অনেক সম্ভাৰ বস্ত্ৰ ঠাকুৰক দিলে॥

"ঠাকুৰ" শব্দে নৱোৰাৰ উপৰি পুৰুষ দামোদৰ ঠাকুৰ আতাক বুজাইছে। এৰা ১৬২৬ খৃঃ অব্দত উপজিছিল আৰু ১৬৬২ খৃঃ অব্দত প্ৰয়াণ কৰিছিল। অধিকাৰী পদ পাইছিল ১৬৫১ খৃঃ অব্দত; গতিকে ১৬৫১ খৃঃ অব্দৰ পৰা ১৬৬২ খৃঃ অব্দৰ ভিতৰৰ টঙ্গচু ফুকণ। এই সময়ত জয়ধ্বজসিংহ ৰজা; এইজনা ৰজাৰ দিনৰ বিষয়া সকলৰ নাম সম্পূৰ্ণমতে জানিব পাৰিলে "টঙ্গচু" নে? "টঙ্গিয়া" সেইটো স্থিৰ কৰিব পাৰা হয়। আমাৰ অনুমান টঙ্গিয়াকে চৰিত্ৰ কাৰকে "টঙ্গচু" কৰিছে।

( ৪ ) বালিসত্ৰত থকা বৃহৎত কাঁহত লিখা আছে:—

"নৱোৰাঙ্কস্থ সত্ৰস্থ শ্ৰীং কীৰ্ত্তণ গেহকং।
শৰীৰাৰোগ্য কাননে তস্যৈচ আয়ুস বৃদ্ধয়ে।
শ্ৰীমহীধৰ নাম্না বেদস্থঃ বুঢ়া গোহায়িনা॥
বসা বাহ্যং বৃহৎ কাংস্যং শাকে সপ্ততু নৈহকে।
আশ্বিনাং পৌৰ্ণমাসক্ষ বাসৰে দ্বিজ ৰাজকে॥
মানস্য শিত্যাদিকক্ষ চতুঃ শতক্কতোলকা।

এই মহীধৰ বুঢ়াগোহাইৰ কথাও বৰ্ত্তমান আসাম বুৰঞ্জীৰ পৰা জানিবৰ উপায় নাই। বালিসত্ৰকে নৱোৰা বুলিছে। বটদ্ৰবাৰ ছোট হিছা আৰু আইভেতি নসত্ৰ শলগুৰীয়া ভেদৰ। বটদ্ৰবাৰ বড়হিছা বালিসত্ৰ কুঁজীসত্ৰ নৱোৰা ফেদৰ। এই সম্বন্ধে আমি পাচত বহলাই লিখিম।

আৰু অলপ কথা নিলিখিলে আমাৰ কথাৰ সামৰণি নপৰে। আমি যি যি ঠাইলৈ গৈছিলোঁ সকলো ঠাইতে আমি পুত্ৰবৎ স্নেহ ভাতৃবৎ সাদৰ পাইছিলোঁ। শ্ৰীশ্ৰী-কৰচোং সত্ৰাধিকাৰ প্ৰভুয়ে তেখেত হাতীটো দুদিন আমাক লৈ ফুৰাবলৈ দি আমাক সহায় কৰিছিল।

ভেতিয়নি সত্ৰৰ সোদৰোপম বন্ধু শ্ৰীযুক্ত যজ্ঞেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী দেৱে পাঁচ দিন একেলানীয়ে আমাৰ লগত ফুৰি অশেষ কষ্ট ভোগ কৰিছিল; ইয়াৰ উপৰি তেখেত ঘৰত আমাক দুদিন ৰাখি দেৱতাক শুশ্ৰূষা কৰাৰ দৰে আদৰ অভ্যৰ্থনা কৰি অতিথি সৎকাৰৰ যি দৃষ্টান্ত দেখুৱাইছে তাক আমি জীৱিত কালত পাহৰিব নোৱাৰিম। সেই দুদিন আমি নিজা ঘৰত ভাই-ভনীৰ মাজত বাস কৰাৰ দৰে পাইছিলোঁ। গোস্বামী দেৱৰ হাতত তিনিখান ঠাকুৰ চৰিত আছে; এখান বিদ্যাই ওজা কৃত, এখান হৰিনাৰায়ণ আতা কৃত আৰু আন খন দ্বিজভূষণে ৰচা। তিনিওখান ঠাকুৰ চৰিত এৱাই নকল কৰিব ধৰিছে। নকল কৰা হৈ উঠিলে মূল পুথি তিনিখান আৰু কপি সাহিত্য সভালৈ পঠাম বুলি স্বীকাৰ কৰিছে। সভাই চাই দিলে তেখেতে নিজ ব্যয়ৰে তাক প্ৰকাশ কৰিব। আমাৰ বোধে গোস্বামীদেৱে এইদৰে কামটো কৰিলে সাহিত্য সভাই তেখেতক আংশিক পৰিমাণে সহায় কৰা উচিত হব।

আমাৰ আত্মীয় শ্ৰীযুত চন্দ্ৰধৰ দেৱ মহন্ত আৰু শ্ৰীযুত গোপালচন্দ্ৰ দেৱ মহন্ত দুয়েও পুথি বিচৰা কামত আমাক বহুত সহায় কৰিছিল। আমাৰ কাৰ্য্যৰ সহায়কাৰী সকলো ভাই-বান্ধৱক আমাৰ কৃতজ্ঞতা জনালোঁ।

শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা।

# "গোৱালপাড়া ডিষ্ট্ৰিক্ট এছোছিয়েছন"ৰ হাকামা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণৰ বিষয়ে একাষাৰ *

বন্ধুসকল!

"গোৱালপাড়া ডিষ্ট্ৰিক্ট এছোছিয়েছনৰ হাকামা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ" সভাপতি শ্ৰীযুত চক্ৰৱৰ্ত্তী মহাশয়ৰ অভিভাষণ পুস্তিকা এখন আমাৰ হাতত পৰিছে। অতি আগ্ৰহেৰে আমি অভিভাষণখনি পঢ়িলোঁ; কাৰণ গুৱালপাৰ আমি অসমীয়াৰ আৰু আমি অসমীয়াও গুৱালপাৰৰ। ভাবিছিলোঁ সুযোগ্য সভাপতিয়ে যেতিয়া আমাৰ এনেহেন গুৱালপাৰৰ মঙ্গলামঙ্গলৰ বাতৰি বাইজক জনাইছে আমিও সেই সুখ-দুখৰ খাতাৰ শুনি-ভণি কৃতাৰ্থ হম্‌হঁক। কিন্তু অ হৰি! কি নিৰাশাৰ কথা। তেওঁ দেখো আমাৰ বুকুতে বৰ কুঠাৰ মাৰিবলৈ কুঠাৰত ধাৰ দিছে, আৰু গোটেইখন কিবা আঁহকলা কথা কৈছে!! চক্ৰৱৰ্ত্তী মহাশয় নিজে বঙালীনে অসমীয়া কব নোৱাৰো,— বঙালী হলে বিশেষ দুখৰ কথা নাই; কাৰণ গুৱালপাৰখন আমাৰে সৈতে কচ্ছা-আজোৰা কৰিবলৈ তেওঁলোকৰ কিছুমানে সদায় হাত মেলিয়েই আছে; আৰু এৰোঁ "একে গছৰ পাণ, সি কি হব আন?" তাকে ভাবি মনত সান্ত্বনা লভিম। কিন্তু যদিহে এওঁ বঙলুৱা বেমাৰগ্ৰস্ত অসমীয়া তেন্তে আমাৰ দুখ আজি থবলৈ ঠাই নাই। তেওঁ কয়, গোৱালপাৰখন হেনো বঙালৰ দেশ; আৰু তাৰ মানুহবোৰো হেনো বঙালী। এই দুখন টুলুঙা নাৱৰ ওপৰত ছুটা ভৰি দি তেওঁ অসম আইৰ বুকুৰপৰা গুৱালপাৰখন কাঢ়ি নি বঙ্গদেশৰ ভৰিৰ তলুৱাত থোৱা দিব খুজিছে। আকৌ দোহাৰি কওঁ যে চক্ৰৱৰ্ত্তী মহাশয়ৰ কথাৰূপী গোন্ধৰ গচ্‌ দেখিলে, তেওঁক কিন্তু বঙালী চিকাৰী বিৰলী যেন হে লাগে। যদিহে আমি ভবাটো নহয়, তেন্তে তেওঁক আমি চুলচুলীয়া চকুৰে কওঁ যে তেওঁৰ নিমিত্তে আমি বৰ দুখিত। তেওঁ আমাৰ গুৱালপৰীয়া অসমীয়া ভাই-ককাইহঁতক লগ ধৰি বিভিয়াই মাতিছে, যে হয় গুৱালপাৰখন তেওঁৰে সৈতে ধৰি চোচোৰাই নি বঙ্গৰ গঙ্গাত পেলাব লাগিব, আৰু জীয়াই জীয়াই নিব নোৱাৰিলে, মৃতকৰ অস্থি ফেৰাও অন্ততঃ যেন গঙ্গাত লাগে এনে এটা দিহা কৰিব লাগিব, নহয় কি কৰিব লাগিব, সেইটো তেওঁ এতিয়ালৈকে খুলি কোৱা নাই। কোনে জানে, শেষত জবী আৰু কলহ কিনিবলৈ সকলো গুৱালপৰীয়াই ধৰমুৰি তেওঁক পাইটো পইচাটো দিবলৈকো মাতিব পাৰে।

অভিভাষণৰ সভাপতি মহাশয়ে সভাৰ কাৰ্য্যাৰম্ভৰ পূৰ্ব্বতে ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰি সভ্য সকলক অভ্যৰ্থনা কৰি ঔতাই হাকামা গ্ৰামৰ সংক্ষিপ্ত বিৱৰণ দিছে। অতি সুন্দৰ কথা। তেওঁ হাকামা নামৰ উৎপত্তিৰ সম্বন্ধে কৈছে—"হা=হত, কামঃ যস্যাঃ" অৰ্থাৎ যি পল্লীৰ অধিবাসীবৃন্দ কামনা শূন্য বা নিষ্কাম। আনেও হেনো এনে অৰ্থকে সম্ভৱ বুলি মত প্ৰকাশ কৰিছে। গতিকে আমাৰো এই অৰ্থত আপত্তি কৰিবলৈ বিশেষ একোটো থকা

* ধুবুৰী সাহিত্য সন্মিলনত পঠিত।

উচিত নাছিল ; কাৰণ তেওঁ যি নিকাম গ্ৰামত ৰহি আহ-কলা কথাবোৰেৰে গুৱালপৰীয়া অসমীয়াক বাকী ডোখৰ আসামৰ অসমীয়াৰ বিপক্ষে উদগাইছে, সেইবোৰ নিকাম ধৰ্ম্মৰেই লক্ষণ বুলি ধৰি লব লাগিছিল। যি হওক অলপ কালৰ কাটি গৈ এই খিনিতে তাহানিৰ মোৰ লৰা কালৰ কথা এটা মনত পৰিছে— কওঁ ; যদিও সেইটোৰ উল্লেখ ইয়াত ৰঙালীয়ে কৰৰ নিচিনা ঠিক "ধান বানোতে শিবৰ গীত।" মই তেতিয়া শিৱসাগৰত। এদিন ফুৰিবলৈ যাওঁতে আলিৰ কাষতে এটা নোকোহা মানুহে খেৰ কাটি থকা দেখিলোঁ। মানুহটো আমাৰ শিৱসাগৰৰ ফালৰ নহয় যেন লাগিল। ওচৰ চাপি গৈ তাক সুধিলো "ককাই তই কৰ মানুহ ?" সি মোৰ মুখলৈ চাই উত্তৰ দিলে "থৰি হাদং।" মই কথাষাৰৰ মানে বুজিব নোৱাৰি ভাবিবলৈ ধৰিলোঁ। তেতিয়া মই ন-কৈ সংস্কৃত পঢ়িছিলো, আৰু সকলো শব্দকে সংস্কৃতলৈ টানি আনি তাৰ সংস্কৃত ধাত্বৰ্থ উলিয়া বাযুৰে মোক ধৰকৈ পাইছিল। ভাবিলোঁ হাদং শব্দটোত অনু-স্বাৰ লাগি আছেই যেতিয়া সি আৰু পলাব নোৱাৰে, সি ধৰা পৰিল, নিশ্চয় সংস্কৃত। খোজকাঢ়ি গৈ অলপ পৰৰ পাচতে পালোঁ হা মানে হত, দং মানে দৰ্প। অৰ্থাৎ মানুহটো হতদৰ্প অৰ্থাৎ দৰ্প-শূন্য সাধু মানুহ। কিন্তু এতিয়া থৰি শব্দটোৱে মোৰ কালক খালে। থৰি মানে কি ? সেই কালত মই দুখন কি এখন বৌদ্ধ ধৰ্ম্মৰ বিষয়ে কিতাপো সংগ্ৰহ কৰি পঢ়িছিলোঁ। এখনৰ নাম আছিল "থেৰি গাথা।" হঠাৎ মোৰ মনত বিজুলীয়ালে এই মানুহটো বৌদ্ধ। সেইদেখি সি নিজক দৰ্পশূন্য বুলি চিনাকী দিছে। আবিষ্কাৰৰ আহ্লাদত মই এটা জাপ দিলোঁ। মাটিডোখৰ পিচল আছিল। ফলত ধৰণী তলে "পপাত" অৱশ্যে "মাৰাব"টো বাদ।

অভিভাষণৰ সভাপতিয়ে ক্ষমা কৰিলে কওঁ যে হাকামা শব্দটো বড়ো ভাষাৰ শব্দ। বড়োজাতীয় লোকৰ ৰাজত্ব আৰু প্ৰাধান্য গোটেই অসম জুৰি অনেক কাল আছিল। অসমৰ নৈ, ঠাই প্ৰভৃতিত আজিও সেই চিন মচ্‌ খোৱা নাই ; যদিও সংস্কৃতীয় পণ্ডিতসকলে সেইবোৰত সংস্কৃত লেখনি বুলাই তাৰ আকৃতি সংস্কৃতীয়া কৰিবলৈ চেষ্টা কৰিছে। দিখৌ, দিহিং, দিক্ৰ, দিহং, দিৰং, দিচাং, দিপাং, দিমলা প্ৰভৃতি নৈৰ নামৰ আগত বড়ো "দি" অৰ্থাৎ নৈয়েই সেইটোৰ এটা প্ৰমাণ। বড়ো-জাতীয় ৰজাৰ শাসন আৰু বড়ো সভ্যতাৰ তলত একালত গোটেই অসম দেশ যে পৰিবৰ্দ্ধিত আৰু পৰিশোভিত আছিল, এই কথা বুৰঞ্জীবিজ্ঞসকলে জানে। ত্ৰিপুৰা আৰু কোচ বিহাৰে যি দুখন প্ৰদেশ একালত অসম কামৰূপৰ এক অঙ্গ আছিল, আজিও বড়ো জাতিৰ গৌৰৱ-নিছান ওখ কৰি ৰাখিছে। আন কি, এদিন সুৰমা উপত্যকাতো বড়োৰ বিজয়-পতাকা সগৌৰৱে সদৰ্পে উৰিছিল। আজিও অসমৰ সৰহভাগত আৰু উত্তৰ পূৰ্ব্ববঙ্গত বড়োভাষাৰ অৱশিষ্ট প্ৰভাৱ লক্ষ্য কৰিলে এইটো সিদ্ধান্তলৈ নাহি নোৱাৰি যে একালত এইবোৰ ঠাই বড়ো সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। মিষ্টৰ গেইটে এই কথাকে তেওঁৰ বুৰঞ্জীত কৈছে :— "Having regard to their wide distribution, and to the extent of country over which Bodo Languages of a very uniform type are still current, it seems not improbable that at one time the major part of Assam and North East Bengal formed a great Bodo Kingdom."

গুৱালপাৰ জিলাৰ সংক্ষিপ্ত ইতিবৃত্ত দিওতে অভিভাষণৰ সভাপতিয়ে কৈছে— "কাল্পনিক



পৌৰাণিক কামৰূপ ৰাজ্যেৰ সীমা— কৰতোয়া নদী হইতে দিক্ৰাই নদী পৰ্য্যন্ত অৰ্থাৎ বঙ্গদেশেৰ ৰংপুৰ, জল-পাইগুৰী ও বগুৰা পৰ্য্যন্ত বাদ দিয়া ঐতিহাসিক যুগে আসিলে আমৰা দেখিতে পাই এই জিলা বঙ্গেশ্বৰ হোসেন সাহাৰ সময় (১৪৯৮খৃঃ) হইতে বঙ্গদেশেৰ শাসনাধীনে ছিল।"

সভাপতিয়ে ১৪৯৮ খৃষ্টাব্দৰ আগৰ ডোখৰ কাল্পনিক পৌৰাণিক বুলি কলমৰ একেটা খোচতে বাদ দি চৰাচৰ জগতক বৰ মস্কিলত পেলাইছে। ১৪৯৮ খৃষ্টাব্দৰ আগৰ ছোৱা, অথবা বৃটিছে ভাৰতৰ শাসন দণ্ড হাতত লোৱাৰ আগৰ ডোখৰ কাল্পনিক, সেই দেখি অবিশ্বাস্য, বুলি বাদ দিলে আমি কিন্তু নিগমে বুৰিলো ; সভাপতিয়ো যে দুবুৰি সাবিব এনে আশা নাই ; কাৰণ তেনেহলে আমাৰ লগতে তেওঁৰো "কুল কিনাৰা" সোপাই হেৰাব।

ৰামায়ণত ৰঘুৰ দিগ্বিজয়, মহাভাৰতত প্ৰাগ-জ্যোতিষৰ ভগদত্তৰ থকা বাদ দিব লাগিব, কাৰণ সেইবোৰ পৌৰাণিক কাল্পনিক,— চক্ৰবৰ্ত্তী মহাশয়ৰ আদেশ। বিষ্ণু পুৰাণত আৰু কালিকা পুৰাণত যে কৈছে যে কামাখ্যা মন্দিৰক সোঁ মাজত লৈ চাৰিউফালে থকা কামৰূপ ৰাজ্য চতুৰ্দ্দিশে এশ যোজন, অৰ্থাৎ ৪৫০ মাইল জুৰি,—যাৰ সম্পৰ্কে গেইট চাহাবে সিদ্ধান্ত কৰি কয়— "Allowing for exaggerations this may be held to embrace the whole of the new province of Eastern Bengal & Assam and also Bhutan." সেই কথাও উৰাই দিব লাগিব, কাৰণ সি কাল্পনিক পুৰাণৰ কথা।

যোগিনীতন্ত্ৰত যে "কৰতোয়াং সমাৰভ্য যাৱদ্দিক্কৰবাসিনী" বুলি কামৰূপৰ চাৰি সীমাৰ কথা কৈছে, যাৰ ভিতৰত, বেচেৰা চেৰেলা গুৱালপাৰৰ তো কথাই নাই, ব্ৰহ্মপুত্ৰ উপত্যকা, ভুটান, ৰংপুৰ আৰু কোচবিহাৰো পৰি যায়, সেইটোও "ফেক্‌-দাল্‌ নে হোগা" কাৰণ সি তন্ত্ৰৰ কথা, কাজেই কাল্পনিক, কাজেই অবিশ্বাস্য।

মুছলমান বুৰঞ্জীলেখক ফিৰিষ্টাই যে লেখিছে যে উত্তৰ ভাৰতত এজন ডাঙৰ ৰজা আছিল, তেওঁৰ নাম কেদাৰ ব্ৰাহ্মণ। কেদাৰে কৰতোয়াঁৰ পূৰফালৰ ৰজা অৰ্থাৎ কামৰূপৰ ৰজা শঙ্কলাদিৰেৰে সৈতে কেইবাখনো যুদ্ধ কৰি হাৰিছিল। আৰু যে লেখিছে, শঙ্কলাদিৰে প্ৰথমতে বঙ্গ জয় কৰে ; তাৰ পিচত বিহাৰ, আৰু তাৰ পিচত কেদাৰ ৰজাক কেইবাখনো যুদ্ধত হৰুৱায় ; শঙ্কলে গৌৰ আৰু লক্ষ্মণাৱতী নামৰ নগৰ স্থাপন কৰে, আৰু সেই লক্ষ্মণাৱতী পিচত বঙ্গদেশৰ অনেক ৰজাৰ ৰাজধানী হৈ দুহেজাৰ বছৰ আছিল ; শঙ্কলাদিৰৰ ৪০০ হাতী, একলাখ অশ্বাৰোহী আৰু চাৰি লাখ পদাতিক সেনা আছিল ; টুৰান বা স্কাই-থিয় ৰজা আফ্ৰছিয়েবে ৫০,০০০ মঙ্গল সৈন্য লৈ শঙ্কলাদিৰক আক্ৰমণ কৰে ; কোচবেহাৰৰ ঘোৰা-ঘাট পৰগণাত সেইখন ডাঙৰ যুদ্ধ হয়, তাত শঙ্ক-লাদিবে জয় লাভ কৰে ; যদিও শেহত শঙ্কলাদিৰ আফ্ৰছিয়েবৰ হাতত বন্দী হয়, ইত্যাদি আৰু ফৰ্দোছিয়েও তেওঁৰ অমৰ কাব্যত শঙ্কলাদিৰৰ কথা লেখিছে, আৰু সেই ঘটনা খৃষ্টীয় চতুৰ্থ শতি-কাত ঘটে। গুৱালপাৰ জিলাখন তেতিয়াও কাম-ৰূপ ৰাজ্যৰ ভিতৰতে আছিল, কাৰণ কোনো বঙ্গীয় হলধৰ সাহিত্যিকে হল বা নাঙলেৰে তাক খানি তুলি নি বঙ্গদেশৰ ভিতৰত ১৪৯৮ খৃষ্টাব্দলৈকে লুকায় থোৱাটো আজিলৈকে কতো আমি পঢ়িবলৈ পোৱা নাই। কিন্তু, "হোনেসে ক্যা হোগা ভাই ?" সেইটো "বদি বাত্‌"। কাৰণ সেইবোৰ ১৪৯৮ খৃষ্টাব্দৰ আগৰ। এইখিনিতে লাহেকৈ আপোনামকলৰ কাণ চুৱাই থওঁ যে

পাৰস্য দেশৰ ... হাৰী কবি আৰু কাল্পনিক কথা লেখা ঐতিহাসিক কল্পনাৰ জালৰ যেওটো সিন্ধুৰৰ পশ্চিমফালৰ ইমূৰৰ পূৰত মাৰিছিল কিয়, যোনোনাই ক... পাৰেনে?

খৃষ্টীয় সপ্তম শতিকাৰ আগছোৱাত কামৰূপৰ বিখ্যাত ৰজা ভাস্কৰবৰ্ম্মাই চীন পৰিব্ৰাজক হিয়েন্‌চাঙক কামৰূপলৈ মাতি আনিছিল। হিয়েন্‌চাঙে পৌণ্ড্ৰবৰ্দ্ধনৰপৰা ১৫০ মাইল পূবফালে গৈ এখন ডাঙৰ নৈ অৰ্থাৎ কৰতোয়া পাৰ হৈ কামৰূপত ওলাইছিলহি। কামৰূপৰ পৰিধি তেতিয়া প্ৰায় ১৭০০ মাইল আছিল। সেইদেখি এইটো নিশ্চয় যে তেতিয়া তাৰ ভিতৰত আজিকালিৰ গোটেই আসাম, ভূটান, উত্তৰ-বঙ্গ আৰু মৈমনসিংহৰ এডোখৰ পৰিছিল। আৰু সেই কামৰূপ ৰাজ্য ওচৰচুবুৰীয়া পৌণ্ড্ৰবৰ্দ্ধন আৰু সমতট ৰাজ্য দুখনতকৈ অনেক গুণে ডাঙৰ আছিল; কাৰণ হিয়েনচাঙে লেখিছে যে সেই দুখনৰ ভিতৰত এখনৰ পৰিধি ৭০০ মাইল আৰু আন খনৰ পৰিধি ৫০০ মাইল মাথোন। সেইদেখি আসাম কামৰূপৰ ভিতৰত যে চক্ৰবৰ্ত্তী মহাশয়ৰ গুৱালপাৰাখন তেতিয়াও আছিল, এই কথা ওলাই পৰে। অসমৰ বুৰঞ্জীলেখক গেইটে আকৌ একাঠী চৰাই কয় যে সেই কালত খুব সম্ভৱ, কামৰূপ ৰাজ্যৰ ৰাজধানী গুৱালপাৰত নাইবা কোচবেহাৰত আছিল, নাইবা ৰংপুৰত আছিল— "It would thus seem that at that time the capital was somewhere further west either in the Goalpara District or the Kochbihar state, or in the north-east of Rangpur" যিহওক, এইবোৰ যেতিয়া ১৩৯৮ খৃষ্টাব্দৰ আগৰ কথা, চক্ৰবৰ্ত্তীৰ খাতিৰত কব লাগিব, কাল্পনিক; গতিকে বিশ্বাসৰ অযোগ্য।

হিয়েনচাঙৰ কালৰ পিচতো কত বংশৰ কত ৰজাই কামৰূপত ৰাজত্ব কৰিলে তাৰৰ ফলি পৰ্ব্বতৰ শিলৰ গাত কটা ফলি আবিষ্কৃত কত তাৰ প্ৰমাণ দিব লাগিছে; কিন্তু গুৱালপাৰা জিলাখন বিলাতৰ ৰজা চাৰ্লছৰ কটা মূৰটোৰ দৰে ঘূৰি ঘূৰি তাৰ ভিতৰতে ওলাই থাকি আৰু আহুকাল দিবলৈ নেৰে। কিন্তু দিলেই বা, "তথাপি সিংহঃ পশুৰেব নান্যঃ।" অৰ্থাৎ তথাপি সি ১৪৯৮ খৃষ্টাব্দৰ আগৰ। অতএব "বিশ্বাসো নৈব কৰ্ত্তব্যম্।"

সুৱালকুচি আৰু ৰৰগাৰত পোৱা তামৰ ফলিত লেখা নৰকাসুৰৰ বংশোদ্ভৱ অসমৰ পাল ৰজা ইন্দ্ৰপালে খৃষ্টাব্দৰ দ্বাদশ শতিকাত ব্ৰহ্মপুত্ৰৰ পাৰত দুৰ্জ্জয় দুৰ্গ আৰু ৰাজধানী স্থাপন কৰি প্ৰবল প্ৰতাপেৰে ৰাজত্ব কৰি গুৰ্জ্জৰ, গৌৰ আৰু কেৰলা দেশৰ অধিপতিসকলেৰে সৈতে যেতিয়া সংগ্ৰাম কৰি কামৰূপ ৰাজ্যৰ যশস্যা সৌৰভ চাৰিও দিশে বিস্তীৰ্ণ কৰিছিল, তেতিয়াও গুৱালপাৰখন কামৰূপৰ বুকুৰ ভিতৰতে আছিল। অৱশ্যে হাকামাৰ সভাপতিৰ কনৰ হক আছে যে "থাকিছিল যদি থাকিছিল, তাত কি? তেনেকৈ কথাটো গুৱালপাৰৰ পক্ষে নিশ্চয় অভদ্ৰতা হৈছিল; নথকাটোৱেই উচিত আছিল। আৰু সেই থকা নথকাটো ১৪৮৯ খৃষ্টাব্দৰ পূৰ্ব্বে ঘটিছিল যেতিয়া সি irrelevent and inadmissible অৰ্থাৎ অপ্ৰাসঙ্গিক আৰু অগ্ৰাহ্য।"

প্ৰায় ১১৯৮ খৃষ্টাব্দত মহম্মদ বক্তিয়াৰ খিল্‌জিয়ে কামৰূপ ৰাজ্য আক্ৰমণ কৰিবলৈ আহি, হাৰাশাস্তি হৈ কোনোমতে প্ৰাণটি হাতত লৈ উভটি পলাই গৈছিল। আচৰিত কথা যে তেতিয়াও কামৰূপৰ পশ্চিম সীমা কৰতোয়া নৈ আছিল। কিন্তু তাৰ ভিতৰত গুৱালপাৰ জিলাখন আছিল নে নাই, চালিচে বিচাৰ কৰক। সেই চালিচৰ ওপৰত



দৰকাৰ পৰিলে, সভাপতি চক্ৰবৰ্ত্তী, মহাশয়ক umpire অৰ্থাৎ মধ্যস্থ পাতিবলৈ আমি 'ভোটকে' লাগে যদি দিব পাৰো। যি হওক সেই দুৰ্ঘটনা যেতিয়া ১৪৮৯ খৃষ্টাব্দৰ আগেয়ে ঘটি আছিল, পোনচাটেই উৰাই দিলে নো কাৰ ক'ত দায় লাগিব?

১২২৭ খৃষ্টাব্দত বঙ্গদেশৰ নবাব ঘিয়াচুদ্দিনে আসাম আক্ৰমণ কৰি ব্ৰহ্মপুত্ৰইদি উজাই গৈ সদিয়া পাইছিলগৈ। তেওঁ ভোটা হৈ উভতি পলাই গল বুলি বুৰঞ্জীয়ে কয়। তেতিয়াও বেচেৰা গুৱালপাৰ ডোখৰে কামৰূপ ৰাজ্যৰ ভিতৰতে অকাৰণত থাকি ভদ্ৰলোকক আহুকালত পেলাইছিল। এতেকে গুৱালপাৰখন কম ডুকত নহয়, গুৱালপাৰৰ কোনো "মেজাজৰ" ঠিক নাই। গল্প শুনিছিলো, তাহানি এটা "গুলিখোৰে" ৰাতি কলিকতাৰপৰা হাওৰালৈ যাবলৈ আহি আহাৰীটোলা ঘাটত গঙ্গাখনে বাট ভেটি থকা পালে। গঙ্গাই ৰপুৰাক বাট এৰি দিব বুলি সি পাৰতে পুৰতীয়া নিশালৈকে ৰহি আছিল। শেহত গঙ্গাই কেৰেপকে নকৰা দেখি সি এই বুলি উঠি উভটি গল:— "ভগীৰথৰ কি অন্যায়। ৰাতি ভদ্ৰলোকক এইদৰে বাট ভেটি ধৰিবলৈ গঙ্গাক নমাই আনি লগাই দিয়ে!" বন্ধুসকল! আমি কওঁ এইটো সঁচা কথা; কাৰণ আমি জানো, এই ঘটনা ১৪৯৮ খৃষ্টাব্দৰ পিচত ঘটিছিল। এতেকে নিকপ্‌কপীয়াকৈ সঁচা।

১২৭৮ খৃষ্টাব্দত টুগৰিল খাই কামৰূপ আক্ৰমণ কৰি কামৰূপীয়া ৰজাৰ হাতত প্ৰাণ পৰিত্যাগ কৰে। দুখৰ কথা চেঙ্গেৰা বা "চেংৰা" গুৱালপাৰ তেতিয়াও কামৰূপৰ ভিতৰতে। বোলো অভদ্ৰতা জানো গছত লাগে? আমাৰ সংস্কৃতজ্ঞ বিদগ্ধ পণ্ডিত সকলে বাপুৱে সেই দেখিয়েই "চোলোথ" মাতিছিল— "কদাপি চেংৰা নচ ভদ্ৰলোকঃ!" আমি কওঁ ১২৭৮ খৃষ্টাব্দ, ১৪৮৯ খৃষ্টাব্দৰ অগ্ৰজ; এতেকে টুগৰিলৰ কথা "কুকট।"

১৩৩৭ খৃষ্টাব্দত মহম্মদছাহে এক লাখ অশ্বাৰোহী সৈন্য আসাম আক্ৰমণ কৰিবলৈ পঠিয়াইছিল। সেই সুপিকে অসম-আয়ে কেচাইখাতী গোঁসানী মূৰ্ত্তি ধৰি চিন-মোকাম নাইকীয়া কৰি থয়। এইটো বুৰঞ্জীৰ কথা। তেতিয়াও কিন্তু গুৱালপাৰ অসম মাতৃৰ কোলাতে। গেইট ছাহাবে এই সময়ৰ কথাতে কৈছে:—

They prove that the river (Karatoya) was still the western boundary of a Kingdom (Kamrup) of considerable power and extent ১৩৩৭ খৃষ্টাব্দ ১৪৯৮ খৃষ্টাব্দৰ পূৰ্ব্বপুৰুষ গতিকে, চক্ৰবৰ্ত্তীৰ গাঠেনাও চলাত ব্যাঘাত নঘটে। কিন্তু ঘটে দুখীয়া অসম-কামৰূপৰ হে। কিয়নো কওঁ শুনা:— ১৪৯৮ খৃষ্টাব্দৰ চৌধ পুৰুষ জগাৰ আগেয়েই বঙালী (?) বিজয়সিংহই হেনো "হেলায় লঙ্কা কৰিল জয়।" তথাপি সেই বঙালীৰ লঙ্কা বিজয়ৰ গাত কাল্পনিকতাৰ এপাতো পুংকৰ নালাগিল, কাৰণ সেই বিজয় বঙালীৰ, সেই কাৰ্য্য বঙালীৰ। আৰু শুনা বাণীকণ্ঠ বা কোকিলকণ্ঠ কালিদাসৰ মাকে বঙ্গদেশৰ কাউৰীৰ বাহত ১৪৯৮ খৃষ্টাব্দৰ নিশ্চয় কোনবা কেতিয়াবাৰ আগতে কালিদাস বোলা কণীটো পাৰি থৈ গৈ কালিদাসক বঙ্গজ কৰি নিগাজী কৰিলে। কপালৰ কথাই এনেবোৰ।

বন্ধুসকল! অলপ এইখিনিতে জিৰাওক, গুৱালপাৰে থাউনি পাই আহিছে। সৃষ্টিৰ আদিৰপৰা ৰামায়ণ মহাভাৰতৰ কাললৈকে, আৰু ৰামায়ণ মহাভাৰতৰ কালৰপৰা কমতাপুৰৰ খেন বংশীয় ৰজা নীলাম্বৰৰ দিনলৈকে "প্ৰলয়পয়োধিজলত" ওপঙি-বুৰি বুৰি ওপঙি কণো জপোৰৈ দুৰা গুৱালপাৰক হাকামা সভাপতিৰ হুচেনছাহে ১৪৯৮ খৃষ্টাব্দত

"স্বত্বদান" কৰি বঙ্গদেশক প্ৰদান কৰিলে। কেনেকৈ কি হল, চমুকৈ কওঁ শুনক।—

কমতাৰ শেহ ৰজা নীলাম্বৰৰ মহিষীৰে সৈতে ব্ৰাহ্মণ মন্ত্ৰীৰ ডেকা পুতেকৰ অবৈধ প্ৰণয়ৰ কথা ৰজাই গম পাই, সেই পুতেকক বধ কৰাই বাপেক মন্ত্ৰীক পুতেকৰ মঙহ খুৱালে। মন্ত্ৰীয়ে সেই নৃশংস অপমানৰ প্ৰতিশোধ লবলৈ, গঙ্গাস্নানলৈ যাওঁ বুলি ৰজাৰপৰা বিদায় লৈ গৈ গৌৰৰ নবাব হুছেনছাহৰ শৰণাপন্ন হৈ হুছেনক কমতাপুৰ আক্ৰমণ কৰিবলৈ বুধি-সন্ধি দি আক্ৰমণ কৰালে। হুছেনে কোনো প্ৰকাৰে যুদ্ধত জয় লাভ কৰিব নোৱাৰি, শেহত বিশ্বাসঘাতকতা কৰি নীলাম্বৰক বন্দী কৰি কমতা লয়। ইয়াৰ পিচত হুছেনে ৰবনদীলৈকে দেশখন লৈ ৰাজ্যত পুতেকক শাসনকৰ্ত্তা পাতি থৈ উলটি গল। ইয়াৰ কিছু বছৰৰ পিচত উজনীৰ আহোম ৰজাৰ ভনতীয়া অসম ডোখৰ লবলৈ চেষ্টা কৰি হাৰি হুছেন সৰ্ব্বস্বান্ত হয়, অৰ্থাৎ আগেয়ে লোৱা দেশ ডোখৰো হাতৰপৰা যায়। ইয়াৰ পিচত কোচৰজাৰ অভ্যুদয়। ৰবনদীৰ পশ্চিমলৈকে কোচ ৰজা বিশ্বসিংহৰ অধীন হয়।

বন্ধুসকল! অভিভাষণৰ সভাপতিয়ে যি কয় কওক, অথবা আজিকালি ইংৰাজী বঙলা শিক্ষিত কোচৰজা আৰু কোচ প্ৰজাসকলে যি কয় কওক, আমি কিন্তু কোচবেহাৰক অসম কামৰূপৰে এক অংশ বুলি হে জানো: তেওঁলোকৰ ভাষাৰ জাতি-কুল, গড়-ঠাচ, আকৃতি-প্ৰকৃতি নিশ্চয় অসমীয়া। তেওঁলোকৰ ঘৰৱা তিৰোতাসকলৰ মাতৰ গড় গতি অসমীয়া। বঙ্গভাবাপন্ন নোহোৱা সৰ্ব্বসাধাৰণ গাৱলীয়া ৰাইজৰ, আন নালাগে ৰজাঘৰৰো বুঢ়া পুৰণি মহিলাসকলৰো মাত-কথা, আচাৰ-ব্যৱহাৰ মঙ্গল, প্ৰকৃতি অসমীয়া। শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ, শ্ৰীদামোদৰদেৱে কোচবেহাৰতে তেওঁলোকৰ শেষ কাল কেইডোখৰ কটায়। শ্ৰীশঙ্কৰদেৱে শ্ৰীমাধৱদেৱে কোচবেহাৰতে মুখ্যতঃ কোচ ৰজা, কোচ ৰাণী, ৰজাৰ ধাই-মাক আই-ধাইৰ আৰু কোচ প্ৰজাৰ নিমিত্তে যিবোৰ পুথি ৰচনা কৰিছিল, সেইবোৰৰো ভাষা অসমীয়া। শঙ্কৰদেৱে তো ভাৰতৰ নানা ঠাই ফুৰি নানা ভাষা জানিছিল। আজিকালিৰ সুবিখ্যাত আৰু সেই কালত অবিখ্যাত বঙ্গ ভাষাত তেওঁৰ দশম, কীৰ্ত্তন, গীত, পদ ৰচি বঙলা মাতৃ-ভাষাত (ধৰি লোৱা) লালিতপালিত বঙালী (ধৰি লোৱা) কোচ ৰজা নৰনাৰায়ণ মল্লদেৱ "নৃপতি প্ৰধানক" আৰু তেওঁৰ ক্ষমতাশালী ভায়েক শুক্লধ্বজ বা চিলাৰায় দেৱানক Please সন্তুষ্ট নকৰিলে কিয়? শঙ্কৰদেৱৰতো তেওঁলোকক সন্তুষ্ট কৰাৰ বৰ আৱশ্যকতা হৈছিল; কাৰণ তেওঁৰ প্ৰাণ লৈ টনাটনি পৰিছিল। শঙ্কৰদেৱৰ ৰচিত কীৰ্ত্তন দশম ইত্যাদি পঢ়ি গিলি জীণ নিয়াই, আদৰ কৰি, ৰজাই কৃতকৃত্য হৈ শঙ্কৰদেৱত শৰণ লবলৈ ওলোৱাটো সকলোৱে জানে। তেওঁৰ পুথিৰ ভাষা, তেওঁৰ মৌখিক উপদেশ কথা-বাৰ্ত্তা, তেওঁলোকৰ অচিনাকী অসমীয়া ভাষা বুলি দেখোন তেওঁলোকৰ সমাজিকতো খেলোৱাৰ কথা পোৱা নাযায়। খেলো ৰাহঁতেন তেওঁলোকে সেইটো প্ৰকাশ কৰি সেই পুথিবোৰ তেওঁলোকৰ (Supposed মাতৃ-ভাষা) বঙলালৈ অনুবাদ কৰাই অনায়াসে লব পাৰিলেহেঁতেন। তেওঁলোকৰ হাতৰ মুঠিত ধনেৰে অভাৱ নে, নাইবা ক্ষমতাৰে অভাৱ নে, নাইবা সেই কাৰ্য্য কৰিবলৈ পণ্ডিত মানুহৰে অভাৱ আছিল? চিলাৰায়ে ৰামসৰস্বতীক মহাভাৰত ভাঙিবলৈ আদেশ দি "বনধি যোৱাই" যেতিয়া মহাভাৰতৰ পুথিবোৰ পঠিয়াইছিল, তেতিয়া তেওঁক চিলাৰায়ৰ মাতৃভাষা বঙলাত সেইবোৰ ভাঙিবলৈ কবলৈ তেওঁক কিহে বাধা দিছিল, ৰামসৰস্বতীয়ে যদি বঙলা



নাজানিছিল, তেন্তে তেওঁ বঙলা জনা পণ্ডিতক দি সেইবোৰ বঙলালৈ নভঙাই তেওঁৰ অচিনাকী পৰদেশী বা বিদেশী ভাষা অসমীয়ালৈ ভঙাবৰ কাৰণ কি আছিল? আচল কথা ইয়াৰ দ্বাৰাই প্ৰমাণ নহয় নে যে কোচবেহাৰৰ যিটো মাতৃভাষা অসমৰো সেইটোৱেই মাতৃভাষা, আৰু সেই ভাষা শঙ্কৰ মাধৱৰ পুথিৰ আৰু মুখৰ অসমীয়া ভাষা। কোচবেহাৰত শঙ্কৰদেৱে তেওঁৰ প্ৰধান সত্ৰ মধুপুৰ পাতি কোচ শিষ্যসকলক অসমীয়া কীৰ্ত্তন দশম গীত পদ আদিৰ সুধামৃত বিলাইছিল কেনেকৈ? আজিও মহাপুৰুষীয়াই দুই জনা গুৰুৰ প্ৰধান তিনিখন সত্ৰৰ ভিতৰত কোচবেহাৰৰ মধুপুৰক মুখ্যস্থান দি "তিনি ৰাজ্য" বুলি কয়, আৰু গায়—

"অ হৰি এ<br>
থান মধুপুৰ।<br>
কামৰূপে বৰপেটা,<br>
উজানে কমলাবাৰী,<br>
নাম ভৱপুৰ॥"

ইয়াৰ পিচত আকৌ মুছলমানৰ আক্ৰমণ। ১৫৬৮ খৃষ্টাব্দত ছুলেমান কৰানিয়ে কোচৰাজ্য আক্ৰমণ কৰে। ছুলেমানৰ সেনাপতি বামুণ-মুছলমান কালাপাহাৰে কামাখ্যা আৰু হাজোৰ মন্দিৰ ভাঙে। ইত্যাদি। পিচৰ কালৰ এই কথাবোৰ নকলেও চলিব, কাৰণ চক্ৰবৰ্ত্তী মহাশয়ে ১৪৯৮ৰ পিচৰপৰা কল্পনা-জালৰ কুহক কাটি বাস্তৱ ৰাজ্যত ওলায়েই আছে। অতএব নিৰাপদ; সেইদেখি বাহুল্যোনালম্।

এয়ে হল গুৱালপাৰ জিলাৰ বঙালীত্ব। এই খিনিতে আমি আৰু একাষাৰ কথা অতি সন্তৰ্পনে চক্ৰবৰ্ত্তী মহাশয়ক সুধিব খুজিছোঁ। ইংৰাজ ভাৰতলৈ অহাৰ আগৰ ডোখৰ কাল আৰু আসাম আৰু আসামৰ এক অংশ গুৱালপাৰৰ সম্পৰ্কে ১৪৯৮ খৃষ্টাব্দৰ আগৰ ঘটনাবোৰ যদি কাল্পনিক হয়, আৰু সেইবাবে অবিশ্বাস্য, তেন্তে দেখোন তাৰ আগৰ ডোখৰত পোৱা আমাৰ গোত্ৰ, জাত, পিতৃ-পিতামহ আৰু প্ৰপিতামহ প্ৰভৃতিৰ নাম, 'উপাধি,' লেখ ইত্যাদি সোপাই কল্পনাৰ সোঁতত উটি যায়। যদি তেওঁ কয়, যে গুৱালপাৰৰ ইতিবৃত্তৰ বিষয়বোৰত হে সেই কথা খাটিব, আন বোৰত নাখাটে; তেন্তে আমি Guilty plead কৰিলোঁ। তেওঁ কিন্তু এটা কথা জানি থব, যে ১৪৯৮ খৃষ্টাব্দৰ আগৰ গুৱালপাৰৰ কথা যেনেকৈ তেওঁ ডুব বান্ধি উটাই দিবলৈ সভা-সমিতি পাতি আন্দোলন কৰিবলৈ কঁকালত কাপোৰ বান্ধি উঠিছে, ওলোটা ফালৰপৰা এনে এটা বানপানী আহিব যে তেতিয়া মস্কিল ব্যাপাৰ উপস্থিত হব।

"জিলাৰ ভাষা সমস্যা" নাম দি চক্ৰবৰ্ত্তী মহাশয়ে কৈছে:—"এজিলাৰ ইতিহাস হইতেই সম্যক উপলব্ধি কৰিতে পাৰা যায় যে যে জিলাৰ অৱস্থা এত পৰিবৰ্ত্তনশীল, তাহাৰ অধিবাসীগণেৰ কথিত ভাষা যে ৰংপুৰ, কোচবিহাৰ, গাৰো ও অন্যান্য পাৰ্ব্বত্য স্থানেৰ ভাষা ও আসামী ভাষাৰ দ্বাৰা সংগঠিত হইয়া এক প্ৰকাৰ সংমিশ্ৰিত ভাষা হইবে তাহাতে আশ্চৰ্য্যেৰ বিষয় কিছুই নাই।" আমি উত্তৰত "আসামী ভাষাৰ দ্বাৰা" এই কথাষাৰৰ ঠাইত ও "বাঙালা ভাষাৰ দ্বাৰা" বহুৱাই দিম; তাতেই আমাৰ উত্তৰ ওলাব। "ৰংপুৰ আৰু কোচবিহাৰৰ ভাষা" মানেও আমি অসমীয়া ভাষা বুজিছোঁ আৰু তেওঁকো বুজিবলৈ অনুৰোধ কৰিছো। ইয়াৰ পিচত তেওঁ ৰংপুৰ কোচবিহাৰৰ ভাষা, অৰ্থাৎ অসমীয়া ভাষা, এই এটাইবোৰ গোটাই পালাপাকাৰ এফালে দিয়ক আৰু আনফালে অকলশৰীয়া বঙলা ভাষাটো দিয়ক, দি পালাপাকাখন দাঙি হাতত তুলি লওক, আৰু কোনফালে গধুৰ হয়

Honestly. আমাক কওক।

তেওঁ কৈছে :— "আমাদেৰ কথিত ভাষা আসামী না বঙ্গদেশীয় তাহা এজিলাৰ অধিবাসী মাত্ৰই অবগত আছে।" আমি কওঁ তেওঁৰ নিচিনা বঙ্গভাষাগ্ৰস্ত, বঙলা আৰু ইংৰাজীশিক্ষিত, আঙুলিৰ মূৰত লেখিবলৈ ন-টা জনচেৰেকৰ বাহিৰে, সেই জিলাৰ সৰহ ভাগ অধিবাসীয়েই যে জানে, জানিছে, আৰু জানিব তাত আমাৰ সন্দেহ নাই।

তেওঁ কৈছে :— "গোৱালপাড়া মহকুমাৰ পূৰ্ব্বাংশেৰ কতিপয় অধীবাসী কামৰূপী সংমিশ্ৰিত ভাষায় তাহাদেৰ মনোভাব প্ৰকাশ কৰিয়া থাকে। জিলাৰ অধিকাংশ অধিবাসীগণ ৰংপুৰী, কোচবিহাৰী ভাষাভাষী।" আমি কওঁ ৰংপুৰী, কোচবিহাৰী ভাষা কামৰূপী বা অসমীয়া ভাষাৰ, স্থান বিশেষৰ নিমিত্তে হোৱা এটা গঢ় মাথোন, সেইদেখি সি অসমীয়া ভাষা। এইদেখি তেওঁৰ কথাতে পোৱা গল যে গুৱালপাৰৰ অধিকাংশ অধিবাসী অসমীয়া ভাষাভাষী।

ইয়াৰ পিচত চক্ৰবৰ্ত্তী মহাশয়ে চেন্সাছ্ ৰিপোৰ্ট অৱলম্বন কৰিছে। সেই অৱলম্বনৰ ফল দেখা যাওক।

"১৮৭২ খৃষ্টাব্দেৰ সেন্সাস ৰিপোৰ্টে দেখা যায়, এই জিলায় কেবল মাত্ৰ দুইটি ভাষা প্ৰচলিত ছিল—একটী বঙ্গভাষা, অপৰটী ইন্দো-চাইনিজ বা গাৰো, কছাৰী, ৰাভা প্ৰভৃতি পাৰ্ব্বত্য জাতীয় ভাষা।"

এই চেন্সছত অসমীয়া অধিবাসীৰ আৰু অসমীয়া ভাষাৰ নাম গোন্ধেই নাই। অথচ আমি ওপৰত চক্ৰবৰ্ত্তীৰ কথা তুলি দি দেখুৱাইছোঁ যে তেতিয়াও "কতিপয় অধিবাসী কামৰূপী সংমিশ্ৰিত ভাষায় তহাদেৰ মনোভাব প্ৰকাশ কৰিয়া থাকে।" এইটোও তেওঁ কৈছে, আৰু সঁচা কথাও, যে ১৮৭২ খৃষ্টাব্দৰ পিচত কামৰূপৰপৰা লেখত লব লগীয়া কোনো মানুহ ভাগি গৈ গুৱালপাৰত বসতি কৰা নাই। তেন্তে এই চেন্সছ ৰিপোৰ্টৰ কথা,—যত অসমীয়া ভাষা-ভাষীক একেবাৰেই "গাপ কৰ" অৰ্থাৎ অংগুষ্ঠকৈ ৰখা হৈছে,—বিশ্বাসৰ অযোগ্য যে সেইটো চক্ৰবৰ্ত্তীৰ কথাৰেপৰা আভাষ পোৱা গল নে নগল? আমি কওঁ, এনে হোৱাটো বিশেষ চক্ৰান্তৰ ফল, যাৰ বিষয়ে পিচত ওলাব।

১৯০১ চেন্সত "শতকৰা ৩ জন আসামী ভাষাভাষী" ওলাল। অৰ্থাৎ "তিমিৰ ফাৰিয়া বাজে ৰবিৰ কিৰণ" হল। চক্ৰবৰ্ত্তী মহাশয়ে ইয়াৰ কাৰণ কি দিছে শুনক :— "ইহাৰ কাৰণ ১৮১৯ হইতে ১৮২৪ খৃষ্টাব্দ পৰ্য্যন্ত মগশাসনকালে কামৰূপ প্ৰভৃতি জিলা হইতে মগকৰ্ত্তৃক বিতাৰিত 'মানে-খেদা' ব্ৰাহ্মণ ও অন্যান্য অধিবাসীসমূহ নিজ বাসভূমি পৰিত্যাগ কৰিয়া গোৱালপাড়াৰ পূৰ্ব্বাঞ্চলে আসিয়া আশ্ৰয় লন, কিন্তু মগেৰা আসাম ত্যাগ কৰাৰ সঙ্গে সঙ্গেই উচ্চ শ্ৰেণীৰ সম্পত্তিশালী আসাম অধিবাসীৰা নিজ বাসভূমে প্ৰত্যাবৰ্ত্তন কৰেন ; কিন্তু নিম্ন শ্ৰেণীৰ দৰিদ্ৰ ব্যক্তিগণ গোৱালপাড়াৰ স্থায়ী অধিবাসীদেৰ আশ্ৰয়েই ৰহিয়া যায়। গোৱালপাড়াৰ পূৰ্ব্ব অঞ্চলেৰ আশ্ৰয়দাতাৰাই আশ্ৰিতদিগেৰ অশুদ্ধ 'ঢেকেৰী' আসামী ভাষা ব্যৱহাৰ কৰিয়া আপনাদিগকে জোৰ কৰিয়া আসামী ভাষা-ভাষী বলিয়া পৰিচয় দিয়া থাকেন।"

কেনে Clever কাৰণ দেখিলে? মানে অসম এৰি গলত ওথ শ্ৰেণীৰ ভাল অসমীয়াসকল গুৱালপাৰ এৰি অসমলৈ উভতি গল। থাকিল তলৰ থাপৰ দুখীয়াবোৰ। কিন্তু নিজ দেশলৈ উলটি যাবলৈ সম্বতি নথকা ছালছিগা দুখীয়াবোৰ থিবোৰ গুৱালপৰীয়া ধনীলোকৰ আশ্ৰয়ত আৰু অনুগ্ৰহৰ ভিক্ষাৰ ওপৰত থাকিল, সেইবোৰে সেই গুৱালপৰীয়া সম্পত্তিসম্পন্ন আশ্ৰয়দাতাক নিজৰ অসমীয়া



ভাষা দান কৰিলে, আৰু সেই শক্তিশালী গুৱালপৰীয়া আশ্ৰয়দাতাসকলে নিজৰ মাতৃ-ভাষা বঙলা দলিয়াই পেলাই তেওঁলোকৰ নিঃকিন আশ্ৰিতবোৰৰ অসমীয়া ভাষা গ্ৰহণ কৰিলে! এনে উদবতা গুৱালপাৰত থাকিব পাৰে, কিন্তু পৃথিবীৰ আনবোৰ সভ্য দেশত নাই। চক্ৰবৰ্ত্তীয়ে গুৱালপাৰৰ ভাষাটো বঙলা প্ৰমাণ কৰিবলৈ গৈ বুদ্ধিৰ খুজি, উটি যোৱা দেৰ, বন, কুটা, জাজি লিতকে পায় তাকে ধৰিছে। এই খিনিতে একাষাৰ কথা কওঁ। তেওঁ যে "অশুদ্ধ ঢেকেৰী আসামী ভাষা" ইত্যাদি কথা কৈছে, এই অশুদ্ধ ভাষীসকলৰ বাহিৰে শুদ্ধ বঙলা কোৱা তেওঁৰ সিভাগৰ শুদ্ধ বঙলাৰ নমুনা দিবলৈ তেওঁ আমাক যেন নকয়। কলেও আমি নিদিওঁ ; কাৰণ তেওঁৰ আহি লৈ অবাৰতে লোকৰ মন ক্ষুণ্ণ কৰিবৰ আমাৰ ইচ্ছা সমূলি নাই।

ইয়াৰ পিচত ১৯১১ অৰ চেন্সছ। তেওঁ কৈছে "তৎপৰ ১৯১১ সনেৰ সেন্সাস ৰিপোৰ্টে দেখা যায়, জিলাৰ ৬০০,৩৪৩ জন অধিবাসীৰ মধ্যে শতকৰা ৫৮ জন লোক বঙ্গভাষা ভাষী, শতকৰা ১৫ জন লোক বড় (মেচ) ভাষায়—শতকৰা ১৩ জন লোক আসামী ভাষায় নিজ মনোভাব ব্যক্ত কৰিয়া থাকে।"

এই ৰিপোৰ্টত শতকৰা ১৩ জন অসমীয়া ওলাল। কেনে ক্ৰমবিকাশ চোৱা। ঠিক Geometrical Progression অৰ্থাৎ বৰ্গবৃদ্ধি। Out of nothing at the beginning some thing came out ঠিক যেন শূন্যৰপৰা জ্যোতি। কাৰণ God said "Let there be light and there is light" চক্ৰবৰ্ত্তী মহাশয়ে ইয়াৰ যি কাৰণ দিছে শুনক :— "ইহাৰ কাৰণ :— ১৯১১ খৃঃ লোক গণনায় ভূতপূৰ্ব্ব কমিশ্যনাৰ কৰ্ণেল গৰ্ডন সাহেবেৰ পৰামৰ্শে গোৱালপাড়া সবডিবিশনেৰ কতিপয় ভদ্ৰলোক স্বীয় স্বাৰ্থ সিদ্ধিৰ আশায় অন্যায় উপদেশ দিয়া বাঙ্গালা ভাষাভাষী লোকদিগকেও আসামী ভাষী বলিয়া লিখাইতে বাধ্য কৰিয়াছিলেন।"

এই কাৰণৰূপী jewel অৰ্থাৎ বহুমূল্য তেওঁ নিজৰ মত সমৰ্থন কৰিবলৈ "জমাদাৰহাট অধিবেশনৰ" অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণৰপৰা উদ্ধৃত কৰি দিছে। এজন সভাপতিয়ে কোৱা আৰু আন জন সভাপতিয়ে আগ্ৰহেৰে উদ্ধৃত কৰি সমৰ্থন কৰা ওপৰৰ কথা কেইষাৰ কেনে অশোভন আপোনাসকলে দেখিছেনে? আমাৰ অসমীয়াত এনেকৈ কথাৰ সাক্ষী দিয়া দেখিলে কয় "পোহাৰীৰ পৈয়েক সাক্ষী।" বঙলাতো এনে এটা কথা আছে ; কিন্তু সেইটো আমি এই সভা সমাজত নকওঁ। কিন্তু চক্ৰবৰ্ত্তী মহাশয়ে যেতিয়া এনে কথা খুলি কৈছে, আমিও খুলি কওঁ যে ইয়াৰ কাৰণ— চক্ৰবৰ্ত্তী মহাশয় যদি বঙালী, তেন্তে তেওঁৰ পূৰ্ব্বপুৰুষসকল। আমি কওঁ "গোৱালপাড়া প্ৰবাসী কতিপয় বাঙ্গালী ভদ্ৰলোক স্বীয় স্বাৰ্থসিদ্ধিৰ আশায় অন্যায় উপদেশ দিয়া আসামীভাষাভাষী লোকদিগকেও বাঙ্গালাভাষী বলিয়া সেন্সাসে লিখাইতে বাধ্য কৰিয়াছিলেন, সেই জন্য এই ৰকম হয়ে আসছে।"

আৰু এটা কাৰণ :— লাহে লাহে সাধাৰণ গুৱালপৰীয়া মানুহৰ শিক্ষা আৰু দেখি-শুনি-বুজি হোৱা জ্ঞানৰ ফলত যেতিয়া চকু গজিল, আত্মবোধ, আত্মসন্মান জাগ্ৰত হৈ আহিল, তেওঁলোকে আৰু ওপৰত কৈ অহা বিদেশীসকলৰ কুমন্ত্ৰণাত কুহকত খুন্দুলা হল ; সেই দেখিহে চেন্সছ ৰিপোৰ্টত এনে ক্ৰমিক বিৱৰ্ত্তনবাদ। আমি দুইজন সভাপতিক আৰু তেওঁলোকৰ খোজে খোজে যোৱা যিসকল আছে তেওঁলোককো কৈ দিওঁ যে আমাৰ গুৱালপৰীয়া ভাইসকলৰ নিজৰ অৱস্থা, স্থান আৰু আত্মমৰ্য্যাদা বুজিবৰ শক্তি দিনে দিনে বাঢ়ি আহিছে, আৰু বাঢ়িব, আৰু অহা চেন্সছ ৰিপৰ্টত যোৱা চেন্সছ ৰিপৰ্টত দিয়া লেখতকৈও অসমীয়া ভাষাভাষীৰ সংখ্যা চাৰি পাঁচগুণে যে বাঢ়িব সেইটো আমি দিব্য-চকুৰে আজিয়েই দেখিছোঁ। আজিকালি সকলো পিচ পৰি থকা জাতিৰ মানুহৰ দেশাত্মবোধ জাগি উঠিছে ; আৰু কাকো কোনেও স্বাৰ্থসিদ্ধিৰ নিমিত্তে ভুৱা দি হেঁচা মাৰি ধৰি আৰু ৰাখিব নোৱাৰে। জ্ঞান-সূৰ্য্যৰ উদয়ৰ লগে লগে অজ্ঞানতাৰ অন্ধকাৰে লগৰীয়া ভূত-পিশাচ আদি সপাকে লৈ পলায়। মহাপুৰুষ মাধৱদেৱে ৰামনামৰ মাহাত্ম্যত পাপৰ কি হয়, তাক এই দৰে লেখিছে :—

বাম নাম মহা প্ৰমত্ত সিংহৰ
ধ্বনি শুনি কিনি কিনি,
পাপময় যত মাতঙ্গ পলায়
মিলিল হেৰ বিখিনি॥
ৰাম কৃষ্ণ নাম কীৰ্ত্তন বাড়ৱ
অগনিৰ শিখা লাগি,
অসুৰ ৰাক্ষস পাৰণ্ড পিশাচ
পলায় দশোদিশে ভাগি॥

আৰু এটা দোহা—

"হৰি কীৰ্ত্তনৰ তাপ লাগি পলায় পাপ দশোদিশে ভাগি
হেৰ পাইলে বুলি ভয়ত ভিৰি লৰৰে।

Bengal District Gazetteers, Mymensingh By F. A. Sachse I. C. S. Page 22.

At the time of the Mahabharata, Mymensingh formed part of Prajyotish, which 3000 years later in Buddhist times was known as Kamrup. The western boundary of Kamrup was the Karatoya, river which still runs out of Nepal parallel to the Atrai through Rungpur and Pabna ; so the present bed of the Jamuna and considerable strips of the Rajshahi Division districts as well as the northern parganas of Mymensingh must have been included in Kamarupa.

গতিকে ইয়াৰপৰা দেখা গল যে আগৰ প্ৰাচীন কামৰূপৰ ভিতৰত আজি কালিৰ অসম প্ৰদেশৰ বাহিৰে ৰংপুৰ জলপাইগুৰি আৰু মৈমনসিংহ এই তিনিখন জিলা অন্তৰ্ভুক্ত আছিল।

প্ৰাচীন কামৰূপ আৰু বঙ্গদেশৰ সীমাস্বৰূপ বৰ্ত্তমান কৰতোয়া নদীকে ধাৰ্য্য কৰা হৈছিল। আজি কালিৰ কৰতোয়া এখনি ক্ষীণকায় কটাৰি-নদীয়া নৈ কিন্তু প্ৰাচীন কৰতোয়া নদী অতি বিশাল আছিল। বক্তিয়াৰ খিলিজিয়ে কামৰূপ আক্ৰমণ কৰিবলৈ আহোঁতে যি কৰতোয়া দেখিছিল সেই কৰতোয়া, গঙ্গাতকৈ তিনি গুণ বেছি বহল আছিল। Riyazu-s-Salatin নামে গ্ৰন্থত আছে—

Riyazu-s-Salatin, tr. by Abdus Salam M. A. Quoted in Rungpur Gazetteer. Page 8.—

The Karatoya river must have been much larger in 1203 A. D., when Bakhtiyar Khilji marched along its banks on his invasion of Tibet, for it is said,—"He was guided to a country, the town whereof is called Abardhan. Facing that town flows a river which in its depth and breadth is thrice as much as the river Ganges.

হিয়েন চাঙ্গৰ ভাৰত ভ্ৰমণ কাহিনীতে এই কৰতোয়াক এখন ডাঙ্গৰ নদী বুলি বৰ্ণোৱা হৈছে।

পশ্চিমে কৰতোয়া আৰু পুবে শদিয়া এই গণ্ডৰ ভিতৰতে আজিৰ অসমীয়াৰ ভাগ্যচক্ৰ অতীত কালত উঠা নমা কৰিছিল। কামৰূপ ৰাজ্য ভাঙ্গি যোৱাৰে পাচত সৰু সৰু ৰাজ্য সৃষ্টি হয়। অনুমান খৃষ্টিয় ত্ৰয়োদশ শতাব্দীত পশ্চিম কামৰূপত কমতা নামে এখন ক্ষমতাশালী ৰাজ্যৰ উদ্ভৱ হয়। কোচবিহাৰৰ ১৮ মাইল দক্ষিনত গোঁসানীমাৰী নামে ঠাইত কমতাপুৰৰ ভগ্নাবশেষ আজিলৈকে দেখা পোৱা যায়। কমতানগৰৰ পৰিধি পোন্ধৰ মাইল আছিল। এই কমতাৰাজ্যৰে অধীশ্বৰ দুৰ্গানাৰায়ণ অসমীয়া কবি আৰু পণ্ডিতবৃন্দৰ পৃষ্ঠপোষক আছিল। কবিবৰ হেমসৰস্বতীয়ে প্ৰহ্লাদ চৰিত্ৰত কৈছে—

কমতা মণ্ডল দুৰ্গানাৰায়ণ
নৃপবৰ অনুমান।
তাহান ৰাজ্যত ৰুদ্ৰ সৰস্বতী
দেৱযানী কন্ধা নাম॥ *
তাহান তনয় হেম সৰস্বতী
ধ্ৰুবৰ অনুজ ভাই।
পদবন্ধে তৌহো প্ৰচাৰ কৰিলা
বামণ পুৰাণ চাই॥

আকৌ নাৰায়ণ দাস ঠাকুৰৰ শঙ্কৰ চৰিত্ৰত এই দুৰ্গানাৰায়ণ ৰজাই মহাপুৰুষৰ শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষৰ চণ্ডীবৰ পণ্ডিতৰ পৰিচয় পাই তেওঁক নানা বস্ত্ৰ অলঙ্কাৰ উপহাৰ দিছিল।

হেন দেখি সবে দুৰ্গা নাৰায়ণ
ৰাজাৰ আগে জনাইলা।
চণ্ডীবৰ বৰ্জা গৌড়েশ্বৰ সঙ্গে।
পূৰ্ব্বপ্ৰীতি সুওচিলা॥
এই মতে কত দিন চণ্ডীবৰ
বন্দীশালে আছে পৰি।
নদীয়াৰ পৰা পণ্ডিত আসিল।
নানা দেশে বাদ কৰি
নানাবিধ শাস্ত্ৰ বৰ্ণিৰ যোড়াইয়া,
সঙ্গে শিষ্য অসংখ্যাত।
কামৰূপে আসি বাদ কৰিবাক,
জনাইলা পাছে ৰাজাত॥
চণ্ডীবৰ সমে বাদক কৰন্তে,
দ্বিজশক্তি ভৈল ছাই।



ৰাজাৰ সভাৰ লোকে হাসিলেক,
দ্বিজ ভৈলা মৃত্যুপ্ৰায়॥
সামান্য যোড়াতে ভঙ্গ মানি সবে,
বিপ্ৰগণ ভাগি গৈল।
হেন দেখি ৰাজা অনেক প্ৰশংসি
বহু বস্ত্ৰ দ্ৰব্য দিল॥
এহিমতে হৈতে চণ্ডীবৰ দেব,
আছে নৃপতিৰ সঙ্গে।
দিনে চণ্ডীবৰে দেবী পূজা কৰি
গীতগান কৰে ৰঙ্গে॥

এই কমতাৰাজ্যৰে শেষ নৃপতি নীলাম্বৰৰ দিনত কামৰূপৰ সৰহ গাওঁ ৰংপুৰ আৰু বঙ্গ বা মংস্য ৰাজ্যৰ এক অংশ কমতাৰ অধীনত আছিল। কিন্তু তেওঁৰ ৰাজ্যত ষোড়শ শতিকাৰ আগছোৱাৰ হুচেইন শ্বাহ নামে এজন আফগান বংশীয় ৰজাই কমতা আক্ৰমণ কৰি নীলাম্বৰক বন্দী কৰে। হুচেন শ্বাহৰ বিজয়ী সৈন্য অসমীয়া সৈন্যৰ হাতত পৰাজয় মানে, কিন্তু কমতা ৰাজ্যত বহুত দিনলৈ অৰাজকতা প্ৰবৰ্ত্তিত হয়। আৰু এই প্ৰবল পৰাক্ৰমত ৰাজ্য কিছুমান স্থানীয় শাসন কৰ্ত্তাৰ দ্বাৰা শাসিত হয়।

হাজো নামে এজন কোচবংশীয় ৰজা সেই সময়ত ক্ষমতাপন্ন হৈ আছে। এওঁৱেই কোচবিহাৰ ৰাজ্য স্থাপন কৰ্ত্তা বিশ্বসিংহৰ মাতামহ। ১৫২২ খৃষ্টাব্দত বিশ্বসিংহ কোচবিহাৰৰ সিংহাসনত বহি ৰাজ্য শাসনৰ নতুন প্ৰণালী অৱলম্বন কৰে। সেইমতে ২০ পাইকৰ ওপৰত এজন ঠাকুৰীয়া, ১০০ এজনৰ ওপৰত এজন শইকীয়া, ১০০০ জনৰ ওপৰত হাজাৰি, ৩০০০ জনৰ ওপৰত এজন ওমৰা আৰু ৬৬০০০ জনৰ ওপৰত এজন নবাব নিযুক্ত হল। এই বিশ্বসিংহই নেপাল, কামৰূপ, কাশ্মীৰ, কাশি, শোণিতপুৰ আৰু মিথিলাৰ পৰা ওৰৰ সবাকী কন্যা আনি তেওঁলোকক বিবাহ কৰায়।

বিশ্বসিংহৰ মৃত্যুৰ পাচত তেওঁৰ বৰপুতেক নৰসিংহই ৰাজ্য শাসনৰ ভাৰ লয়। কিন্তু কিছুদিনৰ পাচত তেওঁ সেই ৰাজ্যভাৰ ভায়েক নৰনাৰায়ণক সমৰ্পণ কৰি দিলে। কোচবিহাৰৰ বুৰঞ্জী প্ৰণেতা হৰেন্দ্ৰনাৰায়ণ চৌধুৰীৰ মতে খৃষ্টীয় ১৫৫৫—১৫৮৭—লৈকে মহাৰাজ নৰনাৰায়ণৰ ৰাজত্ব ভায়েক শুক্লধ্বজ চিলাৰায়ৰ সহায়েৰে এওঁ নানান দেশ কৰতলীয়া কৰিব পাৰিছিল। এওঁৰ দিনত আহোম ৰাজ্য, কাচাৰ, মণিপুৰ, জয়ন্তা, দৈৰাম, ত্ৰিপুৰা, শ্ৰীহট্ট, কোচবিহাৰৰ কৰতলীয়া হয়। কোচবিহাৰৰ বুৰঞ্জী প্ৰণেতাই কয়।

THE COOCH BEHAR STATE, by Harendra Narayan Chaudhury B. L. Page 232.........

In the time of Maharaja Naranarayan, Cooch Behar was an extensive kingdom, and comprised, in addition to the little State of Cooch Behar of the present day, almost the whole of Northern Bengal, Bhutan and Assam, as well as the modern State of Kachar, Jaintia, Manipur and Tipperah, and up to the coast of the Bay of Bengal. Naranarayan was decidedly the most powerful of the kings of the large extent of the country which once formed the Hindu kingdom of Kamrupa.

কিন্তু অকল ৰাজ্য দিগ্বিজয়ৰ কাৰণে মহাৰাজ নৰনাৰায়ণ আজি অসমীয়াৰ বন্দনীয় হোৱা নাই। ৰাজকীয় ক্ষমতা বিস্তাৰৰ লগে লগে মহাৰাজ নৰনাৰায়ণে তেওঁৰ প্ৰজাসকলৰ মানসিক আৰু আধ্যাত্মিক উন্নতিৰ কাৰণে বিশেষ যত্নবান হৈছিল। তেওঁ বঙ্গদেশৰ পৰা বামুণ পণ্ডিত আনি নিজ ৰাজ্যত মাটি বৃত্তি দি স্থাপন কৰিছিল। তেওঁৰ ৰাজসভাত নানা বিষয়ত পাৰদৰ্শিতা থকা বিদগ্ধ বিদগ্ধ পণ্ডিত বহিছিল। প্ৰকৃতপক্ষে চাবলৈ গ'লে আগৰ প্ৰণালী মতে মহাৰাজ নৰনাৰায়ণৰ ৰাজচ'ৰাও সকস্বৰা এটি বিশ্ববিদ্যালয় আছিল।

আমাৰ অসমীয়াৰ গৌৰৱৰ সৰ্ব্বপ্ৰধান বস্তু কি? যি কেইটা বস্তুৰ অধিকাৰী হৈ অসমীয়াৰ মাজত ঐক্য ভাৱ জাগ্ৰত হয়? — এই দুই বস্তু হৈছে।— প্ৰথম, কামাখ্যাৰ মহামন্দিৰ। যাৰ কাৰণে অসম-কামৰূপৰ নাম ভাৰতত দিগ্দিগন্তত প্ৰচাৰিত হৈছে, যাৰ কাৰণে সহস্ৰ সহস্ৰ ধৰ্ম্মপ্ৰাণ যাত্ৰীয়ে অসমৰ পুণ্যভূমি দৰ্শন কৰি ইয়াৰ শান্তস্নিগ্ধ সৌন্দৰ্য্যত মুগ্ধ হৈছে।

আমাৰ গৌৰৱৰ দ্বিতীয় বাহানি হৈছে, — শঙ্কৰদেৱৰ যুগৰ ৰচিত গ্ৰন্থাৱলী, যাৰ কাৰণে অসমীয়া অশিক্ষিত মানুহৰ মাজতো ধৰ্ম্ম মোক্ষ আৰু সাহিত্যৰ ত্ৰিবেণী সঙ্গম হৈছে। অসমীয়াই সকলো এৰিব পাৰে, কিন্তু কামাখ্যা গোঁসানী, শঙ্কৰদেৱৰ ভাগৱত' আৰু ৰামসৰস্বতীৰ 'মহাভাৰত' এৰিলে অসমীয়াৰ অস্তিত্ব নিৰৰ্থক নিষ্প্ৰভ? মহামতি কাৰ্লাইলে কৈছে ইংৰাজ সকলে ভাৰতবৰ্ষ পৰিত্যাগ কৰিব পাৰে কিন্তু মহাকবি ছেক্সপিয়েৰক কেতিয়াও এৰি নিদিয়ে,—

Carlyle's Hero and Hero-Worship. The Hero as man of Letters.

Shakespeare is the grandest thing we ever yet had done. For our honour among foreign nations, as an ornament to our English Household, what item is there that we would not surrender rather than him? Consider now, if they asked us, Will you give up your Indian Empire, or your Shakespeare, you English; never have had any Indian Empire, or never have had any Shakespeare? Really it were a grave quation. Official persons would answer doubtless in official language: but we, for our part too, should not we be forced to answer: Indian Empire; or no Indian Empire, we cannot do without Shakespeare Indian will go at any rate, some day; but this Shakespeare does not go, he lasts forever with us; we cannot give-up our Shakespeare.

পোৰা চুলতান কালাপাহাৰৰ বজ্ৰাঘাতিত কামাখ্যা মন্দিৰ ভূমিসাৎ হ'ল। যি বেদিত যুগযুগান্তৰ পৰা দৈনন্দিন পূজা-বলি চলিছিল, সেই ঠাই মন্দিৰৰ ভগ্নাৱশেষেৰে স্তূপীকৃত হ'ল। এই দৃশ্য দেখি ধৰ্ম্মৰাজ নৰনাৰায়ণ নৃপতিৰ প্ৰাণে নসহিলে। তেওঁৰ আদেশত কামাখ্যাৰ ছিন্নমন্দিৰৰ পুনৰ সংস্কাৰ হ'ল, আৰু আগৰ দৰে পূজা বিধি চলিবলৈ ধৰিলে। লোকানুগ্ৰহ কাৰক মহাৰাজ নৰনাৰায়ণৰ অনুগ্ৰহত আজিও অসমীয়াই কামাখ্যাৰ মাহাত্ম্যত গৌৰৱ অনুভৱ কৰিছে। 'দৰংৰাজ বংশাৱলীত আছে,—

যুৱৰাজে পাতিলা যেবে আপোন ভাল।
পৰম আনন্দ হৈলা নৰনাৰায়ণ॥
শুনিলন্ত কেমনে আসিলা চিলাৰায়।
বোলে মোক কৃপা কৰিলন্ত কামাখ্যা আই॥
শুনিয়া সবাৰ মনে আনন্দিত ভৈলা।
মেঘামুক চুমক আনি ভুক্তো আকা কলা॥
বোলে দৈত এতিক্ষনে সেজক ভণ্টাই।
নীলাচলে দেৱী মঠ সজায়োক যাই॥
প্ৰথমতে শিলাৰ মঠ নিৰ্ম্মান কৰিলা।
এক ৰাত্ৰি থাকি সিটো খসিয়া পৰিলা॥
দেৱী বোলে পূৰ্ব্বে মঠ যৱনে ভাঙ্গিয়া।
আৰু কলিযুগ আসি আপুনি মিলিলা॥
এতেকে শিলাৰ মঠ ছুহিকান্ত ভাগ।
কুমাৰে পাগোক ইট বান্ধি অধিশাল॥
ছয়মাস মানে মঠ যেবে বান্ধা হৈলা।
তেবে নৃপতিৰ ঠাই দূতক পঠাইলা॥
তেবে নৃপতিৰ মন আনন্দিত হৈলা।
উছৰ্গা কৰিবে ভুয়ো ভাই বহি গৈলা॥
বিধিমতে মঠক প্ৰতিষ্ঠা কৰাইলন্ত।
যতেক দক্ষিনা দিলা নাহি আদি অন্ত॥ ৬০৩

মহাৰাজ নৰনাৰায়ণে উপলব্ধি কৰিছিল যে হিন্দু ভাৰতৰ প্ৰাণ আৰু আদৰ্শ সংস্কৃত গ্ৰন্থাৱলীত গুপ্ত হৈ আছিল যি যি সকলে সংস্কৃত জানিছিল তেওঁলোকে হিন্দু-শাস্ত্ৰ আৰু সাহিত্যৰ সোৱাদ লব পাৰিছিল, কিন্তু সাধাৰণ মানুহে সেইবোৰ গ্ৰন্থ পাইনে কাণত পিন্ধে একো কৰ নোৱাৰিছিল। মহাৰাজ নৰনাৰায়ণে আদেশ কৰিলে সেইবোৰ সংস্কৃত গ্ৰন্থ অসমীয়া ভাষাটৈ অনুবাদ কৰা হওক। সেই অনুবাদ কৰি সম্প্ৰতিকটৈ স্ত্ৰী পুৰুষ শূদ্ৰই হিন্দুধৰ্ম্ম আৰু আদৰ্শৰ আভাষ পাব, আৰু পাচটৈ ব্ৰাহ্মণ সকলৰ মাজত সংস্কৃত চৰ্চ্চাৰ লোপ পাই আহিলে সেই ভাষাবোৰ ভবিষ্যতৰ নৌকা স্বৰূপ হব।

গৌড় কামৰূপে যত পণ্ডিত আছিলা।
সমস্তকে আনি সভ দেৱোল পাতিলা॥
বোলে বিপ্ৰ পণ্ডিত সমস্তে শুনিয়োক।
কলিৰ যুগত বুদ্ধি হৈব ভয় শোক॥ ৬০৪



অল্প আয়ু অল্প বুদ্ধি হৈবেক নিশেষ।
লোপ হৈব পূৰ্ব্ব শাস্ত্ৰ গ্ৰন্থাদি বিশেষ॥
শুনিয়ো পুৰুষোত্তম ভট্টাচাৰ্য্য দ্বিজ।
কৰিয়োক ৰত্নমালা ব্যাকৰ্ণৰ বীজ॥ ৬০৫
সম্প্ৰতিকে স্ত্ৰীয়ে শূদ্ৰে পঢ়িব যতনে।
কিছু শেষ ভৈলে পঢ়িবেক বিপ্ৰগণে॥
শুনিয়োক আজ্ঞা মোৰ ৰামসৰস্বতী॥
ভাৰতৰ পদ তুমি কৰিয়া সম্প্ৰতি॥ ৬০৬
আৰু আছে সপ্তকাণ্ড ৰামায়ণ যত।
শ্লোকক ভাঙ্গিয়া পদ কৰিয়ো সাম্প্ৰত॥
অষ্টাদশ পুৰাণৰ কৰিয়োক পদ।
তাকে শুনি নৰলোকে পাইব পৰমপদ॥ ৬০৭
শুনিয়ো শঙ্কৰ তুমি ভক্ত মহাজন।
বাঢ়য় কৰুৰ পদ কৰা নিবন্ধন॥
হৰিৰ ভক্তিক তুমি কৰিয়ো প্ৰচাৰ
হৰি ভক্তি নবে হৌক সংসাৰৰ পাৰ॥ ৬০৮
শুনিয়ো শ্ৰীধৰ তুমি মোৰ বাক্য ধৰা।
জ্যোতিষক ভাঙ্গি তুমি সাধাৰণ কৰা॥
বকুল কায়স্থ তুমি ভাঙ্গা লীলাৱতী।
অল্পতে বুজয় যেন কায়স্থে সম্প্ৰতি॥ ৬০৯
এহিমতে পণ্ডিত সবক বুলিলন্ত।
তেবে কলিযুগে শাস্ত্ৰ লোপ নহৈবন্ত॥
ভাল বুলি প্ৰশংসা কৰিলা সৰ্ব্বজন।
ভাগে ভাগে গ্ৰন্থ কৰিলেক নিবন্ধন॥ ৬১০
সেই গ্ৰন্থ নিয়া সবে ৰাজাক দেখাইলা।
তাক চাই মহাৰাজা আনন্দ লভিলা॥
পণ্ডিত সবক পাচে কৰিলা সন্মান।
ধন বস্ত্ৰ বস্ত্ৰ অলঙ্কাৰ দিলা দান॥ ৬১১
সমস্তকে পঢ়াইলন্ত কৰিয়া দণ্ডিত।
স্ত্ৰী শূদ্ৰ আদি সবে ভৈলন্ত পণ্ডিত॥
দেৱ দামোদৰ আদি সঙ্গ বাৰজন।
ধৰ্ম্ম প্ৰকাশিলা সবে শ্ৰৱণ কীৰ্ত্তণ॥ ৬১২
শিষ্যগণে সৎসঙ্গৰ ভকতি কৰন্ত।
দুষ্ট চিত্ত শুচি সবে বৈষ্ণৱ ভৈলন্ত॥
ধৰ্ম্ম শিক্ষা দিয়া ৰক্ষা পালি নিজ প্ৰজা।
সেহি দিনা ধৰি নাম ভৈলা ধৰ্ম্মৰাজা॥ ৬১৩

নৰনাৰায়ণ যুগৰ আৰু ৰজাৰ পৃষ্ঠপোষিত কবি আৰু পণ্ডিত সকলৰ নৃপতিৰ উদ্দেশ্যটৈ লিখা কবিতাৱলী অতি মনোৰম। কবিবৰ মহাপুৰুষ শঙ্কৰদেৱে দ্বাত্ৰিংশক ভটিমাত লিখিছে,—

জয় জয় মল্ল-নৃপতি ৰস খান।
যাকেৰি গুণ গাথ, সম নাহি আন॥
নিজ কুল কুমুদ প্ৰকাশিত ইন্দু।
গহীন গম্ভীৰ ধীৰ পেখিতে সিন্ধু॥ ......

জয় জয় ঈশ্বৰ পদ-প্ৰসাদ মল্লদেৱ কৰু ৰাজ।
নটক ভাটক পশ্চিম দেশক,
যত যত পণ্ডিত আৱে।
ঘোটক কম্বল, বহুত ৰতন,
আপনহি মন পুৰি পাৱে॥
অস্ত্ৰত শস্ত্ৰত শাস্ত্ৰত পাৰ্গত
বিপক্ষত আপন জান।
দেৱ ব্ৰাহ্মণক পিতৃক অৰ্চ্চনে,
যাকেৰি নাহি সমান॥
আপন নৃপবৰ ধৰ্ম্ম যুধিষ্ঠিৰ,
বিচাৰত আপন সুজ্ঞান।
কাব্য কবিত্ব শশধৰ পণ্ডিত,
ধনুৰ্দ্ধৰ অৰ্জ্জুন সমান॥ ......
কহলো তয়ু গুণ হামু শিশুমতি
সৱস সকল মুহ দোষ।
কহয়ে শঙ্কৰে নজানো সভাসদ
পাত্ৰ মধ্যে ই কথা পুছ॥

কবিবৰ ৰামসৰস্বতীয়ে পুষ্পহৰণ বনপৰ্ব্বত লিখিছে,—

জয় নৰনাৰায়ণ ৰাজ শিৰোমনি।
সম্ভৱ পৰম মিত্ৰ জুইৰ অগনি॥
আমাক কৰিলা আজ্ঞা সাদৰ বচনে।
"ভাৰত পয়াৰ তুমি কৰিও যতনে॥ ......
ধন বস্ত্ৰ অলঙ্কাৰ দিলা বহুতৰ।
দাস দাসী দিয়া মান কৰিলা বিস্তৰ॥

এতেকে তাহান আজ্ঞা ধৰিয়া মনত।
কৃষ্ণৰ চৰণ যুগ কৰি শিৰোগত॥
বিৰচিবো পদ হৈলো আতি অনুপাম।
পুষ্প যে হৰণ বনপৰ্ব্ব যাৰ নাম॥

প্ৰয়োগ ৰত্নমালা ব্যাকৰণৰ ভণিতাত পুৰুষোত্তম বিদ্যাবাগীশে লিখিছে,—

শ্ৰীমল্লদেবস্য গুণৈক সিন্ধো
ৰ্যতি মতেন্দ্ৰস্য যথা নিদেশম্।
হন্তাং প্ৰয়োগত্তম ৰত্নমালা
বিতন্মতে শ্ৰীপুৰুষোত্তমেন॥

এই মহাৰাজ নৰনাৰায়ণৰ চৰিত্ৰ কেনে মহীয়ান। ইফালে যেনে দিগ্‌বিজয়ী অদ্বিতীয় বীৰপুৰুষ, সিফালে তেনে জ্ঞানধৰ্ম্ম বিস্তাৰত তৎপৰ আৰু উৎকণ্ঠিত। তেওঁৰ যুগত তেওঁ ধৰ্ম নাৰায়ণ আৰু মল্লদেৱ এইদুই উপাধিৰে বিভূষিত হৈছিল। সাত্বিক আৰু ৰাজসিক এনে অভিনৱ সমাবেশ জগতৰ বুৰঞ্জীত কেইজন নৃপতিৰ গাত পোৱা যায়।

এই নৰনাৰায়ণ ৰজা অসমীয়াৰ বিক্ৰমাদিত্য, অসমীয়াৰ মেকাচ অ'ৰেলিয়াচ, অসমীয়াৰ অলফ্ৰেড, অসমীয়াৰ আকবৰ। কৰতোয়াৰ পৰা দিকৰাই লৈকে অসমীয়া ভাষা কোৱা আৰু পঢ়া মানুহ মাত্ৰেই মহাৰাজ নৰনাৰায়ণৰ ধৰ্মপ্ৰাণতা আৰু সাহিত্য-সহানুভূতিৰ আদৰ্শ পূজা কৰি থাকিব। মহামায়া কামাখ্যা, শঙ্কৰদেৱ আৰু ৰামসৰস্বতীৰ গ্ৰন্থাৱলী যেনেকৈ অসমীয়াৰ আদৰণীয় সেইদৰে মহাৰাজ নৰনাৰায়ণৰ স্মৃতিও অসমীয়াৰ তৃতীয় গৌৰৱৰ সম্ভাৰ হ'ব। সুদূৰ অসমীয়া গাঁৱত যেতিয়া নামতী সকলৰ কণ্ঠৰ পৰা

আই ঠাকুৰাণী আই,
কেন্দুকে চাপৰি বাই,
কুঞ্জাক্ষৰ জলাই দি ৰজাই জুমি চায়,
নাচে ঠাকুৰাণী আই।

বুলি গীতৰ অমৃত ধাৰা বৰৈল ধৰে, তেতিয়া মহামায়াৰ নৃত্য দৰ্শন কুতুহল মহাৰাজ নৰনাৰায়ণৰ ছবি চকুৰ আগত ভাহি আহে।

মহাৰাজ নৰনাৰায়ণৰ মৃত্যুৰ পাছত তেওঁৰ স্থাপিত সুবিস্তৃৰ্ণ কুচবিহাৰ ৰাজ্য ভাঙিচিঙি এখুদমানি হয়গৈ। তেওঁৰ সন্ততি সকলে লৰং বেলতলা, বিজনি আদি সৰু সৰু ৰাজ্য স্থাপন কৰে, ইফালে ৰংপুৰৰ বৈকুণ্ঠপুৰ জমীদাৰীৰ ভোগদখল বিশ্বসিংহৰ ভ্ৰাতৃ শিৱসিংহৰ সন্ততিয়ে কৰি আছিছে। আজি হাবিয়া মৰলৰ সন্ততি সকলে কোনো এখন সংলগ্ন ৰাজ্যৰ অধিপতি হৈ থকা নাই সচা, কিন্তু তেওঁলোকে য'তে শাসন কৰিছে ত'তে জ্ঞান লিপ্সা আৰু ধৰ্ম প্ৰাণতাৰ কাৰণে অতুল গৌৰৱ উপাৰ্জ্জন কৰিব পাৰিছে।

এই কোচবংশৰে ধৰ্ম্মনাৰায়ণ আৰু সমুদ্ৰনাৰায়ণ ৰজা অসমীয়া সাহিত্যৰ পৰম অনুৰাগী আৰু উৎসাহদাতা আছিল, তাৰ উপৰি কোচবিহাৰৰ নৃপতি মহাৰাজ হৰেন্দ্ৰ নাৰায়ণ ভূপ বাহাদুৰ নিজে এজন প্ৰসিদ্ধ কবি আছিল।

মহাৰাজ নৰনাৰায়ণৰ ৰাজত্ব কালত অতীত যুগৰ কামৰূপ ৰাজ্যৰ পুনৰ সংগঠন হোৱা যেন হৈছিল, অৰ্থাৎ প্ৰাচীন কামৰূপ ৰাজ্যৰ চামিলত যিবোৰ ৰাজ্য আছিল, মহাৰাজ নৰনাৰায়ণৰ কুচবিহাৰ ৰাজ্যৰ অধীনতো প্ৰায় সেইবোৰ ৰাজ্য আছিল। কিন্তু নৰনাৰায়ণৰ পৰবৰ্ত্তী কোনোজন ৰজাই সেই প্ৰাচীন কামৰূপ ৰাজ্যৰ পুনৰ সংগঠন কৰিব নোৱাৰিলে।

মহাৰাজ নৰনাৰায়ণৰ মৃত্যুৰ প্ৰায় দুশ বছৰৰ পাছত আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই কৰতোয়া সমীপবৰ্ত্তী সকলো ৰাজ্য বশ কৰি অসমৰ চামিলত ৰাখি পুনৰ প্ৰাচীন কামৰূপ ৰাজ্য সংগঠিত কৰিব খুজিছিল। তেওঁৰ দিনত তেওঁৰ পিতৃদেৱ স্বৰ্গদেউ গদাধৰ সিংহই আৰু ৰঙামাটিৰ নবাব মনছুৰ খাঁ নিৰ্দ্ধাৰিত সন্ধিমতে মানাহা নদী অসম আৰু বঙ্গদেশৰ পশ্চিম সীমা আছিল। ইয়াৰ চুহুংমুং দিহিঙ্গীয়া ৰজাৰ দিনত কনচেং বৰপাত্ৰ গোহাঁই ডাঙ্গৰীয়াই যেদিনি কৰতোয়াৰ পানীত নিজৰ হাতেৰে তুৰ্কীকৰ ৰক্তেৰে ৰঞ্জিত তৰোৱাল ধুইছিল। তেতিয়া কৰতোয়াৰ সন্নিকটত অসমৰ বিজয় চিহ্ন স্বৰূপে এটি মন্দিৰ প্ৰতিষ্ঠিত হয়। আৰু কৰতোয়ালৈকে অসমৰ সীমা নিৰ্দ্ধাৰিত হয়।

ৰুদ্ৰসিংহ স্বৰ্গদেৱে থিৰ কৰিলে, অসমত এই পশ্চিম সীমা কৰতোয়ালৈকে ৰাজ্য বিস্তাৰ কৰিব লাগিব। সেই উদ্দেশ্যে অসমত সীমান্তবৰ্ত্তী অসমৰ ৰাজস্বৰূপ



ডফাদি আৰু জয়ন্তীয়া ৰাজ্য নিজৰ কৰতলীয়া কৰি যুদ্ধৰ সৈন্য আৰু আহিলা পাতি বন্দবস্ত কৰিলে। অসমৰ প্ৰজাসকলৰ মাজত এটি ঢৌ উঠি গ'ল,—যে মহাৰাজ ৰুদ্ৰসিংহই পবিত্ৰ গঙ্গা নদীক নিজৰ ৰাজ্যৰ অন্তৰ্গত কৰিব খুজিছে,—

হিন্দুৰ পবিত্ৰ গঙ্গা বহে বঙ্গদেশে
লৈলে বঙ্গ গঙ্গা নিজ ৰাজ্যত প্ৰবেশে।
বঙ্গ আক্ৰমণ ৰুদ্ৰসিংহে কেলা থিৰ,—
"ভগীৰথ হৈবা আনিবোহোঁ গঙ্গানীৰ।
বঙ্গক আক্ৰাম নিজ ৰাজ্য ভুক্ত কৰি
বোৱাইবো গঙ্গা মোৰ ৰাজ্যৰ ভিতৰি"

ৰুদ্ৰসিংহ স্বৰ্গদেৱে নিজৰ মহাসংকল্পৰ কথা পাত্ৰমন্ত্ৰী সকলক ভাঙ্গি কলে,—"মানাহৰ পৰা যিবিলাক ৰাজ্য আমি সম্প্ৰতিকে হেৰুৱাইছোঁ সেই সকলোবিলাক আমাৰ পূৰ্ব্বপুৰুষ সকলৰ শৰণীয়া আছিল। এতিয়া আমি সঙ্কল্প কৰোঁ, সেই ৰাজ্যবোৰ পুনৰ অধিকাৰ কৰি অসমৰ পুৰাকলীয়া পশ্চিম সীমা গুভোতাই অন্য হওক।" মহাৰাজ ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ এই দিগ্বিজয়ী প্ৰস্তাৱ তেওঁৰ পাৰিষদ্‌ সকলে কি ওজস্বী ভাষাৰে গ্ৰহণ কৰিছিল, সেই পৰামৰ্শৰ বিৱৰণ হাতে লিখা অসম বুৰঞ্জীত লিপিবদ্ধ হৈ আছে, তাৰে হুবহু টোকা আনি তলত দিলো। ৰুদ্ৰসিংহ স্বৰ্গদেৱে তেওঁৰ তিনিজনা গোহাঁই ডাঙৰীয়া, ৰৰুৱা ফুকন সমস্তকো সুধিলে, মই ঢকা সীমাকৈ ৰজাসবাৰ পৰা এই ৰাজ্য মাৰিবলৈ মনকৰোঁ, তোমালোকে কি বোলা. কেন্দুগুৰীয়া বৰ পাত্ৰ গোহাঁয়ে কথাতে ভৰ দি বোলে—স্বৰ্গদেৱে উত্তমহে সুধিছে, কৰতোয়া-গঙ্গাক সীমা কৰি আমাৰেহে ৰাজ্য। আমি মন কান দিদিবৰ ধাৰাইহে শত্ৰুয়ে লৈছে। ৰজা হলে পৰশত্ৰুক মাৰি, আপোনাৰ সীমনা ৰাখি ৰাজ্য কৰিলেহে যোগ্য। আৰু নাও-নাওৰা আহিলা পাতি বহুতো হৈছে। স্বৰ্গদেৱৰ আজ্ঞা হলে তাক মৰা যাব। ৰজীয়া ফুকন বুঢ়াগোহাঁয়ে বোলে,—স্বৰ্গদেৱে উত্তমহে কৈছে। স্বৰ্গদেউৰ পূৰ্ব্বে পুৰিন ৰজাদেৱে তেজ শক্তিৰ বলে ৰঙামাটী চৰাই কৰতোয়া গঙ্গাত ঘাও পখালি গৈছে। তেতিয়া তাক আচল হেন দেখি গুৱাহাটীত থানা কৰি মানাহা সীমা কৰি গৈছে। জয়ধ্বজ ৰজাদেৱৰ দিনত এনে আহিলা পাতি বহুতো আছিল, তথাপি তেওঁৰ নাম হ'ল ভগনীয়া ৰজা, অস্ত্ৰ—সস্ত্ৰ আহিলা পাতি সমস্তো জড়, স্বৰ্গদেউৰ বন্দিবেটাহে চেতন, সেইয়ে চলালেহে চলে তাৰো বলাবল বুজিব লাগে। শত্ৰুৰ বলাবল বুজিব লাগে, জয় পৰাজয় হৈয়ো আছে, আকো বিশেষ ৰূপে বুজিহে বাঢ়িবলৈ ভাল হেন দেখি, তথাপি স্বৰ্গদেৱে যি বুলিব সেয়েহে হব।" ৰজাদেৱে পুনৰপি বোলে,—সৰ্ব্বকালে গোহাঁই বোৰৰ এনেহে কথা, এই বুলি বিদায় দিলে। পাচত ৰৰুৱা ফুকন সময়ে বোলে, স্বৰ্গদেউ, গোহাঁই বোৰক নালাগে, আমাক আজ্ঞা কৰক ঢকা সীমা কৰি আমি মাৰোগৈ।"

এই প্ৰস্তাৱমতে ৰুদ্ৰসিংহ স্বৰ্গদেৱে ছয় লক্ষ সৈন্য আৰু সকলো যুদ্ধৰ সম্ভাৰ লৈ গুৱাহাটীত বাহৰ কৰিলে কিন্তু ৰজা গুৱাহাটীত বাহৰ কৰা কালত স্বৰ্গদেৱত বসন্ত ওলাই মৃত্যু হোৱাত তেওঁৰ মহান সংকল্প তেওঁৰ মৃত্যুৰ লগে লগে অৱসান হল। মুমূৰ্ষু ৰুদ্ৰসিংহ স্বৰ্গদেৱে তেওঁৰ পাচোটা পুতেকক মাতি আনি ক'লে, "সদাই মিত্ৰভাৱে থাকিবা তেনেহলে তোমালোকৰ সকলো চেষ্টা সিদ্ধ হব, অমিত্ৰ হৈ থাকিলে একো সিদ্ধ নহব। বুঢ়া হোৱা ডেকা হোৱা তোমালোকে আটাই কিজনে অনুক্ৰমে ৰজা হবা। মই মোৰ দাতিয়লীয়া ৰাজ্য বিলাকক দমালোঁ, আৰু কৰতোয়া লৈৰ সংলগ্ন দেশবোৰ কৰতলীয়া কৰিবলৈ মই অভিলাষ কৰিছিলোঁ। মোৰ কামনা মোৰ মৃত্যুৰ লগে লগে ধ্বংস হব। হায় মোৰ বাসনা কাৰ্য্যত পৰিণত কৰিবলৈ কাৰ সামৰ্থ্য?"

ইংৰাজী ১৭৯৩-১৮০০ চনত ডাক্তৰ জে, পি ওৱেডে লিখা অসম বুৰঞ্জীত ইয়াৰ বিৱৰণ কিদৰে আছে শুনক,—

AN ACCOUNT OF ASSAM. By J. P. WADE F. A. S. B. written in 1793-1800.

Four years had elasped since the conquest of Kachar and Jayantia, when Swargodeo summoned a general assembly of his nobles at Rungpoor. He expatiated

dress in this fashion and they also attend the markets and transact the buying and selling, to the almost total exclusion of the men.

আপোনালোকে কামৰূপাধিপতি ধৰ্ম্মপাল ৰজাৰ নাম শুনিছে। এওঁৰ বোৱাৰীয়েক মইনামতী বা মীনাৱতী বিষয়ক গান পূৰ্ব্ববঙ্গৰ নানান ঠাইত প্ৰচলিত। মইনা মতীৰ পুতেক গোপীচন্দ্ৰ। সন্তান ৰাখগা বিধবা মইনা মতীয়ে সংসাৰ বিৰাগী পুতেকৰ মন পাহৰাবলৈ গোপী চন্দ্ৰক এশজনী দিপলিপ কন্যা বিয়া কৰাই দিয়ে। তথাপি গোপীচন্দ্ৰক সন্ন্যাস ধৰ্ম্ম গ্ৰহণ কৰাৰ পৰা মাকে বিৰত কৰাব নোৱাৰিলে। পুতেকৰ সংসাৰ ত্যাগ অভি-লাসত মাতৃ মিনাৱতী আৰু প্ৰধানা ৰাজমহিষী অদুনা আৰু পদুনাৰ বিলাপ লৈ গোপীচন্দ্ৰৰ গীত ৰচিত হৈছে। সেই গীত ১৮৭৮ খৃষ্টাব্দত Journal of the Asiatic society of Bengal কাকতত Grierson চাহাবে প্ৰকাশিত কৰিছিল, আৰু বৰ্ত্তমানে ঢাকা সাহিত্য পৰিষৎ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰাও মইনামতিৰ গান বা গোপীচন্দ্ৰৰ গীত প্ৰকাশিত হৈছে। Glazier ৰ ৰিপৰ্টত এই বিষয়ে আছে,—

Gopichandra succeeded to the vacant guddee, but he did not govern; Minavati would not so readily part with her authority. She provided him with hundred wives, and when he grew tired of their embraces his mother persuaded him to dedicate his life to religion..................A poem called. Sivar-Git, sung by yogi bards, and recounting the lamentations of Gopie's numerous wives at his departure. was said to be popular in Kamrup at the begining of this century; an indication that the rule of the Pal kings included that province as well as well as Rungpore.—Page 10.

পূৰ্ব্ব বঙ্গত প্ৰচলিত এই গীতৰ লগত আমাৰ অসমীয়া এটা গীতৰ সাদৃশ্য দেখা গৈছে। আজি কিছু দিনৰ পূৰ্ব্বে শ্ৰীমান ৰূপেশ্বৰ দত্ত নামে কটন কলেজৰ ছাত্ৰ এজনে "জনা গাভৰুৰ গীত" নামে এটা প্ৰাচীন গীত প্ৰকাশ কৰিছে। সেই গীতৰ নায়ক গোপীচন কোঁৱৰ বা গোপীচন্দ্ৰ। এই গোপীচন কোঁৱৰৰ পিতাক সৰুতে ঢুকায়, মাকে বহু যত্নেৰে কোঁৱৰক তুলি তালি ডাঙৰ দীঘল কৰে, আৰু এশ ভাৰ্য্যা বিবাহ কৰাই দিয়ে। কিন্তু জনা নামে এগৰাকী ৰাজ কুমাৰীয়ে তেওঁৰ পাণি-প্ৰাৰ্থী সহস্ৰ কোঁৱৰক বন্দী কৰি থৈছে। গোপীচন্দ্ৰৰ সখীয়েক কলিধনো সেই জনাৰ ওচৰত অপমানিত হৈ আহিছে। জনা গাভৰুৰ বুদ্ধি আৰু বল পৰীক্ষা কৰি-বলৈ গোপীচন কোঁৱৰ যাবলৈ ওলাল। তেওঁৰ এই উদ্দেশ্যত মাক আৰু ভাৰ্য্যাসকলে বিলাপ কৰিবলৈ ধৰিলে,—

মাতক মাতি গল বুকৰ বাৰী মাকে
কোঁৱৰৰ মুখলৈ চাই,
কেচুৱা কালতে বাপেৰো মৰি গল,
সহায় সাৰথি নাই।
এপতিয়াৰ পৰা তুপতিয়া কৰিলে,
সহায় কোন আছিলে তোৰ!
বুকুত বান্ধি ডাঙৰ কৰিলোঁ,
বোপাই, হাক দিয়া শুনন মোৰ!
বাপেৰে আনিছিল ছপোন লিগিৰী
নপোন আনি দিলোঁ মই।
নপোন লিগিৰীয়ে গা জুৰ নকৰে
আৰু ছপোন আনি দিওঁ মই॥
মাতক মাতি গল বুকৰ কুঁৱৰীয়ে,
কোঁৱৰৰ চিৰি মুখ চাই,
অতি হেপাহেৰে আয়ে বিয়া দিলে,
পুৰুষত বিশ্বাস নাই।
অচিনা কাঠেৰে থোৰাকো নলৰা,
আৰু নেৰানিবা ধান,
নেজানে শুভনি আমাক বিয়া দিলে,
কোঁৱৰে নেৰাখে মান।
গৰুচৰ ৰাজালৈ নটৰ কলিধনে
কাৰে বুদ্ধি পাই গলে,
জনা গাভৰুয়ে নাক-কাণ কাটিলে,
কাললৈ খিয়াতি থলে॥



আথৈ খাই খাই পেট নভৰিলে,
নিয়ৰত নিতিতিল ভৰি,
ন পোন কুঁৱৰীয়ে কান্দিব লাগিছে
কোঁৱৰৰ ভৰিতে পৰি।......
শৰাইৰে গুৱাপানে শৰাইতে শুকাল,
শুশুকাই কৰিবা কি?
অভাগীৰ কপালত সুখ নেলেখিলে
কপালত লেখিলে যি?
পাটী পাৰি পাৰি নোশোওঁ আজিৰ পৰা,
নোশোওঁ পাটী-চাৰী পাৰি,
অবুজন কোঁৱৰক বুজাব নোৱাৰি,
ফুলতে কৰিলে বাঁৰী।
মাতক মাতিগল গোপীচন কোঁৱৰে
কুঁৱৰীৰ চিৰিমুখ চাই,
সত্যে শপতে মিছা নেমানিবি
তিৰীৰ আশাত ওলোৱা নাই।

অৱশ্যে গোপীচন্দ্ৰৰ গীত হিন্দী আদি ভাষাতো পোৱা যায়, কিন্তু অসমীয়া ভাষাত পোৱাতো বিশেষ লক্ষ কৰিব লগীয়া, কাৰণ ই প্ৰাচীন কামৰূপৰ ধৰ্ম্মপাল ৰজাৰ বংশ-ধৰ আৰু ভাই-বোৱাৰী আৰু ভতিজাৰ কথা লৈ লিখা। গোপীচন্দ্ৰৰ কাহিনীয়ে উজনী আৰু নামনি অসমত যেনেকৈ মানুহৰ মনত আঘাত কৰিছিল, সেইদৰে ৰংপুৰৰ মানুহৰ মনতো দকৈ সি শিপাব পাৰিছিল। কোনো প্ৰত্নতত্ত্বজ্ঞ ৰংপুৰ, কোচবিহাৰ, জলপাইগুৰি, আৰু মৈমনসিংহৰ ভিতৰ অঞ্চলত পৰিভ্ৰমণ কৰি সেইবোৰ ঠাইত থকা প্ৰাচীন কামৰূপ ৰাজ্যৰ ভগ্নাৱশেষ পুথি স্মৃতিচিহ্ন, কিম্বদন্তী, প্ৰবাদ আদি উদ্ধাৰ কৰিব পাৰিলে দেশৰ বিশেষ মঙ্গল হয়, আৰু তাৰ দ্বাৰা কৰতোৱা নদীয়া নিবাসী সদৌ কামৰূপী জাতীয়ে গৌৰব অনুভৱ কৰিব, আৰু সকলোৱে যে অতীত কালত একে ৰজা আৰু শাসনৰ অন্তৰ্গত আছিল এই কথাটোৰ উপলব্ধিৰে তেওঁলোকৰ অন্তৰত একতা আৰু মিত্ৰতাৰ সুবৰ্ণ মন্দিৰ প্ৰতিষ্ঠা কৰিব পাৰিব।

এই খিনিতে আপোনালোকৰ আগত এখন বহুমূলীয়া গ্ৰন্থৰ পৰিচয় দিব খোজোঁ। ই হৈছে হৰেন্দ্ৰনাৰায়ণ চৌধাৰী প্ৰণীত কোচবিহাৰ ৰাজ্যৰ বিবৰণ কোচবিহাৰৰ স্বনাম ধন্য অধিপতি স্বৰ্গীয় মহাৰাজা চাৰ নৃপেন্দ্ৰ নাৰায়ণ ভূপ বাহাদুৰৰ আদেশত সঙ্কলিত হৈ এই গ্ৰন্থ ১৯০৩ খৃষ্টাব্দত প্ৰকাশিত হয়। ই এখন ৭০০ পৃষ্ঠাৰ সুবৃহৎ গ্ৰন্থ, আৰু ইয়াত কোচবিহাৰ ৰাজ্যৰ মেপ আৰু নানান ছবি আছে। এই গ্ৰন্থ সঙ্কলন কৰোতে লিখকৰ যে বহুবছৰ ব্যাপী উৎকট পৰিশ্ৰম হৈছিল তাক সকলোৱে স্বীকাৰ কৰিবলৈ বাধ্য হব। ইয়াত কোচবিহাৰ সংক্ৰান্ত সকলো জানিব লগীয়া কথা লিপি বদ্ধ আছে।— কোচবিহাৰৰ ভৌগোলিক বিবৰণ, মাটি, হাৱা পানী, হাট-বজাৰ, মহকুমা পৰগণা, যাতায়াতৰ সুবিধা উৎপন্ন বস্তু, প্ৰজাৰ অৱস্থা, প্ৰজা-বিভাগ, আচাৰ ব্যৱহাৰ শিক্ষা ব্যৱসায়, খেতি-বাতি, ভাষা বুৰঞ্জী, শাসন প্ৰথা ভূস্বত্ব আদি সকলো ৰাজ্য সংক্ৰান্ত তথ্য সন্নিবিষ্ট আছে। ভবিষ্যত যুগত এই গ্ৰন্থ কিমান আদৰণীয় আৰু মূল্যবান হ'ব তাক আপোনালোকে সহজে অনুমান কৰিব পাৰিব। আমাৰ দুখৰ বিষয় যে আহোম ৰাজ্যৰ বিষয়ে এনে এখনি পুথি নথকাত আমি সেই ৰাজ্যৰ শাসন প্ৰথাৰ তথ্যৰ কাৰণে হাবাথুৰি খাই ফুৰিব লগাত পৰিলোঁ। হৰেন্দ্ৰ নাৰায়ণ চৌ: গ্ৰন্থত ২৪০ পৃষ্ঠা ব্যাপি কোচবিহাৰৰ বুৰঞ্জী দিয়া হৈছে, তাত প্ৰাচীন কামৰূপৰ ধাৰা বাহিক ইতিহাস, কমতাৰ বিবৰণ আৰু নৰণাৰায়ণ আদি ৰজা সকলৰ শাসন কাহিনী দিয়া হৈছে, এই গ্ৰন্থ সকলো অসমীয়াই পঢ়া উচিত। আমি দেখি বিশেষ আনন্দ পালোঁ যে বুৰঞ্জী কাৰ হৰেন্দ্ৰনাথ চৌধাৰী সকলো কথাতে সত্য আবিষ্কাৰ আৰু সত্য লিপিবদ্ধ কৰাৰ চেষ্টাৰ দ্বাৰা অনুপ্ৰাণিত হৈছে। কিছুমান বুৰঞ্জী লিখকে বুৰঞ্জী লিখিবলৈ আগবাঢ়ি উপন্যাস লিখিবলৈ আৰম্ভ কৰে, আৰু কেইটামান উদ্দেশ্য-প্ৰণো-দিত যুক্তিৰ অৱতাৰণা কৰি সেই বুৰঞ্জী মূলক উপন্যাস খনকে বুৰঞ্জী বুলি জগতৰ আগত প্ৰচাৰ কৰে। এই সকল ঔপন্যাসিক—বুৰঞ্জী কে হাইটোকে পাৰ কৰে, আৰু মেৰুৰীটোক বাঘ কৰে, এওঁলোকে নিজ উদ্দেশ্য সিদ্ধি কৰি তৃপ্তি লাভ কৰে সচা, কিন্তু সত্যপ্ৰিয় পাঠকে বুৰঞ্জী লিখকৰ কল্পনাৰ অবাৰিত লয়লাস নৃত্য

( ১১ ) Hieuntsang, Tavernier, Bernier, Manucci, Ralph Fitch, আদি বিদেশী ভ্ৰমণকাৰী-সকলে অসমৰ বিষয়ে লিখি যোৱা বিৱৰণৰ সংগ্ৰহ।

( ১২ ) অসম, কামৰূপ বা প্ৰাগজ্যোতিষৰ সম্পৰ্কে সংস্কৃত গ্ৰন্থাৱলীত থকা বিৱৰণ বা উল্লেখ কৰা কথা সংগ্ৰহ।

( ১৩ ) অসমৰ জিলা, বিভাগ আৰু প্ৰাদেশিক ৰাজধানীৰ মহাপেচ্‌খানাৰ দপ্তৰত থকা ঐতিহাসিক মূল্যৰ কাকত-পত্ৰৰ সাৰাংশ আৰু তাৰ প্ৰকাশৰ ব্যৱস্থা।

( ১৪ ) ইষ্ট্‌ ইণ্ডিয়া কোম্পানীৰ আমোলৰ কাগজ-পত্ৰ আৰু পুথি-পাঁজিত অসমৰ সম্পৰ্কে থকা বিৱৰণী সংগ্ৰহ।

( ১৫ ) অসমৰ হিন্দু আৰু আহোমযুগৰ শিলালিপি আৰু তাম্ৰলিপি বা তাৰ পাঠৰ সংগ্ৰহ।

( ১৬ ) অসমৰ দাতিকাষৰীয়া জাতিবোৰৰ ব্যৱহাৰ কৰা সাজ-বাচন, যুদ্ধৰ সামগ্ৰী ইত্যাদি সংগ্ৰহ।

( ১৭ ) অসমৰ লুপ্ত হোৱা শিল্প, কাৰু কাৰ্য্য বা স্থপতি বিদ্যাৰ নমুনা।

( ১৮ ) অসমৰ প্ৰাচীন সঙ্গীতৰ উপাদান সমূহৰ নমুনা, যথা, বীণা, টোকাৰি, ডম্বৰু, পাখোৱাজ, মৃদঙ্গ, খোল, তাল, পেপা, টকা, গগনা, তাল, ঢোল, কালি, ডবা, কাঁহ, ঢাক, ।

অসম বুৰঞ্জীৰ অন্তৰ্গত আলোচনা আৰু সংগ্ৰহ কৰিব লগীয়া সকলো বিষয় লিপিবদ্ধ কৰা অসম্ভৱ; কাৰণ বুৰঞ্জীৰ শাখা-প্ৰশাখা কোনেও গম্ভি কৰি অন্ত কৰিব নোৱাৰে। এটা সাধাৰণ অসমীয়া মানুহে আজি ১৯২৬ চনৰ ২০ অক্টোবৰ তাৰিখে আন এটা মানুহলৈ এখন চিঠি লিখিছে। আজিৰপৰা এশ বছৰৰ পাচত এই খন চিঠিৰ গাত বুৰঞ্জী হিচাবে মহামূল্য লম্ভিব। কাৰণ এইটো নিশ্চয় এশ বছৰৰ মূৰত মানুহে আজিৰ দৰে চিঠি লিখিবলৈ আৰু আজিৰ ভাষা ব্যৱহাৰ কৰিবলৈ এৰিব।

সামৰণি।

উপস্থিত ভদ্ৰমহিলা আৰু ভদ্ৰমহোদয় সকল, আৰু এটি কথা কৈ মই আপোনালোকৰ ওচৰৰ পৰা বিদায় মাগিলোঁ। দেশৰ বুৰঞ্জী চৰ্চ্চা বাঢ়ক, অতীতৰ নিহিত সত্যৰ উদ্ঘাটন হওক। এই কথা সকলোৱে স্বীকাৰ কৰিব। কিন্তু একানপতীয়া বুৰঞ্জী চৰ্চ্চা কৰিবলৈ হলে কেনে ধৰণৰ একনিষ্ঠতা লাগে, আৰু সেই একনিষ্ঠতা অসমীয়াৰ ভাগ্যত আছেনে নাই, তাকো এবাৰ ভাবি চাবলগীয়া। প্ৰত্যেক অসমীয়াই সংসাৰ-সংগ্ৰামত পেটৰ লাগি জলাকলা হোৱাৰ নিচিনা। তাৰ ভিতৰত যি ধনেকীয়া আছুৰি পোৱা যায় তাকেহে আজিৰ অসমীয়াই বুৰঞ্জী আৰু সাহিত্যৰ চৰ্চ্চাত লগাব পাৰিছে। গতিকে সংসাৰ নিৰ্ব্বাহৰ ফালে একেবাৰে নিশ্চিন্ত হৈ বুৰঞ্জী চৰ্চ্চাত কোনো অসমীয়াৰে একাণপতীয়াকৈ লাগিবৰ শক্তি নাই। এই বুৰঞ্জী চৰ্চ্চাৰ উন্নতি কৰিবৰ হলে অৰ্থৰ প্ৰয়োজন। সেই অৰ্থৰে সত্য পিপাসু অনুসন্ধানকাৰীক জীৱন সংগ্ৰামৰ পৰা অব্যাহতি দিব লাগিব। তেওঁৰ গ্ৰন্থাদি ৰচনাৰ সুবিধাৰ কাৰণে প্ৰাচীন পুথি-পাঁজি আৰু পুৰাতত্ব বিষয়ক গ্ৰন্থ ভঁৰালৰ সাহায্য দিব লাগিব; তেওঁৰ ৰচিত, সঙ্কলিত, সম্পাদিত গ্ৰন্থাৱলী প্ৰকাশ কৰিবৰো ব্যৱস্থা থাকিব লাগিব। তেতে ঐতিহাসিকে নিৰ্ব্বিবাদে কাম কৰি যাব পাৰে। কিন্তু এইবোৰ সুবিধাৰ সৃষ্টি কৰিবলৈ হলে বিপুল অৰ্থৰ প্ৰয়োজন। এই কথাৰাৰ উপলব্ধি কৰি কলিকতা বিশ্ববিদ্যালয়ত ঐতিহাসিক আলোচনাৰ সুচল কৰাৰ অৰ্থে জীৱন আহুতি দিয়াৰ কাৰণে স্বৰ্গীয় আশুতোষ মুখোপাধ্যায়ৰ নাম দেশপূজ্য আৰু চিৰস্মৰণীয় হৈ থাকিব। আৰু সেই কাৰণেই "অস্ত্ৰত শস্ত্ৰত শাস্ত্ৰত পাৰ্গত" অসমীয়া নৃপতি মহাৰাজ নৰনাৰায়ণৰ স্মৃতি আমি আজিও সদৌ অসমীয়াই পূজা কৰিছোঁ। এই জনা মহাৰাজে কবিবৰ ৰামসৰস্বতীক অকল মহাভাৰত অনুবাদ কৰিবলৈ দিয়েই ক্ষান্ত নহৈছিল। কবিয়ে যাতে সংসাৰ চিন্তাৰপৰা মুক্তি লাভ কৰি শাস্ত্ৰ আলোচনাত একনিষ্ঠ ভাৱে মনোনিবেশ কৰিব পাৰে তাৰ কাৰণে গুণ-গ্ৰাহী ৰজাই কবিক পুথি-পাজি ভাষ্য-টীকা, বস্ত্ৰ অলঙ্কাৰ, দাস-দাসী দান কৰিছিল,

জয় নৰ নাৰায়ণ ৰাজ শিৰোমণি।
সম্ভৱ পৰম মিত্ৰ দুষ্টৰ অগনি



আমাক কৰিলা আজ্ঞা সাদৰ বচনে।
ভাৰত পয়াৰ তুমি কৰিয়ো যতনে॥
আমাৰ ঘৰত আছে ভাষ্য টীকা যত।
নিওক আপোন গৃহে দিলোঁহো সমস্ত॥
এহি বুলি ৰাজা পাচে বলধি ঘোড়াই।
পঠাইলা পুস্তক সব আপোনাৰ ঠাই॥
দন বস্ত্ৰ অলঙ্কাৰ দিলা বহুতৰ।
দাস দাসী দিয়া মান কৰিলা বিস্তৰ॥

এইদৰে ৰাজন্য আৰু আঢ্যবন্তসকলৰ সহায় নেপালে শাস্ত্ৰ-বুৰঞ্জী আলোচনা যে অসম্ভৱ তাক সকলো অসমীয়াই উপলব্ধি কৰিছে। লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনৰ এখন বুৰঞ্জীত এটা বৰ ভাল কথা পোৱা গৈছে। বিষয়ত লিপ্ত থকা এজন আহোম কোঁৱৰক বিদেশী গোঁসাইৰপৰা মন্ত্ৰ লবলৈ কিছু মানুহে অনুৰোধ কৰিছিল। তাৰ উত্তৰত কোঁৱৰ জনে যি উত্তৰ দিলে সেই কথা বৰ্ত্তমান যুগৰ সাহিত্য, বুৰঞ্জী বা পৰোপকাৰ ব্ৰতৰ মন্ত্ৰত দীক্ষিত হোৱা প্ৰতিজন অসমীয়াৰ গাতে খাটিয়াব।

"মই আহোমৰ ল'ৰা। আমাৰ কি মন্ত্ৰ? আমি বিষয়-ৰৰখীত পৰি আছোঁ। মন্ত্ৰ ললে, মন্ত্ৰ জপিবলৈ ধৰিম, তেনেতে লৰাই মাতিব, তিৰোতাই মাতিব, বিলতীয়াইও কোনো আৱাও কৰিব, স্বৰ্গদেৱৰ ঠাইৰ পৰাও শীঘ্ৰে যাব দিব, এতেকে আমি আহোমৰ ল'ৰা, আমাৰ বাসনা সকলো ভাগৱত ধৰ্ম্মতে প্ৰবৰ্ত্তিছো, আমি ইয়াতে ৰাজি হৈছোঁ। আমাক, আহোমৰ লৰাক কেলৈ মন্ত্ৰ যাচে?"

সেইদৰে সংসাৰলিপ্ত আৰু সংসাৰ-চিন্তাত বিবুধি হোৱা কোনো অসমীয়াই বুৰঞ্জী চৰ্চ্চাৰ মন্ত্ৰত দীক্ষিত হৈ বুৰঞ্জী আলোচনাত বহিলে, লৰাই মাতিব, তিৰোতাই মাতিব, ৰজাৰ ধৰৰ পৰা শীঘ্ৰে যাবলৈ কম্মাচ্‌ আহিব, এতেকে আমি বুৰঞ্জী-মন্ত্ৰ সিদ্ধ কৰিম কেনেকৈ?

কিন্তু এই অৱস্থাত আমাৰ একমাত্ৰ উদ্ধাৰকৰ্ত্তা হৈছে, যিসকলে ঐশ্বৰ্য্যলক্ষ্মীৰ বৰপুত্ৰ হৈ জন্ম গ্ৰহণ কৰিছে, সেইসকলৰ সস্নেহ সহানুভূতি। অসমীয়াৰ আশা ভৰসাৰ একমাত্ৰ স্থল গুৱালপাৰা জিলাৰ জমীদাৰ-সকলে নিজ দেশৰ সাহিত্য-বুৰঞ্জী আলোচনাত উৎসাহ আৰু সহানুভূতি দেখুৱাব, এইটো তেখেতসকলৰ জাতি-ভাই সকলো অসমীয়াই বাঞ্ছা কৰে। আৰু এই আকাঙ্ক্ষা যে কেতিয়াও বিফলে নেযায়, সেইটো সদৌ অসমীয়া ৰাইজৰ দৃঢ় বিশ্বাস।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

---

# গুৱালপাৰ আমাৰ *

১

আকাশ পৰশি উত্তৰে ভোটান
পূবত মানাহ বইছে ধাৰ,
দক্ষিণে পাহাৰ গাৰোৰ নিবাস,
গইছে পশ্চিমে সোনকোষ ধাৰ।

গম্ভীৰ গতিৰে মহান উদ্দেশ্যে
ধায় ব্ৰহ্মপুত্ৰ সাগৰ পাৰ,
আপোন মনেৰে মাজেদি চলিছে
ৰাখি যতনে কতনা পাহাৰ।

* ধুবুৰী সাহিত্য সন্মিলনৰ বাবে গুৱালপৰীয়া ছাত্ৰৰ ৰচনা।

গৌৰাং টিপকাই, চম্পামতী আই
পবিত্ৰ পানী টুনিয়া গঙ্গাৰ
ডুগনৈ, কৃষ্ণাই, জিঞ্জিৰাম সতে
বইছে সদায় বুকত যাৰ।
গোবৰ্দ্ধন গিৰি বুকৰ মাজত
কেনেনো শোভিছে তামৰঙ্গাৰ
গুৱনী দলনি মাজত ৰাখিছে
কতনা টিলাত বাহনি যাৰ
এইয়ে গুৱালপাৰ আমাৰ।

২

দীৰ উৰপদ শোভে জলেশ্বৰ
কতনা দল-দলনি পাৰ,
পাহাৰে পাহাৰে কতনা নিজৰা
বইছে আহা হই কত ধাৰ।
এই-তো ভৈৰৱ, প্ৰকৃতি কুমাৰ
টিঙত আছিল মন্দিৰ যাৰ;
ভৈৰৱ মূৰ্ত্তি আজিলৈও আছে
কৰিলে ধ্বংস কালাপাহাৰ।
মঠৰ পাহাৰ কেনেনো গুৱনি
খোৰোঙেই আছে কতযে তাৰ;
ওচৰতে শোভে শাল হাবিয়নি
মহাদেৱৰ মূৰ্ত্তি আছে যাৰ।
ভাবুকৰ মন কৰে আকৰ্ষণ
কত ভাবে, যোগীখোপা পাহাৰ
আঠাৰ গহ্বৰে আজিও শোভিছে,-
ইয়াতে দীক্ষা মুকুন্দ ৰজাৰ।
এইয়ে গুৱালপাৰ আমাৰ ॥

৩

হেৰা পঞ্চৰত্ন ৰত্নৰ আকাৰ
কতনো কাহিনী আছে যে তাৰ,
মান মন্দিৰ ইয়াতে শোভিছিল
আজিও আছে শ্ৰীসূৰ্য্য পাহাৰ।
ইকাম পীঠত আছে কত পীঠ
টুক্ৰেশ্বৰী মহামায়া আদি,
কত ঠাই আছে পোতাহে থোৱা
কত যে আছে শিলৰ খুটি।

ইটাৰ পকী ৰঙ্গামাটিৰ
দ্বীপ, পুখুৰী ধাম ৰজাৰ গড়;
অতীতৰ কথা কবলৈ আছে
বাট চাই আমাৰ প্ৰতত্ত্বৱ।
চান্দৰ ডিঙ্গাই চান্দৰ কাহিনী
কবলৈ বৈছে ব্ৰহ্মপুত্ৰ পাৰ,
পাহাৰে জঙ্গলে কত কীৰ্ত্তি চিন
পৰি পৰি আছে বুকত যাৰ।
এয়ে গুৱালপাৰ আমাৰ।

৪

সেই সোপানী ঘাট আজিও আছে
নোদোৱে নেতাই পাতৰ কাপোৰ;
মনসাভাসানে কৰে আচৰিত
ইয়াতে আছিল পথ স্বৰ্গৰ।
যি ঠাইত ৰজা বিশ্বসিংহ -
লভিলে জনম চিকন গাঁৱত,
কৰিলে প্ৰচাৰ শঙ্কৰ মাধৱে
সত্য সনাতন ধৰ্ম্মৰ মত।
এইতো কোচৰ পতা সেই ৰাজ্য
আজিলৈও আছে ৰজাৰ বংশ,
কালৰ সোঁতত নাবাজে সত্য
আজি আৰু সেই বিজয় শঙ্খ।
নাই আৰু সেই আহোমৰ দিন
নাই আৰু সেই চকী হাদিৰাৰ,
নহয়তো আজি কামান গৰ্জ্জন
নীৰৱ আজি মানাহ পাৰ।
এইয়ে গুৱালপাৰ আমাৰ ॥

৫

যিয়েই আহিছে এই আসামত
পাবহি লগ আমাক আগত,
ফিৰিছে যদিবা ইয়াৰ পৰাই-
আসাম কাহিনী আমাৰে কথাত।
ইংৰাজেও আমাকে আগতে পালে
ইয়াতে পাতিলে যমুনা বজাৰ,
আমিহে বেছিকৈ পাব লাগিছিল
পোহৰ ইযুগৰ সভ্যতাৰ।



(কিন্তু) আমি আন্ধাৰত আজি আসামত
আয়ে নাপায় আমাক বিচাৰি;
আন্ধাৰত থেপি পালেও আমাক
নিচিনিয়ে যাব থোঁজো আঁতৰি।
আয়ে কোলাত তুলিব নোৱাৰি
হেপাহেৰে আছে আমালৈ চাই,
আনৰ কোলালৈ যাওঁ যদি আমি
থেকেচা খোৱা গতি হব হায়!
কেলেহুৱা বুলি জগতে হাঁহিব
নিজ মাতৃলৈ অৱহেলা যাৰ,
আহা সকলোটি মাতৃ পূজা কৰোঁ।
ধন্য হোক আমাৰ গুৱালপাৰ ॥

শ্ৰীদেবেন্দ্ৰনাথ চক্ৰবৰ্ত্তী।

---

# নৱম সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱসমূহ।

১ম প্ৰস্তাব :—তলত নাম দিয়া লোকসকলৰ মৃত্যুত এই সন্মিলনে গভীৰ শোক প্ৰকাশ কৰে; আৰু সি সকলৰ সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায়।

শ্ৰীশ্ৰীআউনীআটীয় সত্ৰাধিকাৰ
৺লীলাকান্ত দেব গোস্বামী প্ৰভু।
গৌৰীপুৰৰ ৰাণী ৺সৰোজবালা বৰুৱানী।
৺ৰাজেন্দ্ৰনাৰায়ন চৌধুৰী Bar-at-Law.
৺গজেন্দ্ৰনাৰায়ন অধিকাৰী।
৺গঙ্গাগোবিন্দ ফুকন।
৺ছুতিৰাম দাস।
৺কিৰদোস্ত আলী হাজৰিকা।
৺পুষ্পকান্ত শাস্ত্ৰি।
৺শোভাৰাম ব্ৰহ্ম চৌধুৰী।
৺দণ্ডীৰাম দাস।

সভাপতি।

২য় প্ৰস্তাব :—আউনিআটীয় সত্ৰাধিকাৰ পৰলোকগত ৺লীলাকান্ত দেব গোস্বামী প্ৰভুৱে সাহিত্য সভাক যি ৫৫০০৲ টকা দিবলৈ অঙ্গীকাৰ কৰিছিল, এই সন্মিলনে বৰ্ত্তমান আউনিআটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰীযুক্ত হেমচন্দ্ৰ দেব গোস্বামী প্ৰভুক বিনীত অনুৰোধ জনায় যেন প্ৰভু ঈশ্বৰে সেই ৫৫০০৲ টকা সাহিত্য সভালৈ দান কৰি তেওঁৰ পূৰ্ব্ববৰ্ত্তী সত্ৰাধিকাৰ প্ৰভুৰ অঙ্গীকাৰ পূৰণ কৰে।

শ্ৰীযুত ৰজনী কান্ত বৰদলৈ।
শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা।
শ্ৰীযুত শিৱনাথ ভট্টাচাৰ্য্য।
শ্ৰীযুত চিন্তাহৰণ পাটগিৰি।
শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকী।

৩য় প্ৰস্তাব :—এই সন্মিলনে সিদ্ধান্ত কৰে যে ধুবুৰীত পতা এই বিশেষ সন্মিলনকে সাহিত্য-সভাৰ নৱম বাৰ্ষিক সন্মিলন বুলি গণ্য কৰা হ'ক।

সভাপতি।

৪ৰ্থ প্ৰস্তাব :—নিয়মাৱলীৰ ( ৫ম সংস্কৰণ ) ৩৫ নিয়ম অনুসৰি কাৰ্য্য-নিৰ্ব্বাহক সভাই বৰদলনি সাহিত্য সভাক এই বছৰৰ নিমিত্তে বৰডনি নিদিয়াকৈ সন্মিলনত যোগ দিবলৈ যি অধিকাৰ দিছে, তাক এই সন্মিলনে অনুমোদন কৰিছে।

সভাপতি।

৫ম প্ৰস্তাব :—আসাম গবৰ্ণমেণ্টে সাহিত্য সভাক মাটি আৰু অৰ্থ সাহায্য দান কৰি সহায় কৰাৰ আৰু আন প্ৰকাৰে এই সভাক সহানুভূতি দেখুৱাৰ কাৰণে এই সন্মিলনে গবৰ্ণমেণ্টৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰে। আৰু সাহিত্য-সভাৰ কাৰ্য্য-বিস্তাৰ হোৱা হেতুকে, আৰু অৰ্থৰ অভাৱত অনেক আৱশ্যকীয় কাম অসম্পূৰ্ণ হৈ থকা বা আৰম্ভ কৰিব নোৱৰাৰ হেতুকে এই সন্মিলনে

গৱৰ্ণমেণ্টৰ ওচৰত প্ৰাৰ্থনা জনায় যেন সাহিত্য সভাৰ অৰ্থে বছৰি তিনি হাজাৰ টকা স্থায়ী সাহায্য মঞ্জুৰ কৰা হয়।

শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা
ৰায় চাহাব ডুৰ্গাধৰ বৰ কটকী।
শ্ৰীযুত বিপিন চন্দ্ৰ ঘোষ।

৬ষ্ঠ প্ৰস্তাৱ :—কটন কলেজত অসমীয়া ভাষাৰ স্থায়ী অধ্যাপক এজন হব লাগে বুলি নগাওঁ সন্মিলনে যি প্ৰস্তাৱ কৰিছিল, এই সন্মিলনে সেই প্ৰস্তাৱ পুনৰ গ্ৰহণ কৰি এনে এজন অধ্যাপকৰ পদ সৃষ্টি কৰিবলৈ গৱৰ্ণমেণ্টক অনুৰোধ জনায়।

শ্ৰীযুত লক্ষ্মীনাথ বেজ বৰুৱা।
শ্ৰীযুক্তা চন্দ্ৰপ্ৰভা শইকীয়া।
শ্ৰীযুত কালিৰাম মেধী।
মৌলবী মফিজুদ্দিন আহমদ্ হাজৰিকা।

৭ম প্ৰস্তাৱ :—এই সন্মিলনে প্ৰস্তাৱ কৰে যে সাম্প্ৰদায়িক নাইবা বিশেষ কোনো জিলাৰ ভিতৰত প্ৰচলিত শব্দবোৰে যাক সৰ্ব্বসাধাৰণে বুজিবলৈ টান পায়, নিম্ন প্ৰাইমেৰীৰ পাঠ্য বিলাকত যাতে অযথা ৰূপে ঠাই নাপায় তাৰ অৰ্থে সাহিত্য সভাই কতৃপক্ষক অনুৰোধ জনাব।

শ্ৰীযুত ৰমাকান্ত বৰ কাকতি।
" বাণেশ্বৰ বৰুৱা।
" কৰুণাকান্ত বৰুৱা।
" চন্দ্ৰকান্ত বৰুৱা।
মৌলবী আমজাদ আলী।

৮ম প্ৰস্তাৱ :—গুৱালপাৰ আৰু গাৰো পাহাৰৰ যিবিলাক বড়ো জাতীয় লোক গাৰো বা ভাই অসমীয়া ভাষাত শিক্ষা পাবলৈ ইচ্ছা কৰে, সেইবিলাক ছাত্ৰক অসমীয়া ভাষা শিক্ষা দিবৰ ব্যৱস্থা কৰিবলৈ কতৃপক্ষক অনুৰোধ কৰা হওক।

শ্ৰীযুত পদ্মধৰ চলিহা।
" প্ৰমথনাথ চক্ৰবৰ্ত্তী।
" কীৰ্ত্তিনাথ বাৰলাৰি।
" জ্ঞাননাথ বৰা।
" কালীচৰণ ব্ৰহ্ম।

৯ম প্ৰস্তাৱ :—এই সন্মিলনে কোচবিহাৰ ৰাজ দৰবাৰক সবিনয়ে অনুৰোধ জনায় যেন অহা বছৰৰ ( Session ) পৰা কোচবিহাৰ কলেজত অসমীয়া পঢ়োৱাৰ কাৰণে এজন অসমীয়া অধ্যাপক নিয়োগ কৰা হয়।

শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী।
" ৰজনীকুমাৰ পদ্মপতি।
মৌলবী বাকচু মহম্মদ।
শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰী।
" মহাদেৱ শৰ্ম্মা।

১০ম প্ৰস্তাৱ :—অহা বছৰৰ কাৰণে তলত নাম দিয়া লোক সকলেৰে কাৰ্য্যনিৰ্ব্বাহক সমিতি গঠিত হওক।

১। শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ... প্ৰধান সম্পাদক।
২। " বিষ্ণুচন্দ্ৰ বৰুৱা ... সহকাৰী সম্পাদক।
৩। " হৰিনাৰায়ন দত্ত বৰুৱা " "
৪। " দেৱেশ্বৰ শৰ্ম্মা ... হিচাব ৰক্ষক আৰু ভঁৰালী।
৫। " যোগেন্দ্ৰনাথ বৰুৱা ... হিচাব পৰিদৰ্শক।
৬। " চন্দ্ৰধৰ বৰুৱা ... পত্ৰিকা সম্পাদক।
৭। " ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ।
৮। শ্ৰীযুত কমলধৰ চলিহা।
৯। " ৰমাকান্ত বৰ কাকতি।
১০। মৌলবী অফিকদ্দিন আহমদ।
১১। শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱা।
১২ " জিতেন্দ্ৰকুমাৰ দাস।
১৩। " পূৰ্ণানন্দ শৰ্ম্মা পাঠক।
১৪। " যোগেশ্বৰ শৰ্ম্মা ... লাইব্ৰেৰিয়ান।
১৫। মৌলবী ফৰুল হক আহমদ।
১৬। শ্ৰীযুত বিষ্ণুপ্ৰসাদ দুৱৰা।
১৭। " গোলোকচন্দ্ৰ বৰুৱা।
১৮। " দেৱেশ্বৰ চলিহা।
১৯। " মহেশচন্দ্ৰ কটকী।
২০। " নীলনাথ শৰ্ম্মা।

শ্ৰীযুত কালীকান্ত বৰুৱা।
" বাণীকান্ত কাকতি।

---

# অসম সাহিত্য সভাৰ নৱম বছৰৰ কাৰ্য্য-বিবৰণী।

১। আৰম্ভন নৱম সন্মিলন :—

শ্ৰীভগৱন্তৰ পাদ পদ্মত প্ৰনতি কৰি আমি সাহিত্য সভাৰ নৱম বছৰৰ কাৰ্য্য বিবৰনী ৰাইজৰ আগত দাঙি ধৰিলো। এই কেই বছৰত আসাম দেশৰ প্ৰায় লাগতিয়াল ঠাইত সাহিত্য সভাৰ সন্মিলন বহিছে। অতি আনন্দৰ কথা যে, নৱম বছৰৰ সন্মিলন বেহুলা লখিন্দাৰৰ কীৰ্ত্তিৰে গৌৰৱান্বিত বৰ্ত্তমান আসাম দেশৰ পশ্চিম মূৰ, কিন্তু প্ৰসিদ্ধ প্ৰাচীন কামৰূপৰ কেন্দ্ৰভূমী ধুবুৰীত বহাৰ এই বিৰাট আয়োজন হৈছে।

আমাৰ অষ্টম সন্মিলন যোৱা পুহ মাহত নগাওঁ নগৰত অতি সুন্দৰ ৰূপে সামাধা হৈ গৈছে। বৰ্ত্তমান বছৰৰ বৰদিনৰ বন্ধত গুৱাহাটী নগৰত কংগ্ৰেচ মহা সভা বহিবৰ কথা। সেই দেখি ধুবুৰীত আদৰনি সভাই পূজাৰ বন্ধৰ ভিতৰতে সাহিত্য সন্মিলন পাতিবলৈ মন কৰিলে। এই প্ৰস্তাৱত সকলোৰে একে মত হোৱাত এই সময়তে সন্মিলন পাতিবলৈ স্থিৰ কৰা হল।

নগাওঁ সন্মিলনত ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা আৰু শ্ৰীযুত প্ৰমথ নাথ চক্ৰবৰ্ত্তী বি, এল, উকিল মহাশয় দ্বয়ৰ অনুমতি ক্ৰমে শ্ৰীযুত ভুবনচন্দ্ৰ দত্তই এই সন্মিলন ধুবুৰীলৈ নিমন্ত্ৰণ কৰে। আজিৰ এই সন্মিলন বৰ্ত্তমান কালৰ আসাম আৰু বঙ্গ দেশৰ মিলন ভূমিত। এই দুই জাতিয়ে অতি প্ৰাচীন কালৰ পৰা নানা বিধ আদান প্ৰদানেৰে উভয়ে উভয়ক বহু প্ৰকাৰে উপকৃত আৰু পৰিপুষ্ট কৰি আহিছে। প্ৰাৰ্থনা কৰোঁ যেন বৰ্ত্তমান সন্মিলনৰ ফল স্বৰূপে প্ৰাচীন এই দুই জাতিৰ মিলন গাঢ় আৰু পৰস্পৰৰ কল্যান আৰু উন্নতিৰ অৰ্থে হয়।

২। যোৱা সন্মিলনৰ প্ৰস্তাৱবিলাকৰ বিষয় কাৰ্য্য :—

যোৱা নগাওঁ সন্মিলনত নৱম বছৰৰ কাৰ্য্য চলাবৰ কাৰণে কুৰিজন সভ্যেৰে কাৰ্য্য নিৰ্ব্বাহক সভা গঠণ কৰা হয়। এই সভাৰ ওপৰত যি যি কাৰ্য্যৰ ভাৰ পৰিছিল, তাৰ এটি চমু বিবৰণ তলত দিয়া হল।

( ক ) বিশ্ব বিদ্যালয়ৰ পাঠ্য কিতাপ নিৰ্ব্বাচন বিষয়ত প্ৰধান সাহিত্যিকসকলক পৰামৰ্শ কৰিবৰ নিমিত্তে এই সভাই আসাম শিক্ষা বিভাগৰ যোগত কলিকতা, ঢাকা, আৰু কাশীৰ হিন্দু বিশ্ব বিদ্যালয়ক অনুৰোধ কৰিছিল। আসামৰ ডাইৰেক্টৰ চাহাবে এই সম্পৰ্কে ভাল মন্তব্য লিখি সভাৰ কাৰ্য্যত সহায় কৰিছে। ঢাকাৰ পৰা চিঠি পোৱা হৈছে যে সেই বিশ্ব বিদ্যালয়ত এতিয়াও অসমীয়া শিক্ষা দিয়া হোৱা নাই। ( No. 21865 dated 1. 7. 26. ) কাশী হিন্দু-বিশ্ববিদ্যালয়ৰ পৰা এতিয়ালৈকে একো সমিধান পোৱা নাই। কলিকতা বিশ্ব বিদ্যালয়ৰ ৰেজিষ্টাৰে তেওঁৰ ( No. 9188 dated 28. 6. 26. ) চিঠিত এই দৰে লিখিছে।

"On the subject of selection of text books in Assamese by this university. I have the honour to inform you that the Honourable the vice-chancellor and Syndicate will be glad to consider any suggestion regarding the Assamese text books either from the Assam Sahitya Sobha or from any literary man of Assam,"

ইয়াৰ ভাব এই যে আসাম সাহিত্য সভাই বা আসামৰ কোনো সাহিত্যিকে অসমীয়া পাঠ্য পুথিৰ বিষয় বিশ্ব বিদ্যালয়ক জনালে সেই কথাৰ সমুচিত বিবেচনা কৰা হব।

( খ ) নগাওঁ সন্মিলনত সভাৰ মুখপত্ৰ এখন প্ৰকাশৰ ভাৰো কাৰ্য্যনিৰ্ব্বাহক সভাক দিয়া হৈছিল। এই অৰ্থে তলত নাম দিয়া ভদ্ৰলোকসকলে প্ৰকাশ্য সভাত অৰ্থ সহায়ৰ প্ৰতিশ্ৰুতি দিছিল।

| | | | | |
|---|---|---|---|---|
| নগাওঁ— | মৌলবী | আব্দুচ চামাদ চৌধুৰী | ... | ১০০৲ |
| " | " | ওচমান আলি সদাগৰ | ... | ৫০৲ |
| " | শ্ৰীযুত | হৰমোহন সেন | ... | ১০৲ |
| যোৰহাট | " | চন্দ্ৰধৰ বৰুৱা | ... | ১০০৲ |
| ডুমডুমা | " | মিঠাৰাম গোহাঁই | ... | ৫০৲ |
| তেজপুৰ | " | চন্দ্ৰকান্ত বৰুৱা | ... | ২৫৲ |

এই খিনি টকা বছৰি বছৰি পোৱা হব। যোৱা বছৰ মঙ্গলদৈ লোকেল বোৰ্ডৰ পৰা ৫০৲ টকা আৰু বৰপেটা লোকেল বোৰ্ডৰ পৰা ২৫৲ টকা পোৱা হৈছিল। সেই টকা এই বছৰ দিয়া হয়নে নহয় বোৰ্ডে এতিয়াও স্থিৰ কৰা নাই।

দুখৰ বিষয় যে, বহুত চিঠি পত্ৰ লিখিও গুৱাহাটী আৰু ধুবুৰীৰ দৰে অৰ্থশালী আৰু উদাৰ চিত্তৰ লোকেল বোৰ্ডৰ পৰা সাহিত্য সভাই এতিয়াও কোনো সহায় পাব পৰা নাই। আশা কৰা যায় যে, এই বছৰৰ পৰা এই দুয়োখন বোৰ্ডে সাহিত্য সভাক যথোচিত সহায় কৰিব।

ডিব্ৰুগড় আৰু গোলাঘাট লোকেল বোৰ্ডৰ পৰাও এতিয়ালৈকে কোনো সহায় পোৱা হোৱা নাই।

এই বোৰ্ডসমূহক এই ছেগতে সাহিত্য সভাৰ কৃতজ্ঞতা জ্ঞাপন কৰা হল।

( গ ) যোৱা বছৰত আসাম গৱৰ্ণমেণ্টে সাহিত্য সভাক বিশেষ অনুগ্ৰহ দেখুৱাইছে। প্ৰথম চন্দ্ৰকান্ত সন্দিকৈ হল স্থাপন কৰা সময়ত যোৰহাটৰ কেন্দ্ৰ স্থানত গৱৰ্ণমেণ্টে সাহিত্য সভাক ১৶/২ লোচা মাটি পট্টা কৰি দিছিল। সভাৰ কম্পাউণ্ড বঢ়াবৰ আৱশ্যক হোৱাত আৰু এই বিষয়ে আসাম শিক্ষা বিভাগ আৰু গৱৰ্ণমেণ্টক অনুৰোধ জনোৱাত এই মাটিৰ লগতে থকা ৶৮ লোচা মাটি অলপতে গৱৰ্ণমেণ্টে সাহিত্য সভাক পট্টা কৰি দিছে। মুঠৰ ওপৰত ২৶১০ আঢৈ বিঘা অতি মূল্যবাণ মাটি গৱৰ্ণমেণ্টৰ পৰা পোৱা হল।

ইয়াৰ উপৰি গৱৰ্ণমেণ্টে সাহিত্য সভাৰ অৰ্থে বছৰি এহেজাৰ টকা মঞ্জুৰ কৰিছে; আৰু গত বছৰ আৰু বৰ্ত্তমান বছৰৰ কাৰণে আৰু দুহেজাৰ টকা গৱৰ্ণমেণ্টে সাহিত্য সভাক দান কৰিছে।

এনে সহানুভূতি দেখুৱা আৰু এই দৰৰ সহায় কৰাৰ কাৰণে গৱৰ্ণমেণ্টৰ ওচৰত সদৌ অসমীয়া ৰাইজ কৃতজ্ঞ থাকিব।

( গ ) এই দৰে কিছু টকা সংগ্ৰহ কৰিব পাৰি, কাৰ্য্য নিৰ্ব্বাহক সভাই পূৰ্ব্ব পূৰ্ব্ব সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱ কিছুমান কাৰ্য্যত পৰিণত কৰিবলৈ চেষ্টা কৰিবলৈ ধৰিছে। সম্প্ৰতি — ৰন্ধন বিষয়ক পুথি এখনৰ কাৰণে ... ১৫০৲
সৰল বিজ্ঞান এখনৰ কাৰণে ... ... ২০০৲
আৰু নতুন উপন্যাস এখনৰ কাৰণে ... ৩০০৲
টকা পুৰস্কাৰ ঘোষণা কৰা হৈছে। আৰু আৰোঁ স্ত্ৰী শিক্ষা, পুৰনি পুথিৰ অনুসন্ধান আৰু সঙ্গীত চৰ্চ্চা আদি বিষয়তো কিছু টকা খৰচ কৰিবলৈ মনস্থ কৰা হৈছে। তলৰ তিনিটা বিষয়ৰ উপযুক্ত কাৰ্য্য পদ্ধতি এতিয়ালৈকে স্থিৰ কৰিব পৰা হোৱা নাই।

( ঘ ) সাহিত্য সভাৰ এটা ভাল পুথি ভঁৰাল থাকিব লাগে বুলি সকলোৰে কৈ আহিছে। অনুসন্ধান কৰিব সুচল থকা পুথি ভৰাল এটি ( Research Library ) স্থাপনৰ সূচনা কৰিবৰ মনেৰে কাৰ্য্য নিৰ্ব্বাহক সভাই এই বছৰত ১৫০০৲ টকা বেলেগাই থৈছে। আশা কৰা যায়, ইয়াৰে পৰা ক্ৰমে ডাঙৰ এটা পুথি ভৰাল তৈয়াৰ কৰিব পৰা হব।

পুথি ভঁৰালৰ কাৰণেও কাৰ্য্য নিৰ্ব্বাহক সভাৰ আৰু এজন বিষয়াৰ ( Hony. Librarian ) আৱশ্যক হব। এই নিবেদন সন্মিলনত জনোৱা হব।

( ঙ ) গুৱাহাটী সন্মিলনত বৃত্তমঞ্জৰী প্ৰকাশ কৰিবৰ কাৰণে তলত লিখা কমিটি গঠিত হৈছিল।

শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ... সভাপতি,
,, সূৰ্য্যকুমাৰ ভূঞা ... কমিটিৰ সম্পাদক,
ৰায় বাহাদুৰ কালীচৰণ সেন,
শ্ৰীযুত জলতিৰাম বৰ্ম্মা, ভূঞা, লহকৰ।

এই কাৰ্য্যৰ অৰ্থে বেলেগ টকা তোলাৰ কথা আছিল। কিন্তু এই কমিটিৰ চেষ্টা স্বত্তেও এতিয়ালৈকে এই সম্পৰ্কত একো কাম হোৱা নাই। বৃত্তমঞ্জৰী ছপাৰ কাৰণে প্ৰায় এহেজাৰ টকাৰ আৱশ্যক হব। কাৰ্য্য-নিৰ্ব্বাহক সভাই এই উদ্দেশ্যেৰে এই বছৰ তিনিশ টকা বেলেগাই থৈছে। আন উপায় নহলে ক্ৰমে কাৰ্য্য-নিৰ্ব্বাহক সভাই নিজে এই কাম কৰিব বুলি মনস্থ কৰিছে।

( চ ) গুৱাহাটীত হেমচন্দ্ৰ বৰুৱাৰ সোঁৱৰণী কৰি স্থাপন কাৰ্য্য শেষ হল। এই কামত কেন্দ্ৰ সাহিত্য সভাৰ খৰচ মাত্ৰ এশ টকা হৈছে। এই কাম সম্পাদন কৰাৰ বাবে,



স্বৰ্গীয় গোপালকৃষ্ণ দে,
শ্ৰীযুত সিদ্ধিনাথ শৰ্ম্মা,
,, সৰ্ব্বেশ্বৰ কটকী,
,, হৰমোহন দাস,
আৰু ,, লক্ষ্মীধৰ শৰ্ম্মা,
এইসকল অসমীয়া ৰাইজৰ শলাগৰ পাত্ৰ।

এই সোঁৱৰণী কলিৰ অৰবক্ষনৰ ভাৰ লবলৈ গুৱাহাটী মিউনিচিপালিটিক অনুৰোধ কৰা হৈছে। কিন্তু এতিয়া-লৈকে তেওঁলোকৰ পৰা শেষ সমিধান পোৱা নাই।

( চ ) ডিব্ৰুগড়ত বহা ৬ষ্ঠ সন্মিলনৰ পৰা মৌলবী মফিজুদ্দিন আহমদ্ হাজৰিকাক এটা সাহিত্য পেঞ্চন দিবৰ কাৰণে গৱৰ্ণমেণ্টক অনুৰোধ জনোৱা হৈছিল। সকলোৰে শুনি আনন্দ পাব যে এই বিষয়ত সুফল ফলিছে। গৱৰ্ণমেণ্টে অনুগ্ৰহ কৰি হাজৰিকা দেৱক এটা পেঞ্চন দিবলৈ মান্তি হৈছে। গৱৰ্ণমেণ্টৰ Under Secretary ৰ পৰা এই দৰে চিঠি পোৱা হৈছে।

"I am to say that the Govenment have decided to grant a literary pension to the Maulavi and that the necessary orders sanctioning the pension will issue after the budget is passed by the Council and when the date of Maulavi's retirement from Government Service is known."

অৰ্থাৎ হাজৰিকা দেৱে চৰকাৰী কামৰ পৰা অৱসৰ লোৱাৰ সময়ৰ পৰা গৱৰ্ণমেণ্টে সাহিত্য পেঞ্চন মঞ্জুৰ কৰিব।

( জ ) আমাৰ দেশৰ কাৰণে এটা মিউজিয়াম স্থাপন কৰিবলৈ কেবা বছৰৰ পৰা গৱৰ্ণমেণ্টক অনুৰোধ জনাই অহা হৈছে। এই বিষয়ে ইং ১৯২৬ চনৰ মাৰ্চ মাহৰ কাউন্সিলত এটা প্ৰস্তাৱো গৃহীত হৈছে। আশা কৰা যায় বৰ্ত্তমান বছৰৰ Budget ত গৱৰ্ণমেণ্টে এই অৰ্থে আৱশ্যকীয় টকা মঞ্জুৰ কৰিব। এই দৰে অনুৰোধ জনাই আৱশ্যকীয় চিঠি পত্ৰ লিখা হৈছে।

( ঝ ) কৃষি বিষয়ক পুথি এখন প্ৰনয়ণ কৰাবলৈ ৰায় বাহাদুৰ শ্ৰীযুত কনকলাল বৰুৱা আৰু পণ্ডিত শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী মহাশয়দ্বয়ে এটা পুৰস্কাৰ দিব খুজিছিল। কৃষি বিষয়ক পুথিৰ বিষয় সূচী এটাও তৈয়াৰ কৰা হৈছে। কিন্তু পুৰস্কাৰৰ টকা এতিয়ালৈকে নোপোৱাত এই বিষয়ে আন একো কাৰ্য্য অগ্ৰসৰ হোৱা নাই।

৪। চন্দ্ৰকান্ত অভিধান :—

যোৱা বছৰৰ কাৰ্য্য বিৱৰণীত চন্দ্ৰকান্ত অভিধান প্ৰণয়ৰ নিয়ম কাৰণ আদিৰ বিষয়ে বহলাই লিখা হৈছে; অভি-ধানৰ কাৰণে চাৰিও ফালৰ পৰা নতুন শব্দ পোৱা হৈছে। হেমকোষত প্ৰায় কুৰি হাজাৰ শব্দ আছে। চন্দ্ৰকান্ত অভিধানৰ কাৰণে প্ৰায় পঞ্চাশ হেজাৰ শব্দ গোট খোৱা সম্ভৱ। যোৱা সন্মিলনৰ অৰ্থাৎ ১৯২৫ চনৰ ডিচেম্বৰ মাহত এই অভিধানৰ "ধ" আখৰলৈ লিখা হৈছিল। তেতিয়াৰ পৰা এই দহ মাহত 'ধ' আখৰলৈ লিখা হল। অভিধাণৰ প্ৰথম কাম আৰম্ভ কৰা হয় ১৯২৪ চনৰ চেপ্টেম্বৰ মাহত। আশা কৰা হৈছে যে, আৰু ডেৰ বছৰ মানৰ ভিতৰত অভিধাণ লিখা কাৰ্য্য সম্পন্ন কৰা হব। ছপা আদি কাৰ্য্য শেষ হবলৈ আৰু দুবছৰমান সময় লাগিব পাৰে।

শ্ৰীযুত কোহিৰাম দাস বি, এ, মহাশয়ে প্ৰাণপাত পৰিশ্ৰমেৰে এই কাৰ্য্য কৰিবলৈ ধৰিছে। তেওঁক সহায় কৰিবলৈ এজন সহকাৰী দিয়া হৈছে। যোৰহাটৰ শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা যোৱা এপ্ৰিললৈ এই কামত আছিল। তেওঁ নিজ কাৰ্য্যত স্থানান্তৰত থাকিব লগা হোৱাত, নগাৱঁৰ শ্ৰীযুত কদ্ৰকান্ত গোস্বামীক তেওঁৰ ঠাইত নিযুক্ত কৰা হৈছে। ভূঞাদেৱে তেওঁৰ কাৰ্য্য কাল খিনিত বিশেষ মন দি অভিধানৰ কাম কৰাৰ কাৰণে তেওঁলৈ শলাগ জনোৱা হল।

চন্দ্ৰকান্ত অভিধানৰ কামত গত ৮ আগষ্ট তাৰিখলৈ ২,৭৩৮।/৬ পাই খৰচ হৈছে।

৫। নৱদেৱ গোস্বামী ট্ৰাষ্ট ফণ্ড :—

শ্ৰীলশ্ৰীশ্ৰীযুক্ত দক্ষিনপাটীয়া সত্ৰাধিকাৰ গোস্বামী প্ৰভু-স্থাপিত নৱদেৱ গোস্বামী ট্ৰাষ্ট ফাণ্ডৰ আৱশ্যকীয় দলিল পত্ৰ এই বছৰ ৰেজিষ্টা কৰা হল। ট্ৰাষ্ট বোৰ্ডৰ সভা-সকলৰ নাম আগেয়ে কোৱা হৈছে; অৰু ইয়াতো দিয়া হল।

১। শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী,
২। ,, চন্দ্ৰধৰ বৰুৱা,
৩। ,, কুলধৰ চলিহা,
৪। ,, দেবেশ্বৰ শৰ্ম্মা,
৫। মৌঃ কেৰামত আলি।

এই ফাণ্ডৰ পৰা প্ৰথমতে নীলকণ্ঠ দাসকৃত শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰ পুথি প্ৰকাশ কৰাৰ কথা। এই পুথিৰ ছপা কাম সম্পূৰ্ণ হল; কেৱল বন্ধাহে বাকী আছে। দুই এক সপ্তাহৰ ভিতৰতে ইয়াক প্ৰেচৰ পৰা পোৱা হব। ইয়াৰ পাচত এই ফাণ্ডৰ আয়ৰ পৰা শ্ৰীশ্ৰীবনমালী দেৱৰ চৰিত্ৰ প্ৰকাশ কৰিবৰ স্থিৰ হৈছে। এই পুথিবো নকল যুগুত কৰা হল; আৰু দুই এক সপ্তাহৰ ভিতৰতে ইয়াকো প্ৰেচলৈ পঠোৱা হব।

৬। কমলা দেৱী শিশু সাহিত্য :—

কমলা দেৱী ট্ৰাষ্ট ফাণ্ড প্ৰতিষ্ঠাতা শ্ৰীযুত ৰাধানাথ গোস্বামী দেৱ নানা কাৰ্য্যৰ লেঠাত যোৰহাটলৈ আহিব নোৱাৰাত এই ফাণ্ডৰ আৱশ্যকীয় দলিল পত্ৰ এতিয়াও ৰেজেষ্ট্ৰী কৰিব পৰা হোৱা নাই। কিন্তু যুগুত হৈ আছে। এই নবেম্বৰ মাহৰ ভিতৰতে এই কাম শেষ কৰিব পৰা হব বুলি আশা কৰা হৈছে।

কমলা দেৱী শিশু সাহিত্যৰ প্ৰথম গ্ৰন্থ কথা মহাভাৰত প্ৰকাশ হল। আগৰ কাৰ্য্য বিবৰণীতে কোৱা হৈছে যে, যোৰহাটৰ শ্ৰীযুত যোগেশ্বৰ শৰ্ম্মাই লিখা মহাভাৰত খনেই সৰ্ব্বোৎকৃষ্ট বুলি বিবেচিত হৈছিল।

দ্বিতীয় বছৰৰ কাৰণে মহাৰাজ নৰনাৰায়ণ, মোমাই তামুলি বৰবৰুৱা আৰু মণিৰাম দেৱানৰ সৰু একোখন জীৱনীৰ বাবে প্ৰতিখনতে ৫০্ টকাকৈ পুৰস্কাৰ ঘোষণা কৰা হৈছিল। কিন্তু প্ৰতিযোগিতাত যথেষ্ট কিতাপ নাছিল। যোৰহাটৰ শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা বি, এ, দেৱে লিখা মহাৰাজ নৰনাৰায়ণৰ জীৱন চৰিত্ৰ খনিমাত্ৰ পুৰস্কাৰৰ উপযুক্ত বিবেচিত হল। কাৰ্য্য নিৰ্ব্বাহক সভাই বৰুৱা দেৱক ৫০্ টকা পুৰস্কাৰ দিবলৈ স্থিৰ কৰিছে।

বৰ্ত্তমান বছৰৰ কাৰণে মণিৰাম দেৱানৰ জীৱনীৰ অৰ্থে এশটকা পুৰস্কাৰ ঘোষণা কৰা হৈছে। অহা ৩১ ডিচেম্বৰ তাৰিখলৈকে এই প্ৰতিযোগিতালৈ পুথি পঠোৱাৰ দিন আছে।

৭। আউনিআটি সত্ৰৰ দান :—

আউনিআটীয় সত্ৰাধিকাৰ স্বৰ্গীয় লীলাকান্ত দেৱ গোস্বামী প্ৰভুৱে ইং ১৯২৫ চনৰ নবেম্বৰ মাহত সাহিত্য সভাক ৫৫০০্ টকা দান দিবলৈ অঙ্গীকাৰ কৰিছিল। দুৰ্ভাগ্যক্ৰমে সেই সময়ৰে পৰা প্ৰভু ঈশ্বৰৰ শৰীৰ অতি কাতৰ হয় আৰু শেষত এই বছৰৰ আহাৰ মাহত সেই লেঠাৰিতে প্ৰভুদেৱ স্বৰ্গী হল। এই কাৰণে প্ৰভু ঈশ্বৰে নিজৰ অঙ্গীকাৰ পুৰাবলৈ সময় নেপালে।

আউনিআটী সত্ৰৰ বৰ্ত্তমান অধিকাৰ উদাৰ মনা শ্ৰীলশ্ৰীশ্ৰীযুক্ত হেমচন্দ্ৰ দেৱ গোস্বামী প্ৰভুৱে যে সত্ৰৰ পৰা এই দান দি অসমীয়া বাইজক আশীৰ্ব্বাদ জনাব আৰু তেখেতৰ পূৰ্ব্ববৰ্ত্তী অধিকাৰ গৰাকীৰো অঙ্গীকাৰ পূৰণ কৰিব তাত অকণো সংশয় নাই।

৮। শাখা আৰু স্বীকৃত সভা :—

যোৱা বছৰত সাহিত্য সভাৰ মুঠ ২৫ খন স্বীকৃত সভা আছিল। তাৰ পূৰ্ব্ব বছৰত ১৮ খন। এই বছৰত সেই সংখ্যা বাঢ়ি ২৭ খন হৈছে। আৰু দুখন সভা হৈছে বুলি কাকত-পত্ৰ পোৱা হৈছে। এই সভাবিলাকৰ তালিকা আৰু সম্পাদকসকলৰ নাম তলত দিয়া হল।

১। ডিব্ৰুগড় সাহিত্য সভা মৌঃ মফিজুদ্দিন আহমদ হাজৰিকা।
২। ঢকুৱাখনা সাহিত্য সভা শ্ৰীযুত চন্দ্ৰশেখৰ দাস।
৩। নগাওঁ ,, ,, ,, ৰামেশ্বৰ বৰুৱা বি এ।
৪। তেজপুৰ সাৰস্বত সমাজ ,, দেহুৰাম দাস।
৫। শিৱসাগৰ সাহিত্য সভা ,, লক্ষীকান্ত ব ৱা B. L.
৬। গুৱাহাটী অঃ ভাঃ উঃ সাঃ সভা শ্ৰীযুত জলতিৰাম বৰ্ম্মা ভুঞা শইকৰ।
৭। গৌৰীপুৰ সাহিত্য সভা শ্ৰীযুত পীতাম্বৰ চক্ৰবৰ্ত্তী।
৮। নলবাৰী সাহিত্য সভা শ্ৰীযুত শ্ৰীকান্ত ভট্টাচাৰ্য্য।
৯। যোৰহাট ,, ,, ,, দেৱেশ্বৰ চলিহা।
১০। মাজুলি ,, ,, ,, বেথাৰাম বৰা।
১১। বৰদলনি সাহিত্য সভা ,, পদ্মৰাম দত্ত।
১২। দেৰগাওঁ ,, ,, ,, ইন্দ্ৰেশ্বৰ শৰ্ম্মা বৰুৱা।
১৩। বৰনগৰ ,, ,, ,, দধিনাথ গোস্বামী।



১৪। টেঁউখাট ,, ,, ,, হেমচন্দ্ৰ কোঁৱৰ B. Sc.
১৫। বগৰীবাৰী অসমীয়া ছাত্ৰসভা শ্ৰীযুত হৰিদয়াল পাঠক।
১৬। উত্তৰ লক্ষীমপুৰ সাহিত্য সভা মৌঃ মহম্মদ বাদিৰ হুচেন
১৭। গোলাঘাট সাহিত্য সভা শ্ৰীযুত গোলাপচন্দ্ৰ গোস্বামী।
১৮। কলিকতা অঃ ভাঃ উঃ সাঃ সভা শ্ৰীযুত ইন্দ্ৰনাথ কাকতী B. A.
১৯। মৰিয়নি আলোচনী সভা শ্ৰীযুত কমলচন্দ্ৰ বৰুৱা।
২০। বঙালি সাহিত্য সভা শ্ৰীযুত হৰেশ্বৰ দেৱ শৰ্ম্মা।
২১। ধলপুৰ ,, ,, শ্ৰীযুত হৰিপদ দত্ত।
২২। খেকাপাৰ ,, ,, ,, ধনকান্ত দেৱ অধিকাৰী।
২৩। ডুমডুমা ,, ,, ,, মিঠাৰাম গোহাই।
২৪। তেজপুৰ অঃ ভাঃ উঃ সাঃ সভা শ্ৰীযুত চন্দ্ৰকান্ত বৰুৱা।
২৫। ধুবুৰী সাহিত্য সভা শ্ৰীযুত প্ৰমথনাথ চক্ৰবৰ্ত্তী।
২৬। চিপাঝাৰ ,, ,, ,, মুক্তানন্দ গোস্বামী
২৭। গুৱালপাৰ সাহিত্য সভা শ্ৰীযুত ৰমণীকান্ত বৰুৱা।

মঙলদৈ আৰু শ্ৰীহট্টত দুখন স্বীকৃত সভা স্থাপিত হৈছে; কিন্তু এতিয়াও বৰঙনি পোৱা হোৱা নাই দেখি সেই দুখনক স্বীকৃত কৰি লোৱা হোৱা নাই।

এই বছৰৰ ভিতৰত বঙালিৰ সাহিত্য সভাই অতি উৎসাহেৰে কাম কাজ কৰা দেখা গৈছে। মৰিয়নি সাহিত্য সভাৰো উৎসাহ প্ৰশংসনীয়। গুৱাহাটী সভাত কেইবাখনো উৎকৃষ্ট ৰচনা পাঠ হৈছিল।

সকলো আৱশ্যকীয় কথাত স্বীকৃত সভাবিলাকৰ পৰামৰ্শ সোধা হৈছিল; আৰু সেই পৰামৰ্শ কাৰ্য্য নিৰ্ব্বাহক সভাত বিবেচনা কৰা হৈছিল।

৯। মূল সভাৰ সভা :—

যোৱা সন্মিলনৰ সময়ত মূল সভাৰ সভ্যৰ সংখ্যা ২০৮ জন আছিল। তাৰ আগৰ বছৰত আছিল ৮৩ জন। এই বছৰ ২৫৪ জন হৈছে। এই সংখ্যা যথেষ্ট উৎসাহ-জনক নহয়। সভাৰ তালিকাখন চালে দেখা যায় যে আমাৰ দেশৰ গণ্য মান্য আৰু আজীৱন সাহিত্য সেৱী অনেক লোকো ইয়াৰ সভ্য হোৱা নাই। সাহিত্য সভাই আশা কৰিছে লিখা পঢ়া জনা প্ৰত্যেক অসমীয়াই এই সভাৰ সভ্য হৈ ইয়াক অসমীয়া জাতিৰ গৌৰৱৰ উপযুক্ত এটা বিৰাট অনুষ্ঠান কৰি তোলে।

১০। কাৰ্য্য নিৰ্ব্বাহক সভা :—

যোৱা সন্মিলনৰ পৰা এই কেই মাহত কাৰ্য্য নিৰ্ব্বাহক সভাৰ ন খন অধিবেশন বহিছে। এই সভাৰ সভ্য-সকলৰ ভিতৰত কাৰ্য্যান্তৰত ব্যাপৃত থকা হেতুকে শ্ৰীযুত ৰমাকান্ত বৰকাকতী মৌঃ কেৰামত আলি আৰু শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱাই যথেষ্ট পৰিমানে সভাত যোগ দিব পৰা নাছিল। সম্ভবতঃ গোটেইখন প্ৰদেশ ঘূৰি ফুৰিব লগীয়া হোৱাত মৌলবী আতৱাৰ ৰহমানে এখন সভাতো উপস্থিত হ'ব নোৱাৰিলে।

শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী এই সভাৰ অতি উৎসাহী আৰু কাৰ্য্য-নিষ্ঠ সভ্য আছিল। তাৰ পূৰ্ব্বেও তেওঁ সহকাৰী সম্পাদক স্বৰূপে সভাৰ অৰ্থে অনেক পৰিশ্ৰম কৰিছিল। ৰাজ কাৰ্য্যত তেওঁ ধুবুৰীলৈ বদলি হব লগীয়া হোৱাত সভাই তেওঁৰ অভাৱ অনুভৱ কৰিছে। তেওঁৰ ঠাইত শ্ৰীযুত নীলনাথ শৰ্ম্মাক সভ্য ভুক্ত কৰি লোৱা হৈছে।

১১। সভাৰ হিচাব :—

এই বছৰৰ ৮ আগষ্ট তাৰিখলৈকে হিচাব তৈয়াৰ কৰি হিচাব পৰিদৰ্শকৰ হতুৱাই পৰীক্ষা কৰোৱাই কাৰ্য্য নিৰ্ব্বাহক সভাত গ্ৰহণ কৰা হৈছে। সেই হিচাব তলত দিয়া হল।

জমা :—

| | |
|---|---|
| আগৰ বছৰৰ বাকী জমা | ৯, ৯৯৫ ৶৩ পাই |
| ভৰ্ত্তি ফি | ২৬্ |
| বৰঙনি | ১, ৫৬৬্ |
| এক কালিন দান | ৩, ০০১্ |
| ট্ৰাষ্ট ফাণ্ডৰ | ১৬, ৮৫০্ |
| মুখ পত্ৰৰ কাৰণে | ১০্ |
| সুত | ১৩১্ ৫৭ পাই |
| মুঠ | ৩২,১৮৩৶১০ পাই |

খৰচ :—

| | |
|---|---|
| সভাৰ নিৰ্দ্দেশ মতে খৰচ ... | ... ১৪২৷৶৬ পাই |
| সভাৰ সাধাৰণ খৰচ ... | ... ৬৩৮ /৩ ,, |
| কৰ্ম্মচাৰীৰ বেতন ... | ... ৩৪০্ |
| ট্ৰাষ্ট ফাণ্ডৰ পৰা খৰচ ... | ... ১,৬১৭৸৶৯ ,, |
| মুঠ | ২,৭৩৮৷৶৬ পাই |

| | |
|---|---|
| মুঠ জমা ... | ... ৩২.১৮৩৶১০ পাই |
| মুঠ খৰচ ... | ... ২,৭৩৮৷৶৩ পাই |
| বাকী থাকে ... | ... ২৯ ৪৪৪৷ ৪ পাই |

এই টকা তলত লিখা হিচাবত জমা আছে।

| | |
|---|---|
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ড ... | ১৫১২৫৭৪৷৶৯ পাই |
| নবদেৱ ,, ,, ... | ৫,২৯০৷৵ |
| কমলা দেৱী ,, ,, ... | ২,০৬৪।০ |
| সভাৰ নিজা টকা ... | ... ৬,৫১৪৷৶৭ পাই |
| মুঠ | ২৯ ৪৪৪।৪ পাই |

যোৱা বাবৰ হিচাবত ট্ৰাষ্ট ফাণ্ডৰ মূল পোন্ধৰ হাজাৰ টকা ধৰা হোৱা নাছিল। এই বছৰ তাক ধৰা হল। এই ফাণ্ডৰ দুহাজাৰ টকা ধাৰ আছে। চন্দ্ৰকান্ত অভিধান প্ৰনয়নৰ কাৰণে এই ফাণ্ডৰ আয়ৰ টকা যথেষ্ট নহয়। আৱশ্যকীয় বাকী টকা ৰায় বাহাদুৰ সন্দিকৈ ডাঙৰীয়াই সভাক বিনা সুতত ধাৰ দিবলৈ স্বীকাৰ কৰিছে। পাচত এই ফাণ্ডৰ আয়ৰ পৰা সেই টকা পৰিশোধ কৰিব লাগিব।

সভাৰ হিচাববক্ষক আৰু ভঁৰালি শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা আৰু হিচাব পৰিদৰ্শক শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা, এওঁলোক দুয়োজন, অতি শৃঙ্খল ভাবে হিচাব ৰখা আৰু পৰীক্ষা কৰাৰ কাৰণে, এই সভাৰ বিশেষ ধন্যবাদৰ পাত্ৰ হৈছে।

১২। মেডেল পুৰস্কাৰ আদি :—

যোৱা বছৰ নগাঁও সন্মিলনত ৮ টা মেডেল আৰু পুৰস্কাৰ অঙ্গীকৃত হৈছিল। তাৰে ভিতৰত নগাঁৱৰ মিচেচ্ উমাকান্ত গোহাঁই আইদেৱে তেওঁৰ মাতৃ শ্ৰীযুক্তা খেটকেশ্বৰী বৰ বৰুৱানীৰ নামে দিব খোজা সোণৰ মেডেলৰ মূল্য ৫০৲ টকা পোৱা হৈছে। আৰু এই মেডেলৰ অৰ্থে প্ৰতিযোগিতালৈ দুখন ৰচনাও পোৱা হৈছে। পৰীক্ষকসকলে বিচাৰ কৰি তাৰ ফলাফল এতিয়াও দিয়া নাই।

শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা আৰু শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়া দুজনে নগাঁও সন্মিলনত ওজা আৰু দেওধনিক ক্ৰমে একোটি ৰূপৰ মেডেল দিব খুজিছিল। সেই মেডেল তৈয়াৰ কৰি এই সন্মিলনলৈ অনা হৈছে।

শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাই দেওধনি জনী ধুবুৰী সন্মিলনলৈ আহিলে তেওঁক এটি পোছাক দিবলৈকো স্বীকাৰ পাই আছে।

বাকী চাৰিটা পুৰস্কাৰ দিব খুজিছিল

১। প্ৰিন্সিপাল শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা,
২। অধ্যাপক ,, সূৰ্য্যকুমাৰ ভূঞা,
৩। নগাঁৱৰ ,, হেমকান্ত মহন্ত
৪। ,, ,, গিৰীশচন্দ্ৰ বৰুৱাই; আৰু

কেবাখন চিঠি পত্ৰ লেখিও অঙ্গীকাৰ কৰোঁতাসকলৰ পৰা একো সমিধান পোৱা নহল। সেই কাৰণে এই বিলাক পুৰস্কাৰৰ কাৰণে কোনো প্ৰবন্ধাদি আহ্বান কৰা হোৱা নাই।

১৩। শোক প্ৰকাশ :—

এই বছৰত আমাৰ দেশৰ গণ্য মান্য লোকসকলৰ ভিতৰত আউনিআটীৰ অধিকাৰ ৺লীলাকান্তদেৱ গোস্বামী আৰু শিৱসাগৰৰ ৺গঙ্গাগোবিন্দ ফুকন স্বৰ্গী হল। অধিকাৰ প্ৰভুৱে সাহিত্য সভালৈ দিব খোজা টকাৰ কথা আগতে কোৱা হৈছে।

গৌৰীপুৰৰ ৰাণী ৺সৰোজবালা বৰুৱাণী ৺ৰাজেন্দ্ৰ নাৰায়ণ চৌধুৰী, ৺গজেন্দ্ৰ নাৰায়ণ অধিকাৰী, ৺পুষ্পকান্ত শাস্ত্ৰী, ৺শোভাৰাম ব্ৰহ্ম চৌধুৰী, আৰু ৺দণ্ডীৰাম দাস মৃত্যু হয়।

ফিৰদোস্তআলি হাজৰিকা যোৰহাটৰ এজন ধনী আৰু সদাশয় ভদ্ৰলোক আছিল। তেৰোঁ এই বছৰতে ঢুকাল। ইসকলৰ সন্তপ্ত পৰিয়ালটৈল সভাই সমবেদনা জনাইছে।

এই সন্মিলনে শুনি দুঃখিত হব যে, বৃদ্ধ আৰু প্ৰবীন সাহিত্যিক গুৱাহাটীৰ শ্ৰীযুত ছতিৰাম দাস অলপতে ঢুকাল। তেওঁ নিৰলে এক নিষ্ঠ মনেৰে সাহিত্য চৰ্চ্চা কৰিছিল। আমি তেওঁৰ আত্মাৰ সদ্ গতি কামনা কৰিছোঁ।

১৪। সভাৰ অফিচ :—

সাহিত্য সভাৰ কাৰ্য্য প্ৰতি বছৰে নতুন হৈ গৈছে। সম্প্ৰতি সাধাৰণ অফিচ, সভাৰ মুখ পত্ৰ আৰু চন্দ্ৰকান্ত অভিধান এই তিনি বিভাগত কাৰ্য্য হৈছে। পুথি ভঁৰাল স্থাপনৰ কাৰণেও বেলেগে এটি বিভাগ অলপতে খোলা হৈছে। বৰ্ত্তমান অফিচৰ কামৰ পৰিমাণৰ কথা তলত দিয়া বিৱৰণৰ পৰা বুজা যাব।



বৰ্ত্তমান অফিচৰ ফাইল———২১ + ৩৭ = ৫৮ টা।
১৯২৫ চনৰ দিয়া চিঠিৰ নম্বৰ———১৭২০
,, ,, পোৱা চিঠিৰ নম্বৰ———৩৩৪
১৯২৬ চনৰ দিয়া চিঠিৰ নম্বৰ———১৫০৯
,, পোৱা চিঠিৰ নম্বৰ——— ১৬৯
এইটো কেৱল দহ মাহৰহে সংখ্যা।

এই খিনি মুঠে সভাৰ সাধাৰণ অফিচৰ কাৰ্য্য। আন আন বিভাগতো এই অনুযায়ী কাম হয়।

১৫। সামৰণী :—

আমাৰ এই বছৰৰ কামৰ এয়ে সংক্ষেপ পৰিচয়। ভ্ৰান্তি আৰু ক্ৰুটি মানুহৰ স্বভাবিক। আমাৰো অনেক হৈছে। সেই কাৰণে আমি নিজে আৰু কাৰ্য্য নিৰ্ব্বাহক সভাৰ হৈ সাহিত্য সভাৰ আৰু সমূহ ৰাইজৰ ওচৰত মাৰ্জ্জনা বিচাৰিছোঁ।

বৰ্ত্তমান সাহিত্য সভাৰ ভেঁটি দৃঢ় ৰূপে বন্ধা হৈছে বুলি আমাৰ বিশ্বাস। যোৰহাটৰ দৰে নগৰৰ কেন্দ্ৰ ঠাইত সাহিত্য সভাৰ স্থায়ী অফিচ স্থাপন হৈছে। এতিয়ালৈকে তিনটা স্থায়ী ভঁৰাল ( ট্ৰাষ্ট-ফাণ্ড ) স্থাপন কৰিব পৰা হৈছে; তেনেকুৱা ভঁৰালৰ অৰ্থে আৰু টকা পোৱাৰ আশাও আছে। এইবিলাক ভঁৰালৰ আয়ৰ বাহিৰেও বছৰি ২৪০০ মান টকা সভাৰ স্থায়ী আয় হোৱাৰ ব্যৱস্থা হৈছে। এনেকুৱা স্থলত ইয়াৰ আৰম্ভন আশাজনক বুলি কোৱা অত্যুক্তি নহয়।

কিন্তু সাহিত্য সভাই কৰিব লগীয়া কাম বহুত। বৰ্ত্তমান অসমীয়া সাহিত্যৰ অভাৱ অনেক। পুৰণি অসমীয়া সাহিত্যৰ প্ৰকৃত অনুসন্ধান আমাৰ দেশত নাই হোৱা বুলি কলেও হয়। সাহিত্যৰ উপৰিও ঐতিহাসিক বস্তু বস্তুৰ আৰু প্ৰাচীন কীৰ্ত্তিৰ অনুসন্ধানো সাহিত্যৰ লাগতিয়াল অঙ্গ। সঙ্গীত চিত্ৰ বিদ্যা আদি কলা বিদ্যাও সাহিত্যৰ লগৰীয়া। এইবিলাকৰ উপৰিও আমাৰ দেশৰ পুৰণি অধিবাসী আৰু আচল অসমীয়া বড়ো, মেচ, কচাৰী গাৰো, খাচিয়া, নগা মিৰি, মিকিৰ, আদি প্ৰাচীন জাতি বিলাকৰ ভাষা, বুৰঞ্জী উৎপত্তি আদি সম্বন্ধে আলোচনা কৰিবলগীয়া বহুত কথা আছে। সিদিনালৈকে আমাৰ দেশত ৰজা হৈ থকা আহোম জাতি আৰু সিবিলাকৰ ভাষা, বুৰঞ্জী, সভ্যতা আদি সম্বন্ধেও জানিব আৰু উলিয়াব লগীয়া অনেক বিষয় আছে। কোচ জাতি এসময়ত প্ৰাচীন কামৰূপৰ অধীশ্বৰ আৰু গৌৰৱৰ স্থল আছিল। তেওঁলোকে এতিয়াও এই দেশৰ কোনো কোনো খণ্ডত ৰাজত্ব কৰি আছে। এওঁলোকৰ কীৰ্ত্তি কলাপো অনুসন্ধানৰ বিষয়।

এইবিলাক বৃহৎ আৰু মহৎ কাৰ্য্য কৰিবৰ অৰ্থে কুৰি পঁচিশ হাজাৰ নেলাগে কুৰি পঁচিশ লাখ টকা হলেও নিয়ম মতে জোৰে কি নোজোৰে সন্দেহ হে। সেই দেখি সাহিত্য সভাৰ অৱিশ্যকীয় টকা গোট খোৱা বুলি হাট সাৰটিবৰ সময় হোৱা নাই।

সামৰণীত আমাৰ উপস্থিত সমজুৱা সকলৰ ওচৰত সানুনয় নিবেদন এই যে, উৰা বাতৰিত শুনিবলৈ পোৱা যায় কোনো কোনোৱে হেনো ধুবুৰী সন্মিলনৰ কিবা গুঢ় অভিপ্ৰায় আছে বুলি কণাকণি কৰিছে; আমাৰ সাহিত্য সভাৰ হৈ আৰু গোটাই অসমীয়া জাতিৰ হৈ আমি কওঁ যে, ইয়াত কোনো গুপ্ত অভিসন্ধিৰ গোন্ধ ভাপ নাই; ই কেৱল সাহিত্য আলোচনাৰ সভাহে। আমাৰ সাহিত্য সভাৰ উদ্দেশ্য অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধিৰ নিমিত্তে সকলো প্ৰকাৰ চেষ্টা কৰা। এই কাৰণেহে আজি অধিক ভাগ, অসমীয়া ধুবুৰীত সন্মিলিত।

ধুবুৰীক এক প্ৰকাৰ আসামৰ মাজ ঠাইয়েই বুলিব পাৰি। ইংৰাজ ৰাজত্বৰ প্ৰায় আগখিনি সময়লৈ কামৰূপৰ বা আগৰ আসামৰ সীমা কৰতোৱাৰ পৰা সদীয়ালৈ আছিল; যেন আৰু কোচবংশী ৰজাসকলৰ দিনত উত্তৰে জলপাইগুৰিৰ পৰা দক্ষিণে মৈমনসিংহ জিলাৰ ভালে খিনি ঠাই অসম কামৰূপৰ ভিতৰত সুমাইছিল; সুবিখ্যাত কোচ ৰাজবংশৰ নাতি-পুতিয়ে আজিও প্ৰাচীন কামৰূপৰ ঠায়ে ঠায়ে ৰাজত্ব কৰি আমাৰ প্ৰাতঃ স্মৰণীয় ৰজা মহাৰাজা সকলৰ গৌৰৱ ঘোষণা কৰিব লাগিছে।

ভাস্কৰ বৰ্ম্মণ, শঙ্কল আদি বিখ্যাত মহাৰাজাসকলৰ সময়ত অসম কামৰূপৰ পশ্চিম সীমা গঙ্গা বা পদ্মা নৈয়েই আছিল। মহাভাৰত, পুৰাণ তন্ত্ৰৰ সময়তো প্ৰাচীন কামৰূপ ৰাজ্যৰ সীমা কৰতোৱাৰ পৰা দিকৰাইলৈ পোৱা যায়। অৱশ্যে পাশ্চাত্য শিক্ষাত শিক্ষিত আজি কালিৰ কিছুমান একদেশ দৰ্শী লোকে ৰামায়ণ মহাভাৰত পুৰাণ তন্ত্ৰ

আদি প্ৰাচীন গ্ৰন্থৰ কথা কাল্পনিক বুলি উপলুভা কৰিব খোজে। কিন্তু সূক্ষ্মদৰ্শী আৰু তথ্যজ্ঞ প্ৰাচ্য আৰু প্ৰাতীচ্যৰ সকলো পণ্ডিতে এইবিলাক গ্ৰন্থৰ ভৌগোলিক আৰু ঐতিহাসিক মূল্যৰ কথা স্বীকাৰ কৰে। এইবিলাক শাস্ত্ৰত কামৰূপৰ যি বিবৰণ আছে, তাক সকলোৱে জানে।

প্ৰাচীন কামৰূপ এক বিৰাট ৰাজ্য আৰু প্ৰাচীন কামৰূপীয় ভাষা আৰু সাহিত্য এক বিপুল সভ্যতাৰ ফল আছিল। সদানীৰা কৰতোয়াৰ পৰা সদীয়াৰ দিক্কৰ বাসিনী আৰু হিমাচলৰপৰা সাগৰ পৰ্য্যন্ত এই বিশাল দেশৰ সকলো তথ্য অনুসন্ধান কৰি প্ৰাচীন কামৰূপীয় জাতিৰ মাজত প্ৰাণ সঞ্চাৰ কৰা অসমীয়া জাতিৰ কৰ্ত্তব্য। কিন্তু অকল অৰ্থই যথেষ্ট নহয়। তাৰ অৰ্থে আত্মত্যাগী কৰ্ম্মীবো আৱশ্যক।

আমি শ্ৰীভগৱানৰ চৰণ কমলত প্ৰাৰ্থনা জনাও যেন অসমীয়া জাতিৰ ভিতৰৰপৰা এনেবিলাক কাৰ্যৰ অৰ্থে মহানুভৱ দাতা দূৰদৰ্শী আৰু তীক্ষ্ণধী উপদেষ্টাৰ আৰু অক্লান্ত কৰ্ম্মীৰ আবিৰ্ভাৱ হয়।

পঠিত আৰু গৃহীত হল।

স্বাক্ষৰ-শ্ৰীবেণুধৰ ৰাজখোৱা। স্বাক্ষৰ — শ্ৰী॰ ৰৎচন্দ্ৰ গোস্বামী
সভাপতি। প্ৰধান সম্পাদক।
১৯। ১০। ২৬ আসাম সাহিত্য সভা, যোৰহাট।

---

# নৱম সাহিত্য সন্মিলন।

ধুবুৰী নগৰত অসম সাহিত্য সভাৰ নৱম সন্মিলন মহা সমাৰোহেৰে হৈ গল। এই সন্মিলনত অসম দেশৰ যিমান গণ্য মান্য সাহিত্যানুৰাগী মানুহ গোট খাইছিল, আগৰ কোনো সন্মিলনত সিমান গোট খোৱা নাছিল। কেবাগৰাকী মহিলাও, বহুত দূৰৰ পৰা আহি সন্মিলনত উপস্থিত আছিল আদৰণী সভাই অতিথিসকল থকা মেলাৰ সুন্দৰ দিহা কৰিছিল। .

সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সভাৰ আদেশ মতে, এই সংখ্যাৰ পত্ৰিকা অলপ বেলিকৈ প্ৰকাশ কৰা হল। কাৰণ ইয়াত সন্মিলনত পঠিত লাগতিয়াল প্ৰবন্ধাদি সুমাই দিয়া হৈছে; আৰু সেইবাবে পত্ৰিকাৰ কলেৱৰো কিছু বৃদ্ধি হৈছে। শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই পাঠ কৰা প্ৰবন্ধটি আৰু অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা দেৱৰ, ইতিহাস শাখাৰ সভাপতিৰ অভিভাষণটি এই সংখ্যাত প্ৰকাশ কৰা হ'ল। ইয়াৰ বাজে পণ্ডিত শ্ৰীযুত ষড়াণন তৰ্কতীৰ্থ মহাশয়ে, দৰ্শন শাখাৰ সভাপতি স্বৰূপে এটি সাৰুৱা প্ৰবন্ধ পাঠ কৰিছিল। তাক ঠাইৰ অভাৱত এই সংখ্যাত প্ৰকাশ কৰিব পৰা নহল; অহা সংখ্যাত প্ৰকাশ কৰা হ'ব। সভাপতি শ্ৰীযুত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ দীঘল কিন্তু সুন্দৰ অভিভাষণটি, আৰু আদৰণী সভাৰ সভাপতিৰ অভিভাষণ ছপা কৰি সন্মিলনতে বিতৰণ কৰা হৈছিল। সেইদেখি আমি আৰু তাক প্ৰকাশ নকৰিলোঁ। সাহিত্য সভাৰ সভ্যসকলে প্ৰধান সম্পাদকৰ পৰা এই দুটি অভিভাষণ পাব পায়।

গুৱালপাৰ জিলাৰ অসমীয়া ৰাইজৰ আৰু আমাৰ ৰভা সম্প্ৰদায়ৰ সাহিত্য সভালৈ অসীম অনুৰাগ দেখি আমি বৰ সন্তোষ পাই আহিছোঁ। অসমীয়া সাহিত্যলৈ এওঁলোকৰ প্ৰীতি আৰু শ্ৰদ্ধা আৰু তাৰ উন্নতিৰ অৰ্থে উৎসাহ অতিশয় প্ৰসংশণীয়।

ধুবুৰী সন্মিলনত কাজিয়া লাগি মহা হুলস্থূল হ'ল বুলি, কোনো কোনো মানুহে বৌটোকে ঢৌটো কৰি, বাতৰি কাকতত দীঘল দীঘল প্ৰবন্ধ প্ৰকাশ কৰিছিল। সেইবাবে প্ৰকৃত ঘটনাটোনো কি হৈছিল, আমাৰ পাঠকসকলক একেষাৰ কৈ থওঁ। সন্মিলনৰ দ্বিতীয় দিনাৰ সভাত, এজন বঙ্গালী ভদ্ৰলোকে, সভাপতিয়ে আগ দিনা পাঠ কৰা অভিভাষণৰ কোনো অংশ সমালোচনা কৰি



এটা বক্তৃতা দিবলৈ থিয় হৈছিল। কিন্তু সভাপতিৰ বক্তৃতাৰ সেই সভাতে সমালোচনা কৰা ৰীতিটো, কোনো দেশত কোনো কালে আজিলৈকে চলা নাই দেখি, সভাপতি ডাঙৰীয়াই তেওঁক সেই বক্তৃতা দিবলৈ অনুমতি নিদিলে। সেই কথাতে ওফোন্দ পাতি, সেই ভদ্ৰলোকজনে, গুৱালপাৰৰ সকলো বঙ্গালী উঠি আহা বুলি, হুকুৰিমান বঙ্গালী বন্ধুৰে সৈ সভাৰ পৰা ওলাই গ'ল। এই বাবে সভাৰ সভাসকল বৰ দুঃখিত হ'ল। কিন্তু, ইয়াৰ বাবে, সভাৰ কোনো কাৰ্যৰ অকণো ব্যাঘাত হোৱা নাছিল। লেশ মাত্ৰও হুলস্থূল নোহোৱাকৈ সকলো কাৰ্য্য শান্ত ভাৱে আৰু সুন্দৰৰূপে সমাধা হৈ গ'ল।

সেই দিনাই সভাৰ অন্তত প্ৰীতি ভোজনেৰে আৰু ৰাতি বেজবৰুৱা ডাঙৰীয়াৰ "জয়মতী" নাটকৰ অভিনয়েৰে সন্মিলনৰ কাৰ্য্য শেষ হ'ল।

অহা বাৰৰ সন্মিলন গুৱালপাৰ মহকুমালৈ নিমন্ত্ৰণ কৰা হৈছে।

---

# সমালোচনা।

ডেকা বৰুৱাৰ বুলনী—৬টি পদ্য আৰু ৫টি গদ্য ৰচনাৰে ৪৫ পৃষ্ঠাৰ এখনি সৰু কিতাপ। ডাক্তৰ শ্ৰীযুত মহানন্দ বৰুৱা সাহিত্য ভূষণৰ দ্বাৰা প্ৰণীত। দাম পাচ অনা। এই কিতাপখনিয়ে সৰু গল্পৰ কিতাপৰ শাৰীত ঠাই পায়। গ্ৰন্থকাৰ অসমীয়া পাঠক পাঠিকাৰ আগৰে চিনাকি। তেখেতে A Manual of Proverbs আৰু দোহাৱলী, এই দুখন কিতাপ লিখি খ্যাতি লাভ কৰিছে। কবিতাকিটি খেমেলীয়া আৰু গদ্য প্ৰবন্ধকিটি উপদেশপূৰ্ণ হৈছে। লিখকৰ ভাষা সৰল আৰু প্ৰাঞ্জল। ৫ম পৃষ্ঠাৰ দ্বিতীয় শাৰীত "আন্দোলন" কথাটোৰ সলনি, লিখকে চিত্ৰকৰা কানীয়াৰ মুখত শুৱোৱা আন এটা কিবা ঘৰুৱা কথা দিয়া হলে ভাল হলহেঁতেন। ১৭ শ পৃষ্ঠাৰ ১০ ম শাৰীত আৰু ২৮ পৃষ্ঠাৰ ১৭ শ শাৰীত "নলিচা"ৰ সলনি "নলী" হ'ব লাগিছিল। চিলিম বহুৱাই দিয়া ডালকহে "নলিচা" বোলে; মুখেৰে খোৱা টনা ডালক "নলীহে" বোলে। ৩১ পৃষ্ঠাৰ ১৭ শাৰীত "বাচেঁ"ৰ ঠাইত অসমীয়া কথা এটাহে হব লাগিছিল; "বাচেঁ" এই কথাটো অসমীয়া নহয়, বঙ্গালীহে। ইয়াৰ বাহিৰে ভাষাৰ বিষয়ে আমাৰ আৰু একো কব লগীয়া নাই। বিদেশত ছপা কৰা বাবে কিতাপখনিত কৰবাত মজে মাজে দুটা এটা ছপাৰ ভুল আছে। দ্বিতীয় তাঙ্কৰনত সিও নাথাকে। লিখকে চুটি ২ গল্প লিখাত বিশেষ কৃতিত্ব লাভ কৰিব বুলি আমাৰ অনুমান হয়। আশা কৰো তেখেতৰ আৰু অনেক কিতাপ আমি দেখিবলৈ পাম।

কৌতুক—এই সৰু কিতাপটিৰ প্ৰণেতা হৈছে কামৰূপৰ মাখিবাহা স্কুলৰ শিক্ষক শ্ৰীযুত দণ্ডীৰাম দত্ত। ইয়াত ৩০ টি অঙ্ক শাস্ত্ৰৰ কৌতুক আছে। কিতাপখনি নাৱে গাৱে মিলি পৰিছে। কৌতুক যি কৌতুকেই; আদিৰ পৰা অন্তলৈকে বৰ আমোদজনক। প্ৰত্যেকটি কৌতুকতে আমোদৰ মাজেদি বুদ্ধিৰ পৰিচালনা কৰা হৈছে। এই কিতাপখনি পাই আমি বৰ সন্তোষ পাইছো আৰু লিখকৰ নথৈ শলাগ লৈছোঁ। ইয়াত তেখেতৰ কৃতিত্বৰ বিশেষ ৰূপে চিন ওলাইছে। লৰা ছোৱালীৰ মনত সৰু কালতে এই কিতাপখনিয়ে অঙ্ক শাস্ত্ৰলৈ আগ্ৰহ জন্মাব পাৰিব বুলি আমি আশা কৰিছোঁ। সকলোৱে ইয়াৰ একোখনি কিনি লিখকক উৎসাহ দিয়া উচিত। ইয়াৰ দামো সৰহ নহয়, কেৱল ।৶০ অনা মাথোন। লিখকৰ পৰা এনে বিধৰ আৰু কিতাপ পাবলৈ আমি আশা কৰিলোঁ।

সৰল চিকিৎসা—যোৰহাটৰ শ্ৰীযুত চক্ৰেশ্বৰ ভট্টাচাৰ্য্য ভিষক শাস্ত্ৰীৰ দ্বাৰা সংগৃহিত আৰু শ্ৰীযুত নন্দিনাথ শইকীয়াৰ দ্বাৰা প্ৰকাশিত; দাম—পকা বন্ধাৰ ১।০ আৰু কেচা বন্ধাৰ ১৲ টকা। ২৫৮ পৃষ্ঠাৰ ডাঙৰ কিতাপ।

(৩) সভাৰ ঘৰ সাজিবলৈ গৱৰ্ণমেণ্টৰপৰা এড়োখৰ আতল বহল মূল্যবান মাটি পোৱা হয়; আৰু সেই মাটিত প্ৰায় ১৫,০০০৲ টকাৰ সুন্দৰ চন্দ্ৰকান্ত মন্দিৰ হল, সভাই দান পায়।

(৪) যোৱা বছৰত ৩০০০৲ আৰু আগলৈ বছৰে ১০০০৲ টকাকৈ সভালৈ গৱৰ্ণমেণ্টৰ সাহায্য মঞ্জুৰ হয়।

(৫) অসমৰ সৰহ ভাগ লোকেল্ বৰ্ড্ আৰু মিউনিচিপেলিটিৰপৰা সভালৈ বাৰ্ষিক অৰ্থ সাহায্য পোৱা হয়।

(৬) ওপৰত উল্লেখ কৰা সকলোবিলাক টকা সজ্ কাযাত লগাই, তাৰপৰা যুগমীয়া স্বফল পাবৰ ভাল দিহা কৰা হয়।

গোস্বামী দেৱে বৰ নিস্বাৰ্থ ভাবে নিজৰ সময় ব্যয় কৰি আৰু নথৈ পৰিশ্ৰম কৰি, সভাৰ সকলো কামতে কাৰ্য্য কুশলতা আৰু কৃতিত্বৰ চিন দেখুৱাইছিল। সভাৰ জন্মোৰেপৰা তেখেতে অৱসৰ লোৱা দিনলৈকে, তেখেতেই ইয়াৰ ওবিয়াল, প্ৰধান কৰ্ম্মচাৰী আৰু প্ৰাণ স্বৰূপ আছিল—এই কথা সকলোৱে মুক্ত কণ্ঠে স্বীকাৰ নকৰি নোৱাৰে। অসম সাহিত্য সভা চিৰকাললৈকে শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱৰ ওৰিত নথৈ ধৰুৱা থাকিব, আৰু তেখেতৰ নাম সভাৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। মুঠতে, "অসম সাহিত্য সভা" বুলিলে, শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীলৈ, আৰু "শৰৎচন্দ্ৰ গোস্বামী" বুলিলে, অসম সাহিত্য সভালৈ আমাৰ সদায় মনত পৰিব।

গোস্বামী দেৱে প্ৰধান সম্পাদকৰ বাব এৰিলে যদিও তেখেতৰ অভিজ্ঞতা, সজ পৰামৰ্শ আৰু সকলো প্ৰকাৰৰ মৰম চেনেহৰপৰা সাহিত্য সভা কেতিয়াও বঞ্চিত নহ'ব বুলি আমি আশা কৰিছোঁ।

যোৱা ২১।৫।২১ তাৰিখে, গোস্বামী দেৱৰ বন্ধুসকলে, সাহিত্য সভাৰ চোতালত এখন চাহ খোৱা মেল পাতি, তেখেতক বিদায় দিয়ে; তাত নগৰৰ বহুত গণ্য মান্য ভদ্ৰলোক উপস্থিত আছিল।

(৬) অসম সাহিত্য সভাই পুৰস্কাৰ ঘোষণা কৰা পুথিৰ সময় বৃদ্ধি—যোৱা ২।৬।২১ তাৰিখে বহা সাঃ সভাৰ কাৰ্য্য নিৰ্ব্বাহক সভাত, তলত নাম দিয়া পুথি কেইখনৰ নিৰ্দ্দিষ্ট দিন বঢ়াই দিয়া হয়—

ৰন্ধন বিষয়ক পুথি—১৯২১ চনৰ ৩১ জুলাই।
সৰল বিজ্ঞান—১৯২১ চনৰ ৩০ চেপ্তেম্বৰ।

---

# শোকৰ বাতৰি।

## (১) শ্ৰীল শ্ৰীযুক্ত নবদেৱ অধিকাৰ গোস্বামী।

যোৱা ১৮৪৮ শকৰ ১৪ চ'তত দক্ষিণপাট সত্ৰৰ অধিকাৰ শ্ৰীল শ্ৰীযুক্ত নবদেৱ গোস্বামী প্ৰভু স্বৰ্গী হল। আমি এই বাবে অতিশয় দুখিত হৈছোঁ। যদিও তেখেতৰ বয়স হৈছিল, তথাপি তেখেতৰ দৰে এগৰাকী বিজ্ঞ বহুদৰ্শী সুপণ্ডিত আৰু বিদ্যোৎসাহী ধৰ্ম্মাচাৰ্য্যক হেৰুৱাটো, অসম দেশৰ বাবে বৰ দুৰ্ভাগ্যৰ কথা। তেখেত অসম সাহিত্য সভাৰ এগৰাকী প্ৰধান পৃষ্ঠপোষক আছিল, আৰু এই সভালৈ ৫০০০৲ টকা দান দি, "নবদেৱ ট্ৰাষ্ট ফণ্ড্" সৃষ্টি কৰিছিল। অকল এয়েই নহয়, অসম দেশৰ আৰু বহুত সৎ অনুষ্ঠানৰ বাবে তেখেতে অকাতৰে অৰ্থদান কৰিছিল। তেখেতে গৱৰ্ণমেণ্টৰো শ্ৰদ্ধাৰ পাত্ৰ আছিল, আৰু তেখেতৰ সৎ কাৰ্য্যৰ শলাগনিৰ চিন স্বৰূপে গৱৰ্ণমেণ্টে তেখেতক "কেইচৰী হিণ্ড" মেডেল পুৰস্কাৰ দি সন্মানিত কৰিছিল। বয়স, পাণ্ডিত্য, অভিজ্ঞতা আৰু কাৰ্য্যৰ বাবে তেখেতক সকলো অসমবাসীয়ে দেশৰ ধৰণি বুলি আন্তৰিক প্ৰণাম কৰিছিল। এনেজন পুৰুষক হেৰুৱাই আজি অসমীয়া মাত্ৰেই বৰ শোক পাইছে। আমি প্ৰভু ঈশ্বৰৰ পৱিত্ৰ আত্মাৰ সদ্গতি কামনা কৰিছে।

## (২) ৰায় বহাদুৰ ৺কৃষ্ণচন্দ্ৰ চৌধাৰী।

অলপতে গুৱাহাটীৰ ৰায় বাহাদুৰ ৺কৃষ্ণচন্দ্ৰ চৌধাৰী ডাঙৰীয়া পৰলোক প্ৰাপ্ত হল; ই ও আমাৰ পক্ষে বৰ দুখৰ কথা। এখেতে বহুত দিন সুখ্যাতিৰে হাকিমী কাম কৰি পেঞ্চন পাইছিল আৰু ৰায় বাহাদুৰ খিতাপ লাভ কৰিছিল। তদুপৰি গুৱাহাটী মিউনিচিপেলিটিৰ চেয়াৰমেন আৰু আসাম ব্যৱস্থাপক সভাৰ সভ্য হৈছিল আৰু অনৰেৰী মেজিষ্ট্ৰেটৰ বাবো পাইছিল। চৌধাৰী ডাঙৰীয়া এগৰাকী সুবুদ্ধিমান, সুকৰ্ম্মপৰ, সৰবৰহী সৰল আৰু উদাৰ প্ৰকৃতিৰ পুৰুষ আছিল। তেখেতক হেৰুৱাই অসম দেশ দুখীয়া হৈছে। তেখেতৰ সন্তপ্ত পৰিয়ালক আমাৰ সহানুভূতি জনাইছো আৰু তেখেতৰ আত্মাৰ সদ্গতিৰ অৰ্থে আমি ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰিছো।

---